www.asombarta.in

PRGI REGD. NO. : ASASS/25/A2361

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


ঘৰ সাজিবলৈ ওখ ভেঁটি কৰি ল'ব লাগে। সেইদৰে কথা প্ৰকাশ কৰাৰ আগতে মনতে এবাৰ দকৈ চিন্তা কৰা উচিত। — ইভান বুনিল


ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -



❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৩২ ❑ মঙ্গলবাৰ ❑ ২৪ ফেব্ৰুৱাৰী, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 132 ❑ Wednesday ❑ 24th February, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8


■ ধূলি-বালি চিমেণ্টৰ গুৰিয়ে ছানি ধৰিছে গুৱাহাটী ■

# ভয়াৱহ বায়ু প্ৰদূষণৰ গ্ৰাসত মহানগৰী

❑ বিপদজনক সীমাত প্ৰদূষণৰ সূচাংক ❑



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** গুৱাহাটী মহানগৰীক ভয়ংকৰ বায়ু প্ৰদূষণে সম্পূৰ্ণৰূপে গ্ৰাস কৰিছে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তথ্য অনুসৰি চলিত ফেব্ৰুৱাৰী মাহত বায়ুৰ মান সূচকাংক (AQI) সৰ্বাধিক ২৯৪ পৰ্যন্ত উন্নীত হৈছে, যিয়ে 'বেয়া' শ্ৰেণীত পৰে আৰু স্বাস্থ্যৰ বাবে গুৰুতৰ আশংকাৰ সৃষ্টি কৰিছে। বিশেষকৈ ১৬ ফেব্ৰুৱাৰীত AQI ২৯৪ আছিল আৰু মাহৰ প্ৰথম তিনিদিন আৰু ১২ৰ পৰা ১৬ ফেব্ৰুৱাৰীলৈকে AQI ২০০ৰ পৰা ৩০০ৰ ভিতৰতে থকা দেখা গৈছে। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ মুখ্য পৰিৱেশ বিজ্ঞানী ড° গৌতম কুমাৰ মিশ্ৰই জনোৱা মতে জানুৱাৰীৰ পৰা মাৰ্চলৈকে শুকান বতৰ আৰু বৰষুণৰ অভাৱৰ ❑ ৬ পৃষ্ঠাত

তৃণমূল কৰ্মীৰ অসন্তুষ্টি

## বিহপুৰীয়াত ভূপেন বৰাক উপেক্ষা বিজেপি নেতা-কৰ্মীৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৩ ফেব্ৰুৱাৰী ঃ** বিজেপিত যোগদান কৰাৰ পিছত প্ৰথমবাৰৰ বাবে নিজৰ গৃহ সমষ্টি বিহপুৰীয়াত উপস্থিত হৈছিল প্ৰাক্তন কংগ্ৰেছ ৰাজ্যিক সভাপতি ভূপেন বৰা। কিন্তু সমষ্টিটোত ❑ ৬ পৃষ্ঠাত

ৰাইজৰ দলৰে মিত্ৰতা ইতিবাচক দিশেৰে আগবাঢ়িছে, চূড়ান্ত হ'বলৈ অলপ সময় লাগিব

## বিৰোধীৰ মিত্ৰতাত অপপ্ৰচাৰ; দিল্লীত কংগ্ৰেছ নেতৃত্বৰ স্পষ্ট ঘোষণা




**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ক লৈ ৰাজনৈতিক পৰিৱেশ তীব্ৰভাৱে উত্তপ্ত হৈ পৰিছে। বিশেষকৈ বিৰোধী দলসমূহৰ ❑ ৬ পৃষ্ঠাত

'হুচাৰি' আৰু 'বিহুনা' অভিহিত; ক্ষমা বিচাৰি আঁতৰালে পোষ্ট

## কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰণালয়ৰ হুচৰি আৰু বিহুক ভুল বানানেৰে উপস্থাপন

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰণালয়ৰ অফিচিয়েল ফেচবুক পেজত প্ৰকাশিত এটা কুইজ প্ৰশ্নই অসমত ব্যাপক বিতৰ্কৰ সৃষ্টি কৰিছে। ❑ ৬ পৃষ্ঠাত




## কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীৰ ভাৰত ভ্ৰমণ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৩ ফেব্ৰুৱাৰী ঃ** কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীয়ে ২৬ ফেব্ৰুৱাৰীৰ পৰা ৭ মাৰ্চলৈকে তিনিখন দেশ - ভাৰত, অষ্ট্ৰেলিয়া আৰু জাপান - ভ্ৰমণ কৰিব। এই ভ্ৰমণক কানাডা চৰকাৰে ❑ ৬ পৃষ্ঠাত

## 'পাকিস্তানী সম্পদ ভাৰতীয় জনতা পাৰ্টিয়ে কেতিয়াও গ্ৰহণ নকৰে'

এছআইটিৰ প্ৰতিবেদনত গৌৰৱ গগৈৰ পাকিস্তান সংযোগ উন্মোচনৰ দাবী

**অসম বাৰ্তা, দিছপুৰ, ২৩ ফেব্ৰুৱাৰী ঃ** অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত সংবাদমেলত ❑ ৬ পৃষ্ঠাত

■ দুই জোৱান আহত, তিনিজনক গ্ৰেপ্তাৰ ■

## জুবিন ক্ষেত্ৰত উদ্ভণ্ডালি উদণ্ড সুৰাপায়ীৰ



ৰাজপথত গাড়ী চলাচলত বাধা; আৰক্ষীকো প্ৰহাৰ সুৰাসক্ত যুৱকৰ

**অসম বাৰ্তা, সোণাপুৰ, ২৩ ফেব্ৰুৱাৰী ঃ** নিশাৰ সময়ত সোণাপুৰৰ জুবিনক্ষেত্ৰত (জুবিন গাৰ্গৰ স্মৃতিসৌধস্থলী) এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। একাংশ সুৰামত্ত যুৱকে ঠাইখিনিত উদ্ভণ্ডালি আৰম্ভ কৰি পৰিস্থিতি অশান্ত ❑ ৬ পৃষ্ঠাত

## এপ্ৰিলৰ ভিতৰত অভি-নীল হত্যাকাণ্ডৰ ৰায়দানৰ সম্ভাৱনা

অভিযুক্ত পক্ষৰ যুক্তি দৰ্শোৱাৰ পিছতেই শেষ হ'ব বিচাৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৩ ফেব্ৰুৱাৰী ঃ** সাত বছৰ ধৰি ৰাজ্যৰ ৰাইজক নাৰাজ কৰি ৰখা অভিজিৎ নাথ আৰু নীলোৎপল দাসৰ নৃশংস হত্যাকাণ্ডৰ গোচৰৰ বিচাৰ প্ৰক্ৰিয়া এতিয়া চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। ❑ ৬ পৃষ্ঠাত

বিৰোধী মিত্ৰজোঁটৰ আসন বুজাবুজিৰ ভিতৰুৱা খবৰ ফাদিল মুখ্যমন্ত্ৰীৰ

## কংগ্ৰেছে এজেপিক এৰিব ১২খন আসন, ৰাইজৰ দলৰ চূড়ান্ত বুজাবুজি বিধি-পথালি



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভাৰ ২০২৬ চনৰ নিৰ্বাচন যিমানেই ওচৰ চাপি আহিছে, সিমানেই ৰাজনৈতিক উত্তাপ বাঢ়ি গৈছে। এই পৰিৱেশৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিৰোধী মিত্ৰজোঁটৰ আসন ❑ ৬ পৃষ্ঠাত

মহাৰাজ পৃথু উৰণ সেঁতুৰে যান-জট হ্ৰাস কৰাৰ আশা

## ১০ মাৰ্চত মুকলি হ'ব অসমৰ আটাইতকৈ দীঘল উৰণ সেতু



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ ফেব্ৰুৱাৰী ঃ** অপেক্ষা মাথোঁ দুসপ্তাহ। ১০ মাৰ্চত মুকলি কৰা হ'ব গুৱাহাটীৰ নুনমাটি-দীঘলীপুখুৰী সংযোগী ❑ ৬ পৃষ্ঠাত


ASBM®

Founded and led by Prof. Biswajeet Pattanayak,
former Distinguished Professor of IIM, Indore & Lucknow

LEARN TO EXCEL & LEAD @ASBM



ADMISSION 2019 - 21

POST GRADUATE PROGRAMME IN MANAGEMENT

14th Batch | PGDM

TWO YEAR FULL TIME RESIDENTIAL PROGRAMME

ACBSP ACCREDITED USA

As the only B-School in Eastern India accredited by ACBSP (Accreditation Council for Business Schools & Programs), recognised by Council for Higher Education Accreditation (CHEA), USA, ASBM has access to around 1200 Universities throughout the world for student and faculty exchange as part of ACBSP's Global Network of Business Schools

SPECIALISATIONS
- Finance
- Human Resources
- Marketing
- Operation & LSCM
- IT & Analytics
- Retail Management
- BIFS
- International Business

- Approved by AICTE
- A+++ Rank - Business India
- Green Residential Campus
- Excellent Campus Placement
- Mentoring by distinguished Faculty & Corporate Leaders
- International Immersion Programme at MDIS, Singapore & University of Nottingham, Malaysia

ELIGIBILITY
- Minimum 50% ( 45% for SC & ST) in Graduation
- Valid score of CAT/ XAT/ CMAT/ MAT/ GMAT
- Scholarships for Meritorious Students

Other Programmes of ASBM under Utkal University

BBA (Hons.) | B.Com. (Hons.) | Bachelor of Fashion Design

www.asbm.ac.in | E-mail : admission@asbm.ac.in

Tell: 0674 2744881/ 882/ 8763127020 | TOLL FREE- 1800 3456 5855


নিহত বিদেশী নাগৰিক, উদ্ধাৰ অভিযান অব্যাহত; অত্যাধিক গতিৰ সন্দেহ

## নেপালৰ ত্ৰিশুলী নদীত যাত্ৰীবাহী বাছ বাগৰি ১৮ জনৰ মৃত্যু, ২৫ জন আহত



**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৩ ফেব্ৰুৱাৰী ঃ** নেপালৰ ধাডিং জিলাত সোমবাৰে পুৱা ভোৰৰ প্ৰায় ১: ১৫ বজাত এক ভয়ংকৰ যাত্ৰীবাহী বাছ দুৰ্ঘটনাত কমেও ১৮জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ২৫জন আহত হৈছে। পোখৰাৰ পৰা কাঠমাণ্ডুলৈ অহা বাছখন প্ৰিথ্বী ঘাইপথত গাজুৰিৰ (বেনিঘাটৰ ওচৰত চিনাধাৰাৰ চাৰাউণ্ডিৰ ❑ ৬ পৃষ্ঠাত




## প্ৰাক্তন ৰে'লমন্ত্ৰী মুকুল ৰায়ৰ দেহাৱসান

বঙ্গৰ ৰাজনীতিৰ 'চাণক্য'ৰ প্ৰয়াণত ৰাজ্যখনত শোকৰ ছাঁ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ প্ৰাক্তন কেন্দ্ৰীয় ৰে'লমন্ত্ৰী ❑ ৬ পৃষ্ঠাত

সত্ৰাধিকাৰসকলৰ ধৰ্মীয় অনুভূতিত আঘাতৰ অভিযোগ

## মাজুলীত কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰৰ সংবাদমেল



**অসম বাৰ্তা, মাজুলী, ২৩ ফেব্ৰুৱাৰী ঃ** কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰৰ শেহতীয়া সংবাদমেলক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। এই সংবাদমেলত ❑ ৬ পৃষ্ঠাত

## উত্তৰ কোৰিয়াৰ নৱম পাৰ্টি কংগ্ৰেছত কিম জং উন পুনৰ নিৰ্বাচিত

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৩ ফেব্ৰুৱাৰী ঃ** উত্তৰ কোৰিয়াৰ শাসক দল 'ৱৰ্কাৰ্ছ পাৰ্টি অৱ কোৰিয়া' (WPK)ৰ নৱম কংগ্ৰেছত নেতা কিম জং উনক পাৰ্টিৰ সাধাৰণ সম্পাদক হিচাপে পুনৰ নিৰ্বাচিত কৰা হৈছে। চৰকাৰী ❑ ৬ পৃষ্ঠাত



ছিপাঝাৰ, কলাইগাঁও, দলগাঁও শিক্ষাখণ্ডৰ হেজাৰোধিক শিক্ষকৰ অংশগ্ৰহণ

# ইংলিছ চ'চাইটি, দৰঙৰ উদ্যোগত মঙলদৈত দিনজোৰা কৰ্মশালা

■ ইংৰাজীত পাকৈত হ'বলৈ হ'লে মাতৃভাষাতো পাৰ্গত হ'ব লাগিব ঃ বিদ্যালয় সমূহৰ পৰিদৰ্শক ■



**অসম বাৰ্তা, মঙলদৈ, ২২ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ বিশ্বত আজি আন্তৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপন হোৱাৰ সময়তে মঙলদৈত বিৰাজ কৰে এক অগতানুগতিক পৰিৱেশৰ। সমগ্ৰ দৰং জিলাৰ সকলো প্ৰাথমিক বিদ্যালয়ৰ কেইবা হেজাৰোধিক শিক্ষকৰ মাজত হোৱা ইংৰাজী ভাষাৰ কৰ্ষণ, কথন, পঢ়ন আৰু প্ৰশিক্ষণে এক ব্যতিক্ৰমী পৰিৱেশৰ সৃষ্টি কৰে। যিটো পৰিৱেশ জিলাখনত পোন প্ৰথমবাৰৰ বাবে হোৱাৰ লগতে ৰাজ্যৰ ভিতৰতো একমাত্ৰ বুলি চৰ্চিত হৈছে। উল্লেখ্য যে দৰং জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসৰ লগতে তেওঁৰ নেতৃত্বত (সভাপতিত্বত) গঠিত "ইংলিছ চ'চাইটি, দৰং" ৰ উদ্যোগত মঙলদৈস্থিত জিলা পুথিভঁৰালৰ সভাকক্ষত অনুষ্ঠিত হয় এই কৰ্মশালাৰ। কৰ্মশালাৰ মূল উদ্দেশ্য হৈছে চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰছাত্ৰীৰ মাজত প্ৰাথমিক পৰ্যায়ৰে পৰা ইংৰাজী ভাষা শিকোৱা আৰু শিকাৰ এক বাতাবৰণ সৃষ্টি কৰা তথা সৰু কালতে ভাষাটোৰ ওপৰত এটি সুদৃঢ় ভেঁটি গঠন কৰিব পাৰে। কৰ্মশালাটো দৰঙৰ তিনিটা প্ৰাথমিক শিক্ষা খণ্ড ক্ৰমে ছিপাঝাৰ, কলাইগাঁও আৰু দলগাৱঁৰ শিক্ষকৰ পৃথকে পৃথকে মাজত অনুষ্ঠিত হয়। পুৱা ১০ বজাত উদ্বোধনী ভাষণত বিদ্যালয়সমূহৰ পৰিদৰ্শক ৰাতুল কুমাৰ দাসে কয়, "এইয়া আমাৰ প্ৰথমটো খোজ। পৰৱৰ্তী খোজ ব্লক পৰ্যায়, ক্লাষ্টাৰ পৰ্যায়লৈ গৈ বিদ্যালয়সমূহলৈ প্ৰসাৰিত কৰা হ'ব। যাতে ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ স'তে চৰকাৰী খণ্ডৰ বিদ্যালয়েও সমানে তথা আগত খোজ দিব পাৰে।" ইংলিছ চ'চাইটিৰ সম্পাদক নন্দেশ্বৰ বৰুৱা আৰু উপ সভাপতি হিতেশ হাজৰিকাই আঁত ধৰা গুৰু গম্ভীৰ অনুষ্ঠানটিত পৰিদৰ্শক দাসে আৰু কয় "বৰ্তমানৰ যুগত ইংৰাজী ভাষাক অৱজ্ঞা কৰিব নোৱাৰি। কিন্তু মাতৃভাষাকো হেয়জ্ঞান কৰিব নালাগে। বিশ্বত এনে উদাহৰণৰ অভাৱ নাই যে মাতৃভাষাত শিক্ষা গ্ৰহণ কৰা সকলে জগতত জিলিকি উঠা নাই। মহান বিজ্ঞানী এ পি জে আব্দুল কালাম, সু-সাহিত্যিক হোমেন বৰগোহাঞি, হীৰেন গোহাই, ড° ভূপেন হাজৰিকা, ভবেন্দ্ৰ নাথ শইকীয়া প্ৰমুখ্যে মাতৃভাষা মাধ্যমতে শিক্ষা গ্ৰহণ কৰিছিল। মুঠতে মাতৃভাষাত পাৰ্গত হলেহে ইংৰাজী ভাষাত নতুবা বিদেশী ভাষাত পাকৈত হব পাৰি।" উদ্বোধনী অনুষ্ঠানত ইংৰাজী কাকতৰ জ্যেষ্ঠ সাংবাদিক ভাৰ্গৱ কুমাৰ দাসে কয়, "ইংৰাজী ভাষাটো ইমান টান ভাষা নহয়। মাত্ৰ যিয়েই যিদৰে সহজবোধ কৰে, সেইদৰে ব্যৱহাৰ কৰিব লাগে।" তদুপৰি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ অৱদান সকলোতকৈ মহান বুলি উল্লেখ কৰি শ্যেলী, শ্যেইকচপীয়েৰ, বাইৰণ, কীট্‌চ আদি মহান সাহিত্যিক সকলৰ জন্মদিন নতুবা মৃত্যুদিন পালন কৰিলে বহু উপকাৰ হব বুলি কয়। অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক ময়ূখ গোস্বামী, হেমন্ত কুমাৰ বৰুৱা আদি। উল্লেখ্য যে সমল ব্যক্তিৰূপে তিনিওটা খণ্ডত প্ৰজেক্টৰ আৰু ভাষণৰ মাধ্যমত প্ৰশিক্ষণ আগবঢ়ায় অভিজ্ঞ শিক্ষক জয়ন্ত বৰা, নুৰুল আলম, বন্দনা শইকীয়া, নুৰুল হক চৌধুৰী আৰু বনিতা ডেকাই। তদুপৰি প্ৰশিক্ষাৰ্থীৰ ফালৰ পৰা শিক্ষক ৰাকেশ শৰ্মাই সাৱলীলভাৱে ইংৰাজী ভাষাতেই ইংলিছ চ'চাইটি, দৰঙৰ পদক্ষেপক ভূয়সী প্ৰশংসা কৰে।

তৃতীয় স্থানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা বিতু আগৰৱালাৰ সাফল্য

# ষষ্ঠবাৰ অৱতীৰ্ণ হৈ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত জিলিকিল বৰপথাৰৰ বিতু আগৰৱালা

**অসম বাৰ্তা, সৰুপথাৰ, ২২ ফেব্ৰুৱাৰী ঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাত জিলিকিল সৰুপথাৰ সমজিলাৰ বিতু আগৰৱালা। সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সাফল্য লাভ কৰি সৰুপথাৰ সমজিলালৈ গৌৰৱ কঢ়িয়াই আনিছে বিতুৱে। ৫ বাৰ কৈ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত বিফল হৈ ৬নম্বৰবাৰ লোকসেৱা পৰীক্ষাত সাফল্য লাভ কৰি গাণনিক বিষয়া (Assistant Audit Officer) হিচাপে উত্তীৰ্ণ হয়। জানো আহক হাইস্কুল শিক্ষান্ত পৰীক্ষাত তৃতীয় স্থান প্ৰাপ্ত বিতু আগৰৱালাৰ সাফল্যৰ কাহিনী। সৰুপথাৰ সমজিলালৈ গৌৰৱ কঢ়িয়াই আনিছে প্ৰয়াত ঘনশ্যাম আগৰবালা আৰু ভগৱতী আগৰৱালাৰ পুত্ৰ বিতু আগৰৱালাই। নৱপ্ৰজন্মৰ বাবে এক আদৰ্শ হৈ জিলিকিছে বিতু। তেওঁ এইবাৰেই বিশেষ কঠোৰ পৰিশ্ৰম, ধৈৰ্য আৰু সঠিক পথ নিৰ্বাচনৰ ফলস্বৰূপে বাৰে বাৰে বিফল হৈ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত তৃতীয় স্থান লাভ কৰা, ষষ্ঠ আৰু অষ্টম শ্ৰেণীত ফেইল কৰা বিতু আজি তেওঁ আনৰ বাবে আদৰ্শ। সৰুপথাৰ সমজিলাৰ বৰপথাৰত বিতু আগৰৱালৰ ঘৰ। মনত যদি দৃঢ়তা থাকে বিফলতা বোৰ সফলতালৈ ৰূপান্তৰ হব পাৰে তাকেই যেন প্ৰতিপন্ন কৰিছে বিতু আগৰৱালাই। বাৰে বাৰে তেখেতে বিফল হোৱাৰ পিছতো হতাশ হোৱা নাছিল তেওঁ। ৫ বাৰকৈ বিফল হৈয়ো হতাশ নোহোৱা বিতুয়ে এইবাৰ গাণনিক বিষয়া হিচাপে সফলতা লাভ কৰিল। প্ৰেমহৰা প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলিছিল। তাৰ পিছত টেঙাহোলা মধ্য ইংৰাজী বিদ্যালয় অধ্যয়ন কৰিছি। দেউতাকৰ চাকৰি সূত্ৰে বৰপথাৰ আহি বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰিছিল। বৰপথাৰত পঢ়ি থাকোঁতেই তেওঁ দুবাৰকৈ পৰীক্ষাত উত্তীৰ্ণ হব পৰা নাছিল। ষষ্ঠ আৰু অষ্টম শ্ৰেণীত বিফল হৈছিল বিতুৱে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত তৃতীয় বিভাগত উত্তীৰ্ণ হৈ বৰপথাৰৰ অঞ্জলি বৰবৰা মেমৰিয়েল একাডেমীত উচ্চতৰ মাধ্যমিক শিক্ষা গ্ৰহণ কৰে। ইয়াৰ পিছতেই গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিভাগত স্নাতক ডিগ্ৰী গ্ৰহণ কৰি কটন বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। মেট্ৰিক পৰীক্ষাত তৃতীয় স্থান পোৱা বিতু আগৰবালাই নিজৰ একাগ্ৰতা, নীৰৱচ্ছিন্ন প্ৰচেষ্টাত উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উৰ্ত্তীৰ্ণ হৈ পিছত গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিভাগত স্নাতক ডিগ্ৰী লৈ কটন বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। বিতুয়ে সংবাদ মাধ্যমৰ সন্মুখত কয়, "ছবছৰীয়া মোৰ যাত্ৰাৰ অন্ত পৰিল। মই সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছো। প্ৰেমহৰা প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলিছিলো। টেঙাহোলা মধ্য ইংৰাজী বিদ্যালয়, বৰপথাৰ উচ্চ মাধ্যমিক বিদ্যালয়, অঞ্জলি বৰবৰা মেমৰিয়েল একাডেমী, গোলাঘাটৰ দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ পৰা কটন বিশ্ববিদ্যালয়লয়ত শিক্ষা জীৱন সাং কৰিছোঁ। যদিও মোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ভাল নাছিল, কিন্তু শিক্ষাগুৰুসকলে বিশেষকৈ অঞ্জলি বৰবৰা মেমৰিয়েল একাডেমীৰ শিক্ষাগুৰুসকলে যথেষ্ট উৎসাহ দিছিল। ফেইল তেতিয়াহে হয় যেতিয়া চেষ্টা কৰিবলৈ এৰি দিয়ে। সকলোৰে এটা নিৰ্দিষ্ট লক্ষ্য উদ্দেশ্য থকাটো প্ৰয়োজনীয়। লক্ষ্যত উপনীত হবৰ বাবে নীৰৱচ্ছিন্নভাৱে কাম কৰাটো জৰুৰী। এবাৰত সফলতা লাভ কৰিব নোৱাৰিলে এৰি দিব নালাগে, চেষ্টা চলাই যাব লাগে।"

# ৰহাৰ চাপৰমুখ পশ্চিম কচুৱা দৌল মন্দিৰত ২মাৰ্চৰ পৰা আৰম্ভ ৮০তম্ শ্ৰীশ্ৰী দৌল গোবিন্দ উৎসৱ

**অসম বাৰ্তা, ৰহা, ২২ ফেব্ৰুৱাৰী ঃ** সমাগত ৰঙৰ উৎসৱ ফাকুৱা, সমগ্ৰ ৰাজ্যৰ লগতে বৃহত্তৰ ৰহাৰ বিভিন্ন প্ৰান্তত প্ৰস্তুতি চলাই থকাৰ সমান্তৰালকৈ ৰহাৰ চাপৰমুখ পশ্চিম কচুৱা স্থিত শ্ৰীশ্ৰী দৌল গোবিন্দ মন্দিৰত অহা ২মাৰ্চৰ পৰা তিনি দিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে ৮০তম শ্ৰীশ্ৰী দৌল গোবিন্দ উৎসৱ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। নামঘৰ আৰু দৌল মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি শৰৎ বৰা, উপ সভাপতি মলিন বৰা, দৌল উৎসৱ পৰিচালনা সমিতিৰ সভাপতি প্ৰমোদ বৰা, সম্পাদক ফুনু শৰ্মা, সহ সম্পাদক ইন্দ্ৰ বৰা, ৰিতু দত্তই জানিব দিয়া অনুসৰি ২ মাৰ্চত পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু নাম প্ৰসংগৰে দৌল উৎসৱৰ শুভাৰম্ভ কৰাৰ লগতে দ্বিতীয় দিন ৩ মাৰ্চত পুৱা ৬ বজাত উষা কীৰ্তন, ৭ বজাত জলযাত্ৰা, ৯ বজাত মূল পূজা আৰম্ভ আৰু দুপৰীয়া ১২বজাত মহাপ্ৰভু দৌল গোবিন্দ ৰ শিৰত ফল্গু আৰু পুষ্পাঞ্জলী প্ৰদান কৰা হ'ব। ১.৩০বজাত হোমযজ্ঞ আৰম্ভ, পূৰ্নাহুতি আশংসা শান্তি নিৰ্মালী প্ৰদান, প্ৰসাদ বিতৰন, সন্ধ্যা ৬ বজাৰ পৰা নিমন্ত্ৰিত নামতি দলৰ দ্বাৰা নাম প্ৰসংগ, ৭বজাত আৰতি আৰু নিশা ৮ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। দৌল উৎসৱৰ ৩য় তথা অন্তিম দিন ৪ মাৰ্চত পুৱা ৮ বজাত মহাপ্ৰভু দৌল গোবিন্দৰ বিহিত পূজা সমাপন, ৯.৩০ বজাত হোলি উৎসৱ, বিয়লী ১ বজাত মহাপ্ৰভু দৌল গোবিন্দৰ নগৰ ভ্ৰমণ আৰু নিশা ৯ বজাত দৌল উৎসৱৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব। সেয়ে সকলো ভক্তপ্ৰাণ ৰাইজৰ উপস্থিত একান্তভাৱে কামনা কৰিছে উদোক্তাবৃন্দই।

# সাৰথি ন্যাসৰ সহযোগত ৩৬ তম্ বৰ্ষৰ, ২৬৭ সংখ্যক 'মা' অনুষ্ঠানৰ সজাগতা সভা তথা সেৱা অনুষ্ঠান

**অসম বাৰ্তা, দলগাঁও, ২২ ফেব্ৰুৱাৰী ঃ** আজি অনন্য আত্মিক তথা আৱেগিক পৰিৱেশত পৃষ্ঠপোষক লক্ষ্মীমপুৰস্থিত মেচাৰ্চ জি বৰদলৈ এণ্টাৰপ্ৰাইজৰ দ্বাৰা ৩৬ সংখ্যক বৰ্ষৰ ২৬৭ সংখ্যক 'মা' অনুষ্ঠানৰ সজাগতা সভা আৰু সেৱা অনুষ্ঠান কৌপাটিস্থিত কে.জে.বি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত সম্পন্ন হয়। সমাজত নৈতিক মূল্যবোধৰ গুৰুত্ব আৰু পিতৃ-মাতৃৰ প্ৰতি থকা সন্তানৰ দায়িত্ববোধক জাগ্ৰত কৰাৰ লক্ষ্যৰে আয়োজন কৰা এই অনুষ্ঠানটোত এক বিশেষ দৃশ্য দেখা পোৱা যায়। পিতৃ-মাতৃ বন্দনাৰে প্ৰাৰম্ভিকত বৃহৎ ৰেলীৰ দ্বাৰা অনুষ্ঠানটোৰ জৰিয়তে অঞ্চলটোৰ প্ৰায় ১২০ গৰাকী পিতৃ-মাতৃক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়। সন্তানসকলে নিজৰ পিতৃ-মাতৃক সেৱা জনাই আশীৰ্বাদ গ্ৰহণ কৰাৰ দৃশ্যই উপস্থিত সকলোৰে চকু সেমেকাই তোলে। বিগত দীৰ্ঘ বছৰ ধৰি অসমৰ বিভিন্ন প্ৰান্তত এই 'মা' অনুষ্ঠানটো চলাই আহিছে। আজিৰ এই ২৬৭ সংখ্যক অনুষ্ঠানটোৰ জৰিয়তে পৰিয়ালৰ মাজত থকা সম্পৰ্কৰ মধুৰতা আৰু বয়োজ্যেষ্ঠ সকলৰ প্ৰতি থকা সন্মান ও গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। কে.জে.বি. ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ সক্ৰিয় অংশগ্ৰহণে অনুষ্ঠানটোক এক উৎসৱমুখৰ পৰিৱেশলৈ ৰূপান্তৰিত কৰে। বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, উঠি অহা প্ৰজন্মক সু-নাগৰিক হিচাপে গঢ়ি তুলিবলৈ এনেধৰণৰ সংস্কাৰমূলক অনুষ্ঠানৰ অতি প্ৰয়োজন। এই ক্ষেত্ৰত প্ৰতিষ্ঠাপক সভাপতি গোবিন বৰদলৈৰ মন্তব্যই মাতৃৰ প্ৰতি নৱ প্ৰজন্মক দায়িত্ব বুজাত সহায়ক কৰি তুলিব।




# নৱকিৰণ ক্লাৱ এণ্ড লাইব্ৰেৰীৰ উদ্যোগত সমূহীয়া ইফতাৰ

**অসম বাৰ্তা, জনীয়া, ২২ ফেব্ৰুৱাৰী ঃ** কালি নৱকিৰণ ক্লাৱ এণ্ড লাইব্ৰেৰীৰ উদদ্যোগত সমূহীয়া ইফতাৰ মেহফিলৰ আয়োজন কৰা হয়। নৱগঠিত মন্দিয়া সমষ্টিৰ অন্তৰ্গত বানিয়াৰাপাৰাস্থিত আগশাৰীৰ বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন নৱকিৰণ ক্লাৱ এণ্ড লাইব্ৰেৰীৰ উদ্দ্যোগত প্ৰতিবছৰৰ দৰে এইবেলিও সমূহীয়া ইফতাৰ মেহফিল অনুষ্ঠিত হয়। উক্ত ইফতাৰ মেহফিলত কেইবা শতাধিক ৰোজাদাৰ ব্যক্তিয়ে একেলগে ইফতাৰ কৰি বিশ্ব শান্তিৰ বাবে দোৱা প্ৰাৰ্থনা কৰে। সমগ্ৰ বিশ্বতেই ইছলাম ধৰ্মাৱলম্বী লোকসকলে পালন কৰি আছে এই পৱিত্ৰ ৰমজান মাহ। ধৈৰ্য, ত্যাগ, সহানুভূতি আৰু চৰিত্ৰ গঠনৰ পৱিত্ৰ মাহ হিচাপে বিবেচিত হৈ আহিছে এই ৰমজান মাহ। উল্লেখযোগ্য যে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ গ্ৰন্থ হাদিছত উল্লেখ আছে এজন ৰোজাদাৰ ব্যক্তিক ইফটাৰ কৰাব পাৰিলে ইফতাৰকাৰীয়ে সমপৰিমাণৰ পুণ্য পায়। সেই উদ্দেশ্যে সমাজৰ শেষৰজন ব্যক্তিক লগত লৈ নৱকিৰণ ক্লাৱ এণ্ড লাইব্ৰেৰীৰ উদদ্যোগত শণিবাৰে জাক জমকেৰে সকলোৰে মিলাপ্ৰিতীৰে ইফতাৰ কৰি এসাঁজ খোৱাৰ ব্যৱস্থা কৰে। জন্মলগ্নৰে পৰা নৱ কিৰণ ক্লাব এণ্ড লাইব্ৰেৰীৰ সদস্য সকলে ৰক্ত দান, বিপদৰ সময়ত আৰ্তজনৰ কাষত থিয় দিয়া আদি কৰি বিভিন্ন সমাজহিতৈষী কাম কাজৰ লগত জড়িত হৈ ইতিমধ্যে প্ৰশংসা বুটলি আনিবলৈ সক্ষম হৈছে। সমান্তৰালভাৱে প্ৰতি বছৰ দৰে এইবেলিও নৱ কিৰণ ক্লাব এণ্ড লাইব্ৰেৰীৰ উদ্যোগত সমূহীয়া ইফতাৰ মেহফিলৰ আয়োজন কৰা হয়। য'ত কেইবা শতাধিক ৰোজাদাৰ ব্যক্তিয়ে সমূহীয়া ইফতাৰ মেহফিলত অংশগ্ৰহণ কৰে। নৱ কিৰণ ক্লাব এণ্ড লাইব্ৰেৰীৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰিছে সৰ্বসাধাৰণ ৰাইজে।

# ২৭নং কমাৰগাঁও প্ৰাথমিক বিদ্যালয়ৰ বাৰ্ষিক বঁটা বিতৰণী সভা সম্পন্ন

**অসম বাৰ্তা, বনগাঁও, ২২ ফেব্ৰুৱাৰী ঃ** ১৮৮৫ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠিত মাজুলী শিক্ষাখণ্ডৰ অন্তৰ্গত ২৭ নং কমাৰগাঁও প্ৰাথমিক বিদ্যালয় জিলাখনৰ এখনি অন্যতম প্ৰাথমিক শিক্ষানুষ্ঠান। বিদ্যালয়খনৰ ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক খেল, সাহিত্য আৰু সংগীত প্ৰতিযোগিতাৰ বটাঁ বিতৰণি সভাখনি ২০ ফেব্ৰুৱাৰীত দিনযোৰা এক কাৰ্যসূচীৰে সম্পন্ন হয়। সেই উদ্দেশ্যে আয়োজিত মুকলি সভাত বিশিষ্ট সমাজকৰ্মী অৱসৰপ্ৰাপ্ত শিক্ষক বলো ৰাম কলিতাই সভাপতিত্ব কৰে। শিশু বন্ধু অৱসৰপ্ৰাপ্ত শিক্ষক ইন্দ্ৰেশ্বৰ ৰাজখুৱাই প্ৰদান কৰা এক তত্বপূৰ্ণ ভাষণৰে সভা শুভ উদ্বোধন হয়। শিক্ষাসুচীৰ সমান্তৰালকৈ বাৰ্ষিক খেল সপ্তাহৰ প্ৰয়োজনীয়তা বিষয়বস্তুক সামৰি মাজুলী শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি বসন্ত বৰাই নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে। খণ্ড সমল ব্যক্তি অৰিন্দম শইকীয়া, মণ্ডল সমন্বয়ক ধৰ্মেন পেগু, সমন্বয়ক ৰমেন বৰুৱা, পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ৰবি ৰাম কলিতা, নৃপেন কলিতা, উপদেষ্টা ভোলা কলিতা, অতুল কলিতা, গিৰিধৰ ৰাজখোৱা, ৰাৱনাপাৰ আঞ্চলিক মইনা পাৰিজাতৰ সভাপতি তিলক ৰাজখোৱা, ৰমাকান্ত দেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মুনিন্দ্ৰ শইকীয়া আদি কৰি কেইবাগৰাকী গণ্য-মান্য বিশিষ্ট বক্তিয়ে সভাত বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰে। সদ্য ঘোষিত অসম লোক সেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতাৰ ২০২৪ অৰ পৰীক্ষাত অসম বিত্তীয় বিভাগত নৱম স্থান দখলৰে উত্তীৰ্ণ হোৱা গাঁওখনৰ মেধাৱী ছাত্ৰ সৰ্ব্বজ্যোতি কলিতাক সভাত প্ৰধানশিক্ষয়িত্ৰী ৰাজু বৰা ৰাজখুৱাই এখনি মানপত্ৰ আৰু অংগবস্ত্ৰৰে সম্বৰ্ধনা জনায়। বাৰ্ষিক খেল সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক দাতা সদস্য গায়নগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক অতুল কলিতাই আগবঢ়োৱা পুৰস্কাৰ যেনে - একোখনিকৈ মান পত্ৰ, বহী কলম পেন্সিলৰে পুৰস্কৃত কৰা হয়। ইয়াৰোপৰি বিদ্যালয়ৰ পাচঁ গৰাকী অমায়িক মেধাৱী ছাত্ৰক মইনা পাৰিজাতৰ সভাপতি তিলক ৰাজখুৱাই পাঠৰ সজুলীয়ে পুৰস্কৃত কৰে। প্ৰাক্তন ছাত্ৰ মৃণাল বৰুৱাই আঁতধৰা সভাত পৰিচালনা সমিতিৰ সভাপতি দিলীপ শইকীয়াই। সভাত ছাত্ৰ-ছাত্ৰী সকলে পৰিৱেশন সাংস্কৃতিক কাৰ্যসূচীয়ে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষাগত মানদণ্ড উন্নত হ'ব নে?

# শিক্ষক এজন, ছাত্ৰ-ছাত্ৰী ৭৪ জন




**অসম বাৰ্তা, সৰুপথাৰ, ২২ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰ সমজিলাৰ দক্ষিণ গোলাঘাট শিক্ষা উন্নয়ন খণ্ডৰ অন্তৰ্গত নাওজান ২নং কৈৱী গাঁৱৰ শ্ৰীশ্ৰী শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ত ৭৪জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজনেই শিক্ষক। ছাত্ৰ-ছাত্ৰীক পাঠদানৰ উপৰিও বিদ্যালয়খনৰ কাৰ্যালয়ৰ কাম-কাজো কৰিবলগীয়া হয় এজন শিক্ষককেই। সৰুপথাৰত শিক্ষাখণ্ডৰ পয়ালগা অৱস্থা। শিক্ষক নিযুক্তিৰ বাবে বহু আবেদন-নিবেদনৰ পিছতো বিভাগীয় কৰ্তৃপক্ষই গুৰুত্ব নিদিয়াৰ অভিযোগ স্থানীয় ৰাইজৰ। যাৰ ফলত এগৰাকী শিক্ষককেই পাঠদান কৰিবলগীয়া হৈছে ৭৪ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীক। দক্ষিণ গোলাঘাট শিক্ষা উন্নয়ন খণ্ডৰ অন্তৰ্গত নাওজান ২ নং কৈৱী গাঁৱৰ শ্ৰীশ্ৰী শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ত এজনীয়া শিক্ষকৰ দ্বাৰাই পৰিচালিত হৈছে বিদ্যালয়খন। একেটা কোঠাতে চাৰি-পাঁচটাকৈ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে আওৰাইছে গণিত, কবিতা আৰু অন্যান্য পাঠ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰনোজ পেগুলৈ অনুৰোধ বিদ্যালয়খন ধ্বংস হোৱাৰ আগতেই শিক্ষক নিযুক্তি দিয়ক। বিদ্যালয়খনৰ শিক্ষকজনে জনোৱা অনুসৰি বিদ্যালয়খন যিহেতু তিনিটা ভাগৰ ভাগ হৈ আছে এইটো মূল সমস্যা। এটা শ্ৰেণীত পাঠদান কৰিলে আনটো শ্ৰেণীৰ ক্ষতি হয়। কাৰ্যালয়ৰ কাম-কাজসমূহ বিদ্যালয় ছুটিৰ পিছত কৰিবলগীয়া হয়। বিভাগক বিষয়টো জনাই থোৱা আছে। তেওঁলোকে নিযুক্তি দিম বুলি কৈছে। বিদ্যালয়খনত ৭৪জন ছাত্ৰ-ছাত্ৰী আছে। বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰীয়ে কয়, "শ্ৰীশ্ৰী শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ত এজন শিক্ষকে পাঠদান কৰাত যথেষ্ট অসুবিধা হয়। ওচৰৰে বাইদেউ এগৰাকীয়ে সহযোগিতা আগবঢ়াইছে বিদ্যালয়খনত। এজন শিক্ষকে পাঠদান কৰাত ছাত্ৰ-ছাত্ৰীসকলে সম্পূৰ্ণ শিক্ষা লাভ কৰিব নোৱাৰিব। বিদ্যালয়খনত শিক্ষক নিযুক্তি দিলে আমি নথৈ আনন্দিত হম। এটা শ্ৰেণীত পাঠদান কৰিলে আনটো শ্ৰেণীত চিএঞৰ-বাখৰ হয়। গোটেই কেইটা শ্ৰেণীতেই একেলগে পাঠদান কৰোঁতে ছাৰৰ যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। সময়ো নষ্ট হয়।"

# গহপুৰত বাটৰ কেনভাচ্ অসম আৰু এম ডি আৰ্ট স্কুলৰ ৰূপালী জয়ন্তী সমাৰোহৰ আয়োজন

**অসম বাৰ্তা, গহপুৰ, ২২ ফেব্ৰুৱাৰী ঃ** বাটৰ কেনভাচ্ অসম আৰু এম ডি আৰ্ট স্কুলৰ ৰূপালী জয়ন্তী সমাৰোহ অহা ১৫, ১৬ আৰু ১৭ মাৰ্চত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজন কৰা হৈছে। গহপুৰ নগৰৰ চতিয়াচুকত আয়োজন কৰা এই সমাৰোহৰ সফল ৰূপায়ণৰ বাবে ইতিমধ্যে ১৫খন শক্তিশালী উপ-সমিতি গঠন কৰা হৈছে। এইক্ষেত্ৰত বাটৰ কেনভাচ্ অসমৰ সভাপতি শান্তি ৰাজখোৱা, এম.ডি আৰ্ট স্কুলৰ সভাপতি ড° দুলেন বৰা আৰু বাটৰ কেনভাচ্ অসমৰ মুখ্য সম্পাদক দ্বীপন দিহিঙীয়াই কয় যে ১৫ মাৰ্চৰ বিয়লি ৪ বজাত আমন্ত্ৰিত চিত্ৰশিল্পীৰ আদৰণি অনুষ্ঠানৰ পিছতে নাম পঞ্জীয়ন, শিৱিৰ উন্মোচন আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। শিৱিৰ উন্মোচন কৰিব বিশিষ্ট শিক্ষাবিদ জগদীশ শৰ্মাই। ১৬ মাৰ্চৰ পুৱা ৮ বজাত পতাকা উত্তোলন কৰিব বাটৰ কেনভাচ্ অসমৰ সভাপতি শান্তি ৰাজখোৱা আৰু এম ডি আৰ্ট স্কুলৰ সভাপতি ড° দুলেন বৰাই। ইয়াৰ পিছত বৃক্ষৰোপণ কৰিব সমাজৰত্ন গোপাল শইকীয়াই। ৮-৩০ বজাত শ্ৰদ্ধাঞ্জলি আৰু সতীৰ্থ স্মৰণ অনুষ্ঠান। ১০ বজাত চিত্ৰ আৰু ভাস্কৰ্য প্ৰদৰ্শনী দ্বাৰ মুকলি কৰিব হেলেম ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নমিতা বৰাই। ১১ বজাৰ পৰা আৰম্ভ হ'ব চিত্ৰ কৰ্মশালা। ১২-৩০ বজাত গ্ৰন্থ উন্মোচন কৰিব ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অঞ্জন কুমাৰ ওজাই। দিনৰ ১ বজাৰ পৰা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যাপক ড° ভাস্কৰ জ্যোতি গগৈৰ সঞ্চালনাত অনুষ্ঠিত হ'ব কবি সন্মিলন। বিয়লি ৫ বজাত বন্তি প্ৰজ্বলন কৰিব প্ৰবীণ সাংবাদিক নগেন কোঁৱৰে। ইয়াৰ পিছতে মঞ্চ উন্মোচন কৰিব নাট্যকাৰ তৰুণ বৰুৱাই। ৫-৩০ বজাত স্বেচ্ছাসেৱী সংগঠন চাওচেঙৰ দ্বাৰা পৰিৱেশন হ'ব বাটৰ কেনভাচ্ অসমৰ শীৰ্ষ গীত। সন্ধিয়া ৬ বজাত নাট্যকাৰ দয়াল দাসৰ পৰিচালনাত অনুষ্ঠিত হ'ব শিশু-নাট প্ৰদৰ্শন। ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব সাংস্কৃতিক সন্ধ্যাৰ বৰ্ণাঢ্য কাৰ্য্যসূচী। সমাৰোহৰ অন্তিম দিনা অৰ্থাৎ ১৭ মাৰ্চৰ পুৱা ৮ বজাত আৰম্ভ হ'ব চিত্ৰ কৰ্মশালা। ৯ বজাৰ পৰা অনুষ্ঠিত হ'ব মুখা তৈয়াৰ কৰাৰ প্ৰতিযোগিতা। ১০-৩০ বজাৰ পৰা পদাৰ্থ বিজ্ঞান বিষয়ৰ শিক্ষক নৱদীপ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হ'ব বিশিষ্ট চিত্ৰশিল্পী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত বাৰ্তালাপ অনুষ্ঠান। দিনৰ ১২-৩০ বজাৰ পৰা "আৰ্ট স্কুল আৰু সমাজৰ প্ৰযোজনীয়তা" শীৰ্ষক বিষয়ৰ ওপৰত অনুষ্ঠিত হ'ব বক্তৃতা প্ৰদান অনুষ্ঠান। এই অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব আন্তঃৰাষ্ট্ৰীয় মানৱাধিকাৰ তথা সমাজকৰ্মী, যুক্তিবাদী, চিন্তাবিদ আৰু প্ৰেৰণাত্মক বক্তা ড° দিব্যজ্যোতি শইকীয়াই। বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হ'ব গহপুৰৰ ২৫ গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা অনুষ্ঠান। বিয়লি ৫ বজাৰ পৰা অনুষ্ঠিত হ'ব আমন্ত্ৰিত চিত্ৰশিল্পীক সম্বৰ্ধনা আৰু মানপত্ৰ প্ৰদান অনুষ্ঠান। ৫-৩০ বজাত গহপুৰ পৌৰসভাৰ পৌৰপতি অতুল বৰাই বন্তি প্ৰজ্বলন কৰাৰ পিছত মঞ্চ মুকলি কৰিব ছয়দুৱাৰ মহাবিদ্যালয়(স্বায়ত্ত্বশাসিত)ৰ অধ্যক্ষ ড° কিশোৰ সিং ৰাজপুতে। উক্ত মঞ্চত এম ডি আৰ্ট স্কুলৰ শীৰ্ষ গীত পৰিৱেশন কৰিব বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে। সন্ধিয়া ৬-২০ বজাৰ পৰা অভিনেতা তিলক দিহিঙীয়াৰ পৰিচালনাত অনুষ্ঠিত হ'ব শিশু-নাট প্ৰদৰ্শনী অনুষ্ঠান। সন্ধিয়া ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব সাংস্কৃতিক সন্ধিয়াৰ বৰ্ণাঢ্য কাৰ্য্যসূচী। আয়োজক মণ্ডলীয়ে উক্ত তিনিওদিনৰ কাৰ্য্যসূচীতে গহপুৰৰ ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰি প্ৰতিটো অনুষ্ঠান সাফল্যমণ্ডিত কৰি তুলিবলৈ আহ্বান জনাইছে।

# বিহালী স্নাতক মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহ বঁটা বিতৰণী অনুষ্ঠান

**অসম বাৰ্তা, জিনজিয়া, ২২ ফেব্ৰুৱাৰী ঃ** বিহালী সমষ্টিৰ এখন অন্যতম উচ্চশিক্ষাৰ অনুষ্ঠান বিহালী স্নাতক মহাবিদ্যালয়ৰ মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভাখন আজি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ প্ৰবক্তা টুনটুন বৰাই আঁতধৰা সভাত সভাপতিত্ব কৰে মহাবিদ্যালয় খনৰ অধ্যক্ষ ৰমেন বৰাই। এই বঁটা বিতৰণী অনুষ্ঠান বিশিষ্ট গীতিকাৰ, শিক্ষক তথা "গীতি সিন্ধু" উপাধি পৰিচিত ধ্ৰুৱজ্যোতি ৰাজখোৱা আৰু ভ্ৰাম্যমাণ নাট্য জগতত অভিনেত্ৰী অংকীতা শইকীয়া বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বিগত বৰ্ষৰ সমূহ দৰে মহাবিদ্যালয় বিভিন্ন বিভাগে নিজৰ নিজৰ বিভাগৰ " প্ৰাচীন প্ৰতীকা" প্ৰস্তুত কৰে আৰু মহাবিদ্যালয়খনে ব্যক্তিগত ভাৱে "আমাৰ প্ৰকাশ" উন্মোচন কৰে ধ্ৰুৱজ্যোতি ৰাজখুৱায়। আজিৰ বঁটা বিতৰণী সভাত খেল প্ৰতিযোগিতাত, তৰ্ক প্ৰতিযোগিতা লগতে আন আন বিষয় সমূহত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলক পুৰস্কাৰ প্ৰদান কৰা হয়। এই অনুষ্ঠান মহাবিদ্যালয় কেইবাগৰাকীও অধ্যাপিকাই নৃত্য পৰিৱেশন কৰাৰ লগতে ছাত্ৰী সকলে নৃত্য পৰিৱেশন কৰে। আজিৰ এইবঁটা বিতৰণী অনুষ্ঠান মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, লগতে অধ্যাপক-অধ্যাপিকা সকলৰ লগতে মহাবিদ্যালয়খনৰ কৰ্মৰত সকলো উপস্থিত থাকে।

■ মাতৃভাষা কেৱল শব্দ নহয়, ই হৈছে আত্মাৰ সুৰ ঃ অনুপ মুণ্ডু ■

# শোণিতপুৰৰ ঢেকিয়াজুলিত 'আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস' উদ্‌যাপন



**অসম বাৰ্তা, লীলাবাৰী, ২২ ফেব্ৰুৱাৰী ঃ** পূৰ পাকিস্তানত (বৰ্তমান বাংলাদেশ) গঢ় লৈ উঠা ভাষা আন্দোলনৰ বিশ্বজনীন স্বীকৃতি স্বৰূপে সমগ্ৰ পৃথিৱীত উদ্‌যাপন হয় আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস। ভাষিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু বহুভাষাবাদৰ প্ৰচাৰৰ অংশস্বৰূপ 'আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস' উপলক্ষে আদিবাসী জনগোষ্ঠীৰ মুণ্ডা জনজাতিৰ মুণ্ডাৰী ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিৰ চপাই চাহ বাগিচাৰ বজাৰ লাইনত 'এংগা-জাগাৰ' শীৰ্ষক এক বিশেষ কাৰ্য্যসূচী শনিবাৰে অনুষ্ঠিত হয়। বেচৰকাৰী সংস্থা 'পাঝৰা'ৰ উদ্যোগত আৰু চপাই চাহ বাগিচাৰ ডাইমণ্ড য়ুথ ক্লাবৰ সহযোগিতাত তথা 'পাঝৰা'ৰ সমন্বয়ক আলফন্স কুজুৰৰ নেতৃত্বত অনুষ্ঠিত মাতৃভাষা সম্পৰ্কীয় অনুষ্ঠানটিত ভণ্টি চুৰিণ আৰু জনাথন বাৰ্ল্লাই আঁত ধৰে। সদৌ মুণ্ডা ছাত্ৰ সংস্থা, অসম চমুকৈ 'আমছা'ৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক অনুপ মুণ্ডুৱে অনুষ্ঠানটিত মুখ্য বক্তা ৰূপে অংশগ্ৰহণ কৰি ১৯৫২ বৰ্ষৰ ২১ ফেব্ৰুৱাৰীত পূৰ পাকিস্তানৰ ঢাকা চহৰত বাংলা ভাষাক ৰাষ্ট্ৰভাষা হিচাপে স্বীকৃতি দিয়াৰ দাবীত বাংলা ছাত্ৰ-ছাত্ৰীসকলে চলোৱা আন্দোলন সন্দৰ্ভত উল্লেখ কৰে। ১৯৯৯ বৰ্ষৰ ১৭ নৱেম্বৰত 'ইউনেস্কো'ই ২১ ফেব্ৰুৱাৰী দিনটোক আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস হিচাপে ঘোষণা কৰাৰ লগতে ২০০০ বৰ্ষৰ পৰা বিশ্বজুৰি উদ্‌যাপন কৰা হয় বুলি তেখেতে ভাষণত উল্লেখ কৰে। তেওঁ কয়, মাতৃভাষা কেৱল শব্দ নহয়, ই হৈছে আত্মাৰ সুৰ। তেখেতে মুণ্ডাৰী ভাষা বিলুপ্তপ্ৰায় হোৱাৰ কাৰণ হিচাপে- ঘৰত মাতৃভাষাৰ সলনি অন্য ভাষাৰ অধিক ব্যৱহাৰ, বিদ্যালয়ত মুণ্ডাৰী ভাষাৰ পাঠদানৰ অভাৱ, নগৰীকৰণ, নিজৰ ভাষা কোৱাৰ ক্ষেত্ৰত সংকোচ, লিখিত মুণ্ডাৰী সাহিত্যৰ অভাৱ, ছ'চিয়েল মিডিয়া তথা ইলেক্ট্ৰনিক মাধ্যমত অন্য ভাষাৰ আধিপত্য হোৱা বুলি উল্লেখ কৰি ঘৰতে মাতৃভাষাৰ ব্যৱহাৰ বৃদ্ধি কৰা, বিদ্যালয়ত মুণ্ডাৰী ভাষা অন্তৰ্ভুক্ত কৰাৰ চেষ্টা, ডিজিটেল মাধ্যমত মুণ্ডাৰী গীত, কবিতা, ভিডিঅ' প্ৰকাশ, মুণ্ডাৰী লোক-সংস্কৃতি সংৰক্ষণ আৰু লিখিত ৰূপ প্ৰদান, দেৱনাগৰী, ৰোমান বা 'মুণ্ডাৰী বাণী' লিপিত শুদ্ধকৈ লিখাৰ অভ্যাস গঢ়ি তোলাৰ আহ্বান জনায়। তেখেতে বীৰ বিৰছা মুণ্ডা আৰু জয়পাল সিং মুণ্ডাৰ উদাহৰণ দি কয়, মুণ্ডা জনজাতিৰ মহান বীৰসকলে নিজৰ পৰিচয় আৰু অধিকাৰৰ বাবে সংগ্ৰাম কৰিছিল, সাংবিধানিক সুৰক্ষা কৱচ দিছিল। নিজৰ শিপাক সন্মান নকৰিলে আগবাঢ়িব নোৱাৰি। ভাষা সংৰক্ষণো এক সংগ্ৰাম। মুণ্ডাৰী সাহিত্য সভা শোণিতপুৰ জিলা সমিতিৰ উপ-সভাপতি গ্ৰেটপ'ল গুড়িয়াই অনুষ্ঠানটিত অতিথিৰূপে অংশগ্ৰহণ কৰি মুণ্ডা জনজাতিয়ে দিনক দিনে নিজৰ মাতৃভাষা পাহৰি যোৱাটো জনজাতিটোৰ বাবে শুভ লক্ষণ নহয় বুলি উল্লেখ কৰে। অনুষ্ঠানটোত চামচুন বাৰ্ল্লা, ফ্ৰান্সিচ বাৰ্ল্লা আৰু নিৰন্তৰ চুৰিণে সন্মানীয় অতিথি ৰূপে অংশগ্ৰহণ কৰি মুণ্ডাৰী ভাষা আৰু মুণ্ডা সমাজৰ সৰ্বাংগীণ উন্নয়ন সন্দৰ্ভত মতামত আগবঢ়ায়। উল্লেখ্য যে, মুণ্ডাৰী গীত, কবিতা আৰু ইতিহাস পাঠে অনুষ্ঠানটি অধিক তাৎপৰ্যপূৰ্ণ কৰি তোলে। সমগ্ৰ কাৰ্যসূচীটি মুণ্ডাৰী ভাষাতেই পৰিচালনা তথা সম্পাদিত হয়। 'অসম বাৰ্তা' কাকত সংবাদদাতাক উদ্যোক্তা আলফন্স কুজুৰে কয় যে, 'পাঝৰা'ই আদিবাসী জনগোষ্ঠীৰ বিভিন্ন জাতি-জনজাতিৰ মুখৰ ভাষা সংৰক্ষণ, প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। পৰৱৰ্তী সময়ত জনগোষ্ঠীটোৰ বিভিন্ন জাতি-জনজাতিৰ মাজত অনুষ্ঠানটো লৈ যোৱাৰ ক্ষেত্ৰত প্ৰযত্ন হ'ব।"

## মাকুমত 'মন কি বাত' অনুষ্ঠানৰ লগত সংগতি ৰাখি বিশাল পদ যাত্ৰা

**অসম বাৰ্তা, মাকুম, ২২ ফেব্ৰুৱাৰী ঃ** সমাগত বিধান সভা নিৰ্বাচন, ৰাজ্যৰ প্ৰতিখন পঞ্চায়ত বা প্ৰতিখন পৌৰ সভাৰ অন্তৰ্গত ৱাৰ্ড সমূহত বিজেপি দলৰ ভেঁটি অধিক মজবুত কৰিবলৈ তৎপৰ হৈছে ৱাৰ্ড সদস্য বা ৱাৰ্ড আয়ুক্ত সকল। তাৰ সমান্তৰালভাৱে মাকুম সমষ্টিৰ অন্তৰ্গত মাকুম পৌৰ সভাৰ ৩ নং ৱাৰ্ডত প্ৰধান মন্ত্ৰী মন কি বাতৰ লগত সংগতি ৰাখি ৱাৰ্ড আয়ুক্ত আৰ্জিনা চেতিয়াৰ নেতৃত্বত আৰু বুথ সভাপতি জীতেন্দ্ৰ বৰাইক, বুথ সভানেত্ৰী ৰীমা দত্তৰ সহযোগিতাত বিজেপি চৰকাৰৰ জয় ধ্বনি শ্লোগানেৰে ৩ নং ৱাৰ্ডটোৰ বিভিন্ন ঠাইৰ পৰা মাকুম চহৰৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথলৈ এক বিশাল পদ যাত্ৰা বাহিৰ কৰা হয়। উক্ত পদ যাত্ৰাত বিজেপি ৰাজ্যিক উপ-সভাপতি পুলক গোহাঁই প্ৰমুখ্যে অন্যান্য দলীয় কৰ্মী সকলে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। ২০২৬ ৰ বিধানসভা নিৰ্বাচনত মাকুম বিধানসভা সমষ্টিটোত চাৰিওফালে পদুম ফুল ফুলাম বুলি ৱাৰ্ড আয়ুক্ত আৰ্জিনা চেতিয়াই সংকল্প লয়।

## অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ দুই কৃতিমানক অসম চাহ কৰ্মচাৰী সংঘ, গোলাঘাট শাখাৰ বিশেষ সম্বৰ্ধনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২২ ফেব্ৰুৱাৰী ঃ** অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত অসমৰ বিভিন্ন প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীৰ লগতে গোলাঘাট জিলাৰ চাহ বাগিচাত নিয়োজিত দুগৰাকীকৈ চাহ কৰ্মচাৰীৰ সন্তানে নিজৰ দক্ষতাৰে উজ্জ্বলি উঠিবলৈ সক্ষম হয়। এই খবৰে স্বাভাৱিকতে চাহ কৰ্মচাৰী সকলক উৎসাহিত কৰিছে। চাহ কৰ্মচাৰী সকলৰ একমাত্ৰ সংগঠিত সংগঠন অসম চাহ কৰ্মচাৰী সংঘ, গোলাঘাট শাখাৰ সম্পাদক প্ৰদীপ বৰকটকীৰ নেতৃত্বত সংঘৰ উপ-সভাপতি জিতু বৰা, সহকাৰী সম্পাদক ৰঞ্জন সন্দিকৈ, কোষাধ্যক্ষ ৰিণ্টু দাস, কাৰ্যনিৰ্বাহক সদস্য ৰাজু বৰা আৰু জ্যোতি বৰঠাকুৰ প্ৰমুখ্য প্ৰতিনিধি দল বৰপথাৰ অঞ্চলৰ নামবৰনদী চাহ বাগিচাৰ কৰ্মচাৰী সুনন্দ বৰাৰ বাসগৃহত উপস্থিত হৈ তেখেতৰ পুত্ৰ সুমন বৰাক এনে সাফল্যৰ বাবে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। একেদৰে জিলাখনৰ ফৰকাটিং অঞ্চলৰ মত্ৰুং চাহ বাগিচা আৰু ঘিলাধাৰী চাহ বাগিচাৰ প্ৰাক্তন কৰ্মচাৰী মঞ্জু বৰবৰুৱাৰ গৃহত উপস্থিত হৈ তেখেতৰ সুযোগ্যা কন্যা উপাসনা বৰবৰুৱাকো অভিনন্দন জনায়। নৱ-প্ৰজন্মই চাব বিচৰা আধুনিক বিকশিত অসমখন নিৰ্মাণৰ সংকল্পেৰে সদায় সমাজৰ হিতৰ বাবে আগবাঢ়ি যাবলৈ দুয়োকে গোলাঘাট শাখা সংঘৰ তৰফৰ পৰা একোখনকৈ ফুলাম গামোচা আৰু এটি শুভেচ্ছামূলক বাৰ্তা সম্বলিত স্মাৰকেৰে উষ্ম সম্ভাষণ আৰু শুভকামনা জ্ঞাপন কৰা হয়।

প্ৰাক্তন বিধায়ক ভূপেন ৰায়ৰ প্ৰাৰ্থীত্বৰ দাবীৰে পোন্ধৰ সহস্ৰাধিক দলীয় কৰ্মীৰ সংকল্প সমাৰোহ

## অভয়াপুৰী গান্ধী ময়দানত অগপৰ বিশাল সংকল্প সমাৰোহ

**অসম বাৰ্তা, অভয়াপুৰী, ২২ ফেব্ৰুৱাৰী ঃ** "৮৬০জন শ্বহীদৰ আত্মত্যাগৰ বিনিময়ত সম্পূৰ্ণ আঞ্চলিকতাবাদৰ ওপৰত ভিত্তি কৰি গঠন হোৱা অগপ দলটো জন্মলগ্নৰে পৰা অভয়াপুৰী সমষ্টিটো অগপৰ শক্তিশালী দুৰ্গ ৰূপে পৰিচিত নৱগঠিত অভয়াপুৰী বিধানসভা সমষ্টিটোত এই বাৰো আঞ্চলিকতাবাদীৰ বিশ্বাসী শক্তিশালী নেতা ভূপেন ৰায়েই হ'ব অহা নিৰ্বাচনৰ মিত্ৰ দলৰ অগপৰ প্ৰাৰ্থী। সমষ্টিটোত তৃণমূল পৰ্য্যায়ত ব্যাপক সাংগঠনিক ভেটি মজবুত থকাৰ উপৰিও ভূপেন ৰায়ৰ আছে ব্যাপক গণ ভিত্তি। গতিকে নিশ্চিত ভাৱে আগন্তুক বিধান সভা নিৰ্বাচনত ভূপেন ৰায়ে দলীয় প্ৰাৰ্থী হ'লে এশ শতাংশ জয়ী হোৱাৰ সম্পূৰ্ণ থকাসমষ্টিটোত দলীয় প্ৰাৰ্থী হ'ব। ইয়াক লৈ কোনো দ্বিমত নাই। গতিকে ৰাইজ আপোনালোকে এই ক্ষেত্ৰত ব্যাপক সঁহাৰি জনাব।" আজি অভয়াপুৰী গান্ধী ময়দানত অনুষ্ঠিত হোৱা অভয়াপুৰী সমষ্টি ভিত্তিত সংকল্প সমাৰোহৰ মুকলি সভাত এই দৰে মন্তব্য কৰে অগপৰ কেন্দ্ৰীয় কমিটিৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই। সভাত আজিৰ সভাত ৰাজ্য সভাৰ সাংসদ বিৰেন্দ্ৰ কুমাৰ বৈশ্যই মন্তব্য কৰি কয় যে আঞ্চলিকতাবাদত বিশ্বাসী দলটো কোনো দিনেই আঞ্চলিকতাবাদৰ বিশ্বাসৰ পৰা ফালৰি কাটি অহা নাই বাবেই ঐতিহ্য মণ্ডিত অভয়াপুৰী সমষ্টিটোত প্ৰাক্তন বিধায়ক ভূপেন ৰায়ৰ নেতৃত্বত দলটো শক্তিশালী স্থানত আছে। যাৰ বাবে এই সমষ্টিটোত ভূপেন ৰায়ৰ বাহিৰে অন্য প্ৰাৰ্থীৰ কথা চিন্তা কৰিব নোৱাৰি। গতিকে অহা নিৰ্বাচনত এই সমষ্টিটো অগপৰ দলীয় প্ৰাৰ্থী থাকিব আৰু ভূপেন ৰায়ক নিৰ্বাচনত জয়যুক্ত কৰাৰ আহ্বান জনায়। প্ৰায় পোন্ধৰ সহস্ৰাধিক দলীয় কৰ্মী আৰু সমৰ্থকৰ উপস্থিতিত অভয়াপুৰী বিধান পৰিষদৰ সভাপতি পূৰ্ণেন্দু বনিক্যৰ সঞ্চালনাত অনুষ্ঠিত হোৱা আজিৰ এই সংকল্প সমাৰোহত কেশৱ মহন্ত আৰু বিৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ উপৰিও অগপৰ কেন্দ্ৰীয় উপ সভাপতি অপূৰ্ব কুমাৰ ভট্টাচাৰ্য্য, বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰী আদিয়েও ভাষণ প্ৰসংগত অভয়াপুৰী সমষ্টিত প্ৰাক্তন বিধায়ক ভূপেন ৰায়ক দলীয় প্ৰাৰ্থীত্ব দিয়াৰ বাবে মুকলি সমৰ্থন জনাই ৰাইজক সংকল্প পাঠ কৰায়। এই সমষ্টিটো কোনো পধ্যেই মিত্ৰ দলক এৰি নিদিয়াৰ কথাও কয়। অনাগত দিনত অভয়াপুৰী বিধানসভা সমষ্টিটোত অগপৰ শক্তিশালী দুৰ্গ হৈ থকাৰ স্বাৰ্থত ভূপেন ৰায়ক দলীয় প্ৰাৰ্থীত্ব দিলে জয়ী কৰোৱাই অনাৰ দায়িত্ব ৰাইজে ল'ব লাগিব বুলি উল্লেখ কৰে। সভাত বঙাইগাঁও সমষ্টিৰ বিধায়িকা দ্বিপ্তীময়ী চৌধুৰী, বঙাইগাঁও জিলা পৰিষদৰ সভানেত্ৰী মৃদুলা সিংহ, সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ প্ৰাথিত্ব প্ৰত্যাশি ছাহিদুল হক ভাইটি, প্ৰাক্তন বিধায়ক ভূপেন ৰায়, প্ৰশান্ত বৰুৱা, গুনিন দাস সহ দলটোৰ বহু কেইজন কেন্দ্ৰীয় নেতৃত্ব উপস্থিত থাকে। সভাৰ আৰম্ভণিতে দলীয় পতাকা উত্তোলন, শ্বহীদ বেদীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন, সতীৰ্থ স্মৰণ, ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলী নিবেদন কৰাৰ উপৰিও বিহু নৃত্য, গোৱালপৰীয়া নৃত্য, নাথ- যোগী নৃত্য আৰু আই নাম অনুষ্ঠিত কৰি অনুষ্ঠানটো জীপাল কৰি তোলে।

মাতৃভাষা কেৱল ভাৱৰ আদান প্ৰদান নহয়, ই এটা জাতিৰ স্বাভিমান, পৰিচয় ঃ ড° যোগেশ দেউৰী

## দুধনৈ জাতীয় বিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২২ ফেব্ৰুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ আহ্বানত গোৱালপাৰা জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত আৰু দুধনৈ জাতীয় বিদ্যালয়ৰ সহযোগত ২১ ফেব্ৰুৱাৰীত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচী মৰ্মে ৰাতিপুৱা বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰী চামিনা খাতুনে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। সমগ্ৰ বিশ্বত মাতৃভাষাক সংকটৰ গৰাহৰ পৰা উদ্ধাৰৰ বাবে ১৯৯৯ চনৰ পৰা আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদ্‌যাপন হৈ আহিছে। বৰ্তমান সময়ত বিশ্বৰ বহু মাতৃভাষা লুপ্ত হোৱাৰ উপৰিও সংকটৰ গৰাহত আছে। দুধনৈ জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ চাংমাইৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অনুষ্ঠানত মুখ্য অতিথি হিচাবে উপস্থিত থকা অসম গৌৰৱ ২০২৬ বৰ্ষৰ পদ্মশ্ৰী বঁটাপ্ৰাপক ড° যোগেশ দেউৰীয়ে মাতৃভাষাৰ সংকটৰ সময়ত সকলোকে নিজৰ মাতৃভাষাটোৰ প্ৰতি সজাগ সচেতন হবলৈ অনুৰোধ জনায়। তেওঁ কয় ভাষা জীয়াই থাকিলেহে জাতি জীয়াই থাকিব। তেওঁ পুনৰ কয় মাতৃভাষা কেৱল ভাৱৰ আদান-প্ৰদান নহয়। ই এটা জাতিৰ স্বাভিমান আৰু পৰিচয়। ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰী সকলে ইংৰাজী ভাষাটোক আয়ত্ত কৰাৰ উপৰিও নিজৰ নিজৰ মাতৃভাষাক সন্মান কৰিব লাগে। আনহাতে দুধনৈ লেলা হাইস্কুলৰ অৱসৰী শিক্ষয়ত্ৰী ড° মৰমী হাজৰিকা বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকি চৰ্যাপদৰ বৰ্তমান সময়লৈ কিদৰে পৰ্যায়ক্ৰমে অসমীয়া ভাষাৰ উত্তৰণ হ'ল সেই বিষয়ে বিতংভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানত সভাপতিত্ব কৰা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ চাংমাইয়ে জাতীয় বিদ্যালয় সমূহে মাতৃভাষাক সংকটৰ গৰাহৰ পৰা কৰাৰ বাবে অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আছে। জাতীয় সংগীতেৰে সামৰণি পৰা এই অনুষ্ঠানত গোৱালপাৰা জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ অন্তৰ্গত কেবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী অভিভাৱক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰী উপস্থিত থাকে।

# চাৰিঙৰ কাব্যম যোগাসন প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জাঁজী, ২২ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক চাৰিঙৰ দুৱৰা পাৰত প্ৰতিষ্ঠা লাভ কৰা কাব্যম যোগাসন প্ৰশিক্ষণ কেন্দ্ৰই আজি দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। এই উপলক্ষে পুৱা ৯ বজাত প্ৰশিক্ষক গজেন নাথে বন্তি প্ৰজ্বলন আৰু পতাকা উত্তোলন কৰে। তাৰ পাছতে বৃক্ষ ৰোপণ আৰু ছাত্ৰ ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হব লগা বিভিন্ন খেল ধেমালি প্ৰতিযোগিতাৰ উদ্বোধন কৰে হাফলুটিঙ অঞ্চলৰ বিশিষ্ট সমাজ সেৱক দিলীপ চন্দ্ৰ নাথে। আনহাতে চকী খেল, টেকেলি ভঙা প্ৰতিযোগিতাৰ লগতে ছাত্ৰ ছাত্ৰীসকলে যোগাসন প্ৰদৰ্শন কৰে। সমান্তৰালভাৱে ছাত্ৰ ছাত্ৰীসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক দিশত সহায়ক হব পৰাকৈ বক্তব্য আগবঢ়াই সমল ব্যক্তি কবি, সাহিত্যিক তথা হাফলুটিঙ হাইস্কুলৰ সহকাৰী শিক্ষক শ্ৰীমন্ত দত্ত, ৮৯৫ নং ন আলি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অলকা কাকতি, ND24ৰ আমগুৰি সংবাদদাতা ৰূপম বৰবৰা, সাংবাদিক ৰাকিল আহমেদ, সাংবাদিক আব্দুৰ ৰহিমে। "কাব্যম যোগাসন প্ৰশিক্ষণ কেন্দ্ৰ"ৰ পৰিচালক মানস প্ৰতিম বৰুৱাই আঁত ধৰা এই অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰী সকলক দ্বিতীয় বৰ্ষৰ প্ৰশংসা পত্ৰ আৰু প্ৰতিযোগিতাৰ বিভিন্ন শিতানৰ পুৰস্কাৰ সমূহ প্ৰদান কৰা হয়। অনুষ্ঠানভাগিৰ ইতিবাচক দিশ আছিল ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱিকা সকলে টেকেলি ভঙা আৰু চকী খেলত অংশগ্ৰহণ কৰাটো।

# তামোলীবজাৰ চাংমাই গাঁৱৰ বৰনামঘৰৰ শতবৰ্ষ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**অসম বাতা, দিচাংমুখ, ২২ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ তামোলীবজাৰ চাংমাই গাঁৱৰ ন-পাম সমাজৰ উদ্যোগত আৰু নামচাং তথা মেৰবিল নামঘৰ সমাজৰ ৰাইজৰ সহযোগত বৰনামঘৰৰ এশ বছৰ অতিক্ৰম কৰা উপলক্ষে অহা ২৪ ফেব্ৰুৱাৰীৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শতবৰ্ষ উদযাপনৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অবিৰত শ্ৰীমদ্ভাগৱত পাঠ আৰু ভাওনা প্ৰদৰ্শনৰো দিহা কৰা হৈছে। কাৰ্যসূচী অনুসৰি অহা ২৪ ফেব্ৰুৱাৰী (১১ ফাগুন) মঙলবাৰে পুৱা বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন আৰু ভাগৱত ভ্ৰমণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। ধৰ্মধ্বজা উত্তোলন কৰিব নামঘৰ পৰিচালনা সমিতিৰ সভাপতি জীৱন চাংমাইয়ে। ২৫ ফেব্ৰুৱাৰী বুধবাৰে পুৱা শতবৰ্ষীয় পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি সুৰেন্দ্ৰ নাথ চাংমায়ে। সিদিনা পুৱা স্মৃতি তৰ্পণ, বৰগীত পৰিৱেশন আৰু শতবৰ্ষৰ মূল বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হ'ব। দুপৰীয়া ১ বজাত সত্ৰীয়া নৃত্য প্ৰদৰ্শনৰ পাছত নিৰ্দিষ্ট বক্তাৰ ভাষণ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ উপস্থিত থাকিব। নিশা ৭ বজাত বিধায়ক সুশান্ত বৰগোহাঁইৰ দ্বাৰা ভাওনা মঞ্চ উদ্বোধন কৰা হ'ব আৰু স্থানীয় শিশু শিল্পীসকলে 'ধ্ৰুৱ চৰিত্ৰ' ভাওনা প্ৰদৰ্শন কৰিব। ২৬ আৰু ২৭ ফেব্ৰুৱাৰী তাৰিখেও অবিৰত ভাগৱত পাঠৰ লগতে বিভিন্ন ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হ'ব। ২৮ ফেব্ৰুৱাৰী শনিবাৰে ভাগৱত সামৰণি, কীৰ্তন পাঠ আৰু দিহানাম পৰিৱেশনেৰে পাঁচদিনীয়া কাৰ্যসূচীৰ সমাপ্তি ঘটিব। উদযাপন সমিতিৰ সভাপতি সুৰেন্দ্ৰ নাথ চাংমাই, কাৰ্যকৰী সভাপতিদ্বয় পদ্ম বৰুৱা ও তৰুণ গগৈ আৰু যুটীয়া সম্পাদক যদুমণি গগৈ ও কেশৱ চাংমায়ে উক্ত পবিত্ৰ অনুষ্ঠানত ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

## বাৰ্লিনত ৰীমা দাসৰ 'নট এ হিৰো'লৈ শ্ৰেষ্ঠ বঁটা



**অসম বাৰ্তা, ছয়গাঁও, ২২ ফেব্ৰুৱাৰী ঃ** বাৰ্লিন আন্তঃৰাষ্ট্ৰীয় কথাছবি মহোৎসৱত ৰীমা দাসৰ শেহতীয়া নট এ হিৰো কথাছবিখনে শিশু শাখাত শ্ৰেষ্ঠ বঁটা প্ৰাপ্তিৰে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। ১৪ ফেব্ৰুৱাৰীত বিশ্বৰ সন্মানীয় কথাছবি মহোৎসৱখনত প্ৰথম প্ৰদৰ্শিত ৰীমা দাসৰ কথাছবিখনে জেনেৰেচন কে প্লাছ চিলড্ৰেন জুৰীৰ শ্ৰেষ্ঠ বঁটা লাভ কৰিবলৈ সক্ষম হয়। মহোৎসৱত উক্ত দিনা ৱৰ্ল্ড প্ৰিমিয়াৰৰ পাছত নট এ হিৰো কথাছবিখনে বাৰ্লিনৰ কেবাটাও প্ৰেক্ষাগৃহত পূৰ্ণ দৰ্শকৰ সঁহাৰিৰে ইতিমধ্যে উৎসাহজনক চৰ্চা লাভ কৰিছে। অহা ৬ মাৰ্চৰ পৰা ইতিমধ্যে আন্তঃৰাষ্ট্ৰীয় কেবাখনো মহোৎসৱত উল্লেখনীয় প্ৰদৰ্শনেৰে স্থান লাভ কৰা ভিলেজ ৰকষ্টাৰ্চ ২ কথাছবিখন অসমৰ কথাছবি প্ৰেক্ষাগৃহত মুক্তি লাভ কৰিব।

■ আৰক্ষীৰ জালত পৰিল চালক ■

## গোলকগঞ্জত চোৰাং গৰু সৰবৰাহৰ চেষ্টা

**অসম বাৰ্তা, গোলকগঞ্জ, ২২ ফেব্ৰুৱাৰী ঃ** চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে ধুবুৰী জিলাৰ গোলকগঞ্জ আৰক্ষীৰ অভিযান। আৰক্ষীৰ অভিযানত জব্দ ৮ টাকৈ চোৰাং গৰু ভৰ্তি যাত্ৰীবাহী টাটা মেক্সিমো সহ আটক চালক। ৰাতিপুৱা আৰক্ষীৰ গোপন খবৰৰ ভিত্তিত গোলকগঞ্জ আৰক্ষী থানাৰ অন্তৰ্গত ৰতিয়াদহৰ বেৰিকেটত গোলকগঞ্জ আৰক্ষীয়ে আগমনীৰ পৰা ধুবুৰী অভিমুখী AS19 A C 5518 নম্বৰৰ টাটা মেক্সিমো বাহন ৰখাবলৈ নিৰ্দেশ দিয়ে। আৰক্ষীৰ নিৰ্দেশ অমান্য কৰি বাহনখন তীব্ৰ বেগত গৌৰীপুৰ অভিমুখে যাত্ৰা কৰে। আৰক্ষীৰ সন্দেহ হোৱাত পিছে পিছে খেদি যায় আৰু বাহনখন ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা উত্তৰ ৰায়পুৰ দ্বিতীয় খণ্ডত সোমায়। স্থানীয় ৰাইজে আগভেটি ধৰাত চালকে বাহনখন ৰখাই পলায়নৰ চেষ্টা কৰে যদিওঁ ৰাইজে খেদি খেদি চালক জনক আটক কৰি গোলকগঞ্জ আৰক্ষীক গতাই দিয়ে। বাহন খনৰ পৰা গোলকগঞ্জ আৰক্ষীয়ে ৮ টাকৈ চোৰাং গৰু উদ্ধাৰ কৰাৰ লগতে বঙাইগাঁও জিলাৰ মেৰেৰচৰৰ নাবিৰ হুছেইন নামৰ চালক জনক আটক কৰে। জানিব পৰা মতে, নিতৌ বিভিন্ন কৌশল অৱলম্বন কৰি অসম বংগ সীমান্তৰ পৰা আগমনী আৰক্ষী থানাৰ অন্তৰ্গত খেৰবাৰী হৈ গোহাঁই কমল আলি বাটেৰে আগমনী থানাৰ পৰা ১০০ মিটাৰ দূৰত্বৰে ধুবুৰী অভিমুখে যায় চোৰাং গৰু ভৰ্তি বাহন। আগমনী আৰক্ষীৰ দুৰ্বলতাৰ সুযোগত ধুবুৰী অভিমুখে যাবলৈ সক্ষম হয় বুলিও অভিযোগ স্থানীয় দল-সংগঠনৰ।

## জনীয়া বজাৰ জামে মছজিদ পৰিচালনা সমিতি নতুনকৈ গঠন

**অসম বাৰ্তা, জনীয়া, ২২ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ জনীয়াৰ বৃহত্তৰ এলেকা সামৰি স্থাপিত 'জনীয়া বজাৰ জামে মছজিদ পৰিচালনা সমিতি'ৰ সাধাৰণ সভা অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ ওমৰ আলীৰ সভাপতিত্বত ২২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মোকাদ্দেছ আলীয়ে। সভাত ২০২৩ চনৰ ১ ডিচেম্বৰৰ পৰা চলিত বৰ্ষৰ ২৩ জানুৱাৰীলৈ হিচাব নিকাচ খতিয়ান দাঙি ধৰে হিচাব পৰীক্ষক ক্ৰমে সাংবাদিকদ্বয় মইনুল হক চৌধুৰী, আবুল হুছেইন আৰু বিজ্ঞান শিক্ষক জাহাঙ্গীৰ আলমে। উক্ত সভাত আলোচনা বিলোচনাৰ অন্তত হিচাব পৰীক্ষকৰ প্ৰতিবেদন সভাত গৃহীত হয়। আনহাতে পৰৱৰ্তী জনীয়া বজাৰ জামে মছজিদ পৰিচালনা সমিতিৰ সভাপতি হিচাপে অৱসৰপ্ৰাপ্ত শিক্ষক আলহাজ ওমৰ আলীক সভাপতি, আলহাজ জয়নাল আবেদিন, আব্দুল খালেক বেপাৰী, অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুল কাদেৰক উপ-সভাপতি, মোকাদ্দেছ আলীক সম্পাদক, শাহনুৰ আলীক সহকাৰী সম্পাদক, আমজেদ হুছেইন, পিজিটি ছাহজাহান আলী, উত্তৰ সালেকুৰাৰ ছাহজাহান আলী, অৱসৰপ্ৰাপ্ত শিক্ষক তাইজুদ্দিন আহমেদ, আব্দুৰ ৰহিম, লাল মামুদ, ছিকিম আলী, আজাহাৰ আলী, অৱসৰপ্ৰাপ্ত নুৰুল ইছলাম তালুকদাৰ, ইদ্ৰিছ আলীকে আদি কৰি কে'বাজনক সদস্য হিচাপে লৈ কাৰ্যকৰী কমিটিখন গঠন কৰা হয়।

## বিজ্ঞান অনুসন্ধানৰ প্ৰকল্প প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা যোৰহাট, ২২ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ শিক্ষাৰ ৰাষ্ট্ৰীয় আৱিষ্কাৰ অভিযানৰ অধীনত বিজ্ঞান অনুসন্ধান কাৰ্যসূচীৰ উত্তৰ-পশ্চিম যোৰহাট শিক্ষাখণ্ডৰ শিশু বিজ্ঞান সমাৰোহ ২১ ফেব্ৰুৱাৰীত সৰুচৰাই উচ্চ ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত হয়। ছাত্ৰীসকলৰ বিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰে সমন্বয়ক বিপুল দুৱৰাই। বিদ্যালয়ৰ জ্যেষ্ঠ বিজ্ঞান শিক্ষক পৰঞ্জিৎ গগৈয়ে আদৰণী ভাষণ প্ৰদান কৰা সভাত প্ৰকল্পৰ বিষয়ে ব্যাখ্যা কৰে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলাৰ প্ৰাক্তন সভাপতি প্ৰবীণ বৰুৱাই। সমাৰোহৰ প্ৰকল্প প্ৰতিযোগিতাৰ বিচাৰক হিচাপে অংশ গ্ৰহণ কৰে ড° প্ৰমোদ চন্দ্ৰ নেওগ, ড° পুলকজ্যোতি ভূঞা, অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক স্বপন বেজবৰুৱা আৰু আৰ্য্যভট্ট বিজ্ঞান কেন্দ্ৰৰ যোৰহাট জিলাৰ সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে। উত্তৰ- পশ্চিম যোৰহাট শিক্ষা খণ্ডৰ অন্তৰ্গত ১৫খন বিদ্যালয়ে অংশ গ্ৰহণ কৰা সমাৰোহৰ প্ৰতিযোগিতাৰ পৰা জিলা পৰ্য্যায়লৈ প্ৰতিযোগী নিৰ্বাচন কৰে।

## লংকাত ড্ৰাগছৰ বাবে যুৱকৰ মৃত্যু

**অসম বাৰ্তা, লংকা, ২২ ফেব্ৰুৱাৰী ঃ** লংকা ৰে'লৱে ষ্টেচনৰ সমীপত ড্ৰাগছৰ চিৰিঞ্জ লৈ থকা অৱস্থাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হৈছে। মৃতদেহটো লংকা তিনি নম্বৰ ৱাৰ্ডৰ বাসিন্দা আইনুল হুছেইন বুলি চিনাক্ত কৰা হৈছে। স্থানীয় সূত্ৰৰ খবৰ অনুসৰি, ৰবিবাৰে পুৱা স্থানীয় কিছু লোক ৰে'লৱে ষ্টেচনৰ কাষত আইনুল অচেতন অৱস্থাত পৰি থকা দেখি আৰক্ষীক অৱগত কৰে। ঘটনাস্থলীত উপস্থিত হৈ লংকা ৰে'লৱে আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰে আৰু তদন্ত আৰম্ভ কৰে। আইনুলৰ পিতৃয়ে স্বীকাৰ কৰে যে তেওঁৰ পুত্ৰে দীৰ্ঘদিন ধৰি ড্ৰাগছ আৰু অন্য নিচাজাতীয় দ্ৰব্য সেৱন কৰি আহিছিল। পৰিয়ালে বিভিন্নবাৰ চেষ্টা কৰি আইনুলক সোধৰাবলৈ চেষ্টা কৰিছিল যদিও সেয়া সফল নহ'ল। প্ৰাথমিক অনুসন্ধানৰ ফলত আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে যে অত্যধিক ড্ৰাগছ সেৱনৰ ফলতে মৃত্যু হৈছিল। স্থানীয় বাসিন্দা আৰু সমাজ সচেতনসকলে ৰে'লৱে ষ্টেচন চাৰিওফালে ড্ৰাগছৰ অবৈধ ব্যৱহাৰ আৰু বেচা-কেনাৰ ঘটনা অধিক নিয়ন্ত্ৰণৰ দাবী উত্থাপন কৰিছে। তেওঁলোকে কেৱল আৰক্ষীৰ অভিযান নহয়, পৰিয়াল, বিদ্যালয় আৰু সমাজৰ সমন্বিত পদক্ষেপ জৰুৰী বুলি মত প্ৰকাশ কৰিছে। এই ঘটনাই লংকা অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে সজাগতা বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা আৰু যুৱপ্ৰজন্মক সচেতন কৰাৰ গুৰুত্ব পুনৰ প্ৰমাণ কৰিছে।

## সম্পাদকীয়

# নামৰ বিকৃতি নে সাংস্কৃতিক সত্তাৰ ওপৰত আক্ৰমণ ?

কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰণালয়ৰ শেহতীয়া এটা ফেচবুক পোষ্টে অসমত সৃষ্টি কৰা বিতৰ্ক কেৱল এটা সৰু বানানৰ ভুল নহয়; ইয়াত বহুতো গভীৰ ব্যৰ্থতাৰ প্ৰতিফলন দেখা গৈছে। হুচৰি আৰু বিহুক "হুচাৰি" (বা Husari) আৰু "বিহুনা" (Bihuna) বুলি লিখি মন্ত্ৰণালয়ে অসমৰ সাংস্কৃতিক পৰিচয়ৰ প্ৰতি অৱহেলা আৰু অজ্ঞতাৰ পৰিচয় দিছে। সামাজিক মাধ্যমত তীব্ৰ প্ৰতিক্ৰিয়াৰ ফলত মন্ত্ৰণালয়ে পোষ্টটো আঁতৰাই ক্ষমা বিচাৰিবলৈ বাধ্য হৈছে, কিন্তু এই ঘটনাই উত্থাপন কৰা প্ৰশ্নসমূহৰ উত্তৰ আজিও অমীমাংসিত হৈ আছে।

এটা চৰকাৰী মন্ত্ৰণালয়, যাৰ দায়িত্ব দেশৰ বিভিন্ন সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰচাৰ, তাৰ চ'চিয়েল মিডিয়া হেণ্ডলতো যদি এনে মৌলিক ভুল হয়, তেন্তে সাধাৰণ মানুহৰ মনত প্ৰথমতে উত্থাপিত হোৱা প্ৰশ্নটো হ'ল— অসমৰ দৰে বিশাল ৰাজ্যৰ পৰম্পৰা সম্পৰ্কে এনে দায়িত্বশীল লোকসকল ইমান অভিজ্ঞতাহীন কিয় ? বিহু অসমৰ প্ৰাণস্বৰূপ; ইয়াক নজনাকৈ অসমক চিনি পোৱা অসম্ভৱ। "বিহুনা"ৰ দৰে শব্দ সৃষ্টি কৰাটো অসমীয়া জাতিৰ আত্মসন্মানৰ ওপৰত আঘাতৰ সমান।

দ্বিতীয় প্ৰশ্নটো হ'ল ভুলটো পোষ্ট কৰাৰ আগতে কোনে পৰীক্ষা কৰিছিল ? এটা চৰকাৰী পোষ্ট প্ৰকাশৰ পূৰ্বে একাধিক স্তৰত সম্পাদনা প্ৰক্ৰিয়া থকা উচিত। প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা উৎপল বৰপূজাৰীয়ে যিদৰে কৈছে, এনে সৰু ভুলেও ভুল তথ্য প্ৰচাৰ কৰে আৰু অহেতুক বিতৰ্কৰ সৃষ্টি কৰে। যদি এজন চৰকাৰী কৰ্মচাৰীয়ে অসমৰ বিহু আৰু হুচৰিৰ সঠিক নাম নাজানে, তেন্তে তেওঁৰ নিয়োগ পুনৰ্বিবেচনাৰ সময় আহি পৰিছে।

সাধাৰণ লোকৰ মনত এয়াও প্ৰশ্ন উঠে যে কেৱল অসমৰ ক্ষেত্ৰতহে এনে ভুল হৈছে, নে অন্যান্য আঞ্চলিক সংস্কৃতিৰ ক্ষেত্ৰতো একে অৱহেলা দেখা যায় ? ভাৰতৰ বৈচিত্ৰ্যময় সংস্কৃতিৰ প্ৰতি মন্ত্ৰণালয়ৰ দৃষ্টিভংগী কেৱল দিল্লীকেন্দ্ৰিক হৈ থকা নেকি ? "এক ভাৰত, শ্ৰেষ্ঠ ভাৰত" শ্ল'গান দিয়া মন্ত্ৰণালয়ৰ পৰা সকলো ৰাজ্যৰ প্ৰতি সমান সন্মান আৰু সংবেদনশীলতা আশা কৰে ৰাইজে।

মন্ত্ৰণালয়ে ক্ষমা বিচৰা বিবৃতিত কৈছে যে তেওঁলোকে এই ভুলৰ বাবে গভীৰভাৱে অনুতপ্ত। কিন্তু প্ৰশ্ন হ'ল এই অনুতাপ কিমান আন্তৰিক ? ক্ষমা বিচৰাৰে ঘটনাৰ সামৰণি পৰে নেকি ? ইয়াৰ বাবে অধিক দায়বদ্ধতা আৰু জবাবদিহিতাৰ প্ৰয়োজন। ভৱিষ্যতে এনে ভুল নহ'বলৈ কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব তাৰ স্পষ্ট ৰূপৰেখা ৰাইজে দেখিব লাগে।

অসমৰ সাংস্কৃতিক পৰম্পৰা অতি পুৰণি আৰু সমৃদ্ধ। হুচৰি হৈছে ব'হাগ বিহুৰ প্ৰভাতী পৰম্পৰা, য'ত গাঁৱৰ ৰাইজ একত্ৰিত হৈ ঘৰে-ঘৰে গীত পৰিৱেশন কৰে। বিহুৱে তিনিটা ভিন্ন পৰ্বত (বহাগ, কাতি আৰু মাঘ) অসমীয়া জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনক লয়লাস ভংগিমাৰে প্ৰতিফলিত কৰে। এই পৰম্পৰাসমূহ কেৱল নৃত্য-গীত নহয়, ই অসমীয়া জাতিৰ অস্তিত্বৰ অবিচ্ছেদ্য অংশ। এনে পৰম্পৰাৰ নাম বিকৃত কৰাটো কেৱল ভাষাগত ভুল নহয়, ই এক সাংস্কৃতিক অৱমাননা।

এই ঘটনাই পুনৰবাৰ সোঁৱৰাই দিছে যে কেন্দ্ৰীয় চৰকাৰী প্ৰতিষ্ঠানসমূহত আঞ্চলিক ভাষা আৰু সংস্কৃতিৰ প্ৰতি সংবেদনশীলতা বৃদ্ধি কৰাৰ অতি প্ৰয়োজন। অসমৰ দৰে ৰাজ্যই বহুকাল ধৰি সাংস্কৃতিক আধিপত্যবাদৰ বলি হৈ আহিছে। ইয়াৰ পৰা মুক্তিৰ বাবে কেৱল পোষ্ট আঁতৰোৱা বা ক্ষমা বিচৰাই যথেষ্ট নহয়। চৰকাৰী পৰ্যায়ত এনে ভুলৰ পুনৰাবৃত্তি ৰোধ কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণৰ লগতে অসমৰ সংস্কৃতিৰ সঠিক প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অধিক গুৰুত্ব দিয়া উচিত।

অসমৰ ৰাইজে আকৌ এবাৰ প্ৰমাণ কৰিলে যে তেওঁলোক নিজৰ সংস্কৃতিৰ প্ৰতি অতি সচেতন আৰু যিকোনো অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ সাজু। আশা কৰোঁ, কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰণালয়ে এই শিক্ষা গ্ৰহণ কৰি ভৱিষ্যতে অসমকে ধৰি সমগ্ৰ দেশৰ আঞ্চলিক পৰম্পৰাসমূহৰ প্ৰতি অধিক সচেতন, সন্মানজনক আৰু সঠিক দৃষ্টিভংগীৰে আগবাঢ়িব। কাৰণ এটা জাতিৰ সংস্কৃতি ৰক্ষা কৰাটো কেৱল মন্ত্ৰণালয়ৰ দায়িত্ব নহয়, ই সমগ্ৰ দেশৰ সন্মান ৰক্ষাৰ প্ৰশ্ন।

"আজি অসমৰ যি অগ্নিগৰ্ভা পৰিস্থিতি তাৰ বাবে সম্পত্তিৰ কাৰণে আহোম ৰাজাৰ ডা-ডাঙৰীয়াসকলৰ ভাই-ভাইৰ মাজৰ কাজিয়া আৰু অৰিয়া-অৰিয়ে জগৰীয়া নহয়নে( ? )। কাৰণ, ভাই-ভাইৰ মাজত সম্পত্তিৰ কাৰণে হোৱা কাজিয়াই মানসকলক অসম আক্ৰমণ কৰিবলৈ মাতি আনিলে অৰ্থাৎ হাত বাউলি দিছিল। ফলত নিজেই লগোৱা জুই নুমুৱাব নোৱাৰি দেশ পুৰি চাৰখাৰ হ'ল। তিনিবাৰকৈ কৰা মানৰ আক্ৰমণত অসমৰ প্ৰায় সোতৰ লাখ মানুহ (মুনিহ-তিৰোতা নিৰ্বিশেষে) নিধন হ'ল। অসম ভূমি শ্মশানত পৰিণত হ'ল। মানক খেদি অসমত ইংৰাজে খোপনি পুতি উঠিৰজা-বহি ৰজা হ'ল। অসমৰ পতিত মাটিত চাহবাগান খুলিলে আৰু চাহ বাগানত কাম কৰিবলৈ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা বনুৱাসকলক আনিলে। বাগানৰ হুণ্ডি চলাবলৈ অৰ্থাৎ টকা-পইছাৰ যোগান ধৰিবলৈ লগতে খাদ্যৰ যোগান ধৰিবলৈ সুদুৰ ৰাজস্থানৰ পৰা মাৰোৱাৰীসকলক আনিলে।"

# ইয়াণ্ডাবু সন্ধিৰ দুশ বছৰৰ সম্পূৰ্ণ হোৱাৰ প্ৰাকক্ষণত

### প্ৰমোদ দোৱনীয়া

'ভায়ে ভায়ে হাই লাগে পৰে পায় আশ;
চুবুৰীয়াৰে হাই লাগে দেশেই বনবাস।'

অ' বোপাই ককাই-ভায়ে কেতিয়াও কাজিয়া পেচাল কৰিব নেপায়। তাকে কৰিলে, পৰে আশৈ পায়। ঘৰ ধ্বংস হয়। তাহানিতে কথাখিনি কৈছিল আমাৰ ককায়ে, — এই বুলি ঐ হীতীমুৰীয়া তোক জনায় নজনায় বুৰঞ্জীৰ সাধু সাধু লগা কথা দুটামান কওঁ শুন! ভাল লাগিলে সময়ত মনত পেলাবি; অন্যথা পাহৰি যাবি।

তাঙ্গৈ আহোমৰ লাই-লিক বুৰঞ্জীয়ে অসমত ছশ বছৰীয়া আহোম ৰাজত্বৰ ভবিষ্যতবাণী কৰিছিল এনেদৰে — 'ৰংপুৰ নগৰখন চনপুৰ হ'বগৈ, দেৱালৰ খহিব মাটি। সুবৰ্ণৰ কলচী সুলকি পৰিব, অজাতিয়ে ধৰিব চাটি। ৰজাই বেঢ়িব , গুৰুৱে চেপিব, ঘটিব দুৰ্দশা টান। ভাল ভাল আহোমৰ খোপনি লৰিব, হেৰাব সকলো মান।।'

সঁচাকৈয়ে, ঊনৈশ শতিকাতে গৌৰবোজ্বল প্ৰায় ছশবছৰ ধৰি অসমত ৰাজত্ব কৰা আহোম শাসনৰৰ সৌৰ্য-বিৰ্য্য মাৰ গ'ল। পুখুৰী খান্দি ঘঁৰিয়াল মতাৰ নিচিনাকৈ, আহোম ডা-ডাঙৰীয়াসকলৰ ক্ষমতালোভী গৃহকন্দলে নিজৰে সোণালী ইতিহাসৰ ইতি পেলালে। প্ৰথমে মানক মাতিলে হিতে বিপৰীত হ'ল। তাৰ পিছত বৃটিছক, সিও বিপথহে বুলিলে। ভাবিছিল, বৃটিছ সিংহই মানক খেদি দেশ ৰক্ষা কৰি দিব। কিন্তু, কাৰ্যতঃ হিতে বিপৰীতহে হ'ল। মানক খেদিলে হয়; কিন্তু সোণৰ অসমৰ ভূমিয়ে বৃটিছকো আকৰ্ষণ কৰিলে। মানক খেদি বৃটিছে অসমত খোপনিপুতি বহিল। অসমৰ স্বাধীনতাৰ বেলি চিৰদিনৰ কাৰণে মাৰ গ'ল। চমুতে ক'বলৈ গ'লে— গোজেই গজালি হ'ল। তাকে নুবুলিনো বুলিম কি, বোলে— যমে নিলে যি, জোঁৱায়ে নিলেও সি!

মানে অসমক ওপৰা-ওপৰিকৈ তিনিবাৰ আক্ৰমণ কৰিছিল। ১৮১৭, ১৮১৯ আৰু ১৮২১ চনত । অসম বুৰঞ্জীৰ পৃষ্ঠা লুটিয়ালে মনলৈ প্ৰশ্ন আহে— মানে নিজাববীয়াকৈ অসম আক্ৰমণ কৰিছিল, নে মানক মাতি আনি অসম আক্ৰমণ কৰোৱা হৈছিল( ? ) বৰ জটিল প্ৰশ্ন। পাছে, এটা কথা ঠিক বুৰঞ্জীয়ে কয় বোলে হেনো— মানে নিজে অসম আক্ৰমণ কৰা নাছিল , আহোম ডা-ডাঙৰীয়াসকলৰ ক্ষমতালোভী গৃহকন্দলে নিজৰে সোণালী ইতিহাসৰ ইতি পেলাবলৈ মানক অসম আক্ৰমণ কৰিবলৈ মাতি আনিছিল , ইয়াৰ গুৰি ধৰিছিল ক্ষমতালিস্পু বদনে( ? )বদন আছিল সেই সময়ৰ আহোম ৰাজ্যৰ বৰফুকন।

১৮১৭ চনত মানে যেতিয়া প্ৰথমবাৰ অসম আক্ৰমণ কৰিছিল, তেতিয়া অসমত ৰজা চন্দ্ৰকান্ত সিংহৰ ৰাজত্ব কাল আছিল। বুঢ়াগোহাঁই আছিল পুৰ্ণানন্দ ডাঙৰীয়া। মানৰ আক্ৰমণৰ কথা শুনি ভয় খায় তেখেতৰ মৃত্যু হ'ল বুলি বুৰঞ্জীয়ে কয়। কিছুমান বুৰঞ্জীয়ে আকৌ তেখেতে মানৰ আক্ৰণমৰ কথা শুনি ভয় খায় হাতত থকা হীৰাৰ আঙুঠি চেলেকি আত্মহত্যা কৰে বুলি কয়। গতিকে, কোনটো প্ৰকৃততে সঁচা ধৰা টান। তথাপি, বুৰঞ্জীয়ে কয় বোলে পুৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ মৃত্যুৰ পিছত তেখেতৰ ঠাইত উত্তৰাধিকাৰী সুত্ৰে তেখেতৰে পুত্ৰ ৰুচিনাথ ডাঙৰীয়াক বুঢ়াগোহাঁই পতা হয়। (এইখিনিতে, উল্লেখ কৰি যাওঁ যে—বহুতো বুৰঞ্জীয়ে ৰুচিনাথক পুৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ ভায়েকহে বুলিছে)। গতিকে, ইয়ো এক বিতৰ্কৰ বিষয়। বাৰু সি যিয়েই নহ'লেও, ৰুচিনাথে বুঢ়াগোহাঁই ডাঙৰীয়াই দায়িত্বভাৰ মূৰ পাতি লৈ তুংখুঙীয়া ফৈদৰ বগা কোঁৱৰৰ এগৰাকী কন্যাক (বহুতৰ মতে হেমো আইদেউ) ( ? )। স্বৰ্গদেৱৰ নিজা কন্যা বুলি অলংকাৰ পিন্ধাই মান ৰজালৈ বহুতো ভাৰ-ভেটি সহ বিয়া দিয়াত মান সৈন্যক অসমৰ পৰা ঘূৰাই পঠিয়াবলৈ সক্ষম হয়। সেইয়া আছিল মনৰ প্ৰথম অসম আক্ৰমণৰ কথা।

১৮১৯ চনত মানে দ্বিতীয়বাৰ অসম আক্ৰমণ কৰে। কাৰণ, মান ৰজাৰ বিশ্বস্ত বদন চন্দ্ৰ বৰফুকনে মানৰ লগতে নিজেও অসমীয়া প্ৰজাক অত্যাচাৰ, লুণ্ঠন , উৎপীড়ণ আদি কৰিছিল বলি বুৰঞ্জীয়ে কয়। এই কথাত গাভৰু কালতে বাঁৰী হোৱা নুমলী ৰাজমাও ডাঙৰীয়ানী ৰাজনীতিজ্ঞানত পাৰ্গত নাৰী হোৱা বাবে বৰ অতীস্থ হৈছিল আৰু মনত বৰ বেজাৰো পাইছিল। সেয়ে, অনা-অসমীয়া চিপাহী ৰূপসিং চুবেদাৰৰ হতুৱাই ষড়যন্ত্ৰ কৰি বদন চন্দ্ৰক বধ কৰোৱালে। এই কথা গৈ মান ৰজাৰ কাণত পৰাত ১৮১৯ চনত মান ৰজাই আলিমিঙ্গি নামৰ এজন সেনাপতিৰ অধীনত এদল মান সৈন্য অসমলৈ পঠিয়াই দিলে। এই কথা গম পাই ৰজা পুৰন্দৰ সিংহ সহিতে ৰুপনাথ বুঢ়াগোহাঁই ডাঙৰীয়া ভয়ত গুৱাহাটীলৈ পলাই যায়। এই সুযুগতে মান সেনাপতি আলিমিঙ্গিয়ে পুনৰ চন্দ্ৰকান্ত সিংহকে অসমৰ ৰজা পাতি বহুতো বয়-বস্তু , ধন-সোণ আদি লুট-পাত কৰি কিছুসংখ্যক মান সেনা অসমত থৈ নিজ দেশলৈ উলটি যায়।

মান সেনাপতি আলিমিঙ্গি নিজ দেশলৈ উলটি যোৱাৰ পিছত আহোম ৰজা চন্দ্ৰকান্ত সিংহই পুনৰ যাতে মানে অসম আক্ৰমণ কৰিবলৈ আহিব নোৱাৰে তাৰ প্ৰতি লক্ষ ৰাখি খেৰেমিয়াল সেনাপতি পাতাল বৰবৰুৱাৰ হতুৱাই মানসকল অসমলৈ অহা বাটত এটি গড় বন্ধোৱাৰ ব্যৱস্থা কৰে। এই কথা আলিমিঙ্গিয়ে অসমত থৈ যোৱা মান সৈন্যসকলৰ পৰা জানিব পাৰি পাতাল বৰবৰুৱাক সেই ঠাইতে আহি হত্যা কৰি মান ৰজালৈ খবৰ পঠিয়ালে। এনেয়ে মান ৰজাৰ মন অসমৰ ধন-সোণ আৰু অসমৰ ধুনীয়া ধুনীয়া গাভৰুবিলাকৰ প্ৰতি মন লুতুৰা হৈয়ে আছিল। গতিকে, বাৰ্ত্তা পাই মিঙ্গিমাহা তিলোৱা নামে সেনাপতি এজনৰ অধীনত এদল সৈন্য অসম আক্ৰমণৰ বাবে ততালিকে পঠিয়াই দিলে ।পুনৰবাৰ মান অহাৰ বাতৰি পাই ৰজা চন্দ্ৰকান্ত সিংহই কলিয়াবৰ বুঢ়াগোহাঁইক নগৰ সুৰক্ষাৰ দায়িত্বভাৰ দি গুৱাহাটীলৈ পলাই যায়। বুঢ়াগোহাঁয়ে মানক ভেটা দিবলৈ অশেষ চেষ্টা কৰে যদিও শেষ ৰক্ষা কৰিব নোৱাৰিলে। ৰাজধানী ৰংপুৰ অধিকাৰ কৰি মান সেনাপতি মিঙ্গিমাহা তিলোৱাই ৰজা চন্দ্ৰকান্ত সিংহক ৰাজপাত ল'বলৈ মাতে যদিও তেখেতে হিতে বিপৰিতহে চিন্তিলে। গতিকে, তুংখুঙীয়া ফৈদৰ বগা কোঁৱৰৰ পুতেক, মান ৰজাৰ জেঠেৰীয়েক, যোগেশ্বৰ সিংহক নামত মাত্ৰ ৰজাপাতি নিজে দেশ শাসন কৰিবলৈ ধৰিলে আৰু অসমীয়া প্ৰজাৰ ওপৰত অমানবীয় অত্যাচাৰ, হত্যা, লুণ্ঠন আদি কৰিবলৈ ধৰিলে। দেশ গুচি এৰাবাৰী হ'ল। ধৰ্ষণ, হত্যা. লুণ্ঠন,অত্যাচাৰত অসমীয়া প্ৰজা জৰ্জ্জৰিত হ'ল। এইবিলাক কথা অসম বুৰঞ্জীৰ পৃষ্ঠাই পৃষ্ঠাই বৰ্ণিত হৈ আছে।

উল্লেখযোগ্য যে— মানৰ দ্বিতীয় আক্ৰমণৰ সময়তে পুৰন্দৰ সিংহ কলিকতালৈ গৈ অসম দেশ ৰক্ষাৰ কাৰণে ইংৰাজ সৈন্যৰ সাহাৰ্য বিচাৰিছিল। তেওঁ যুদ্ধ ব্যয় আৰু সৈন্য দিবলৈও ৰাজী আছিল। আনকি, ইংৰাজৰ কৰতলীয়া হৈ থাকিম বুলি কথা দি অসম দেশ মানৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ বহুত আবেদন-নিবেদনো কৰিছিল। পাছে, সেই আবেদন-নিবেদনক ইংৰাজে গ্ৰহণ নকৰিলে।

ইয়াৰ পিছত চন্দ্ৰকান্ত সিংহক ধৰিবলৈ মানসেনা গৈ গুৱাহাটী পালেগৈ। চন্দ্ৰকান্ত সিংহৰ সৈন্যই মান সেনাৰ লগত এঘৰি যুজিছিল যদিও টিকিব নোৱাৰিলে। চন্দ্ৰকান্ত সিংহ গৈ কোম্পানীৰ ৰাজ্যত সোমাল। কোম্পানীৰ ৰাজ্যৰ পৰাই পুনৰবাৰ চন্দ্ৰকান্ত সিংহই এদল সৈন্যলৈ মানক ভেটিবলৈ আগবাঢ়ি আহিল। চন্দ্ৰকান্ত সিংহক এই ক্ষেত্ৰত সহায় কৰিলে পুৰন্দৰ সিংহ আৰু ৰুচিনাথ বুঢ়াগোহাঁই ডাঙৰীয়াই। এই দুয়োটা দল একগোট হৈ যোৰহাটৰ ওচৰৰ ককিলামুখৰ 'মহগড়' নামে ঠাইত মানসেনাৰ লগত যুদ্ধ দিলেগৈ। সেইখন যুদ্ধত চন্দ্ৰকান্ত সিংহই নিজে অস্ত্ৰ ধৰি অৱতীৰ্ণ হ'ল যদিও ফলৱৰ্তী হ'ব নোৱাৰিলে ।কিয়নো, যুদ্ধত জয়ী হওঁ হওঁ অৱস্থা হওঁতেই মানদেশৰ পৰা মিঙ্গিমাহা বন্দুলা নামৰ আন এজন সেনাপতিৰ অধীনত বৃহৎ এটা সৈন্যদল আহি মান সেনাৰ লগত যোগ দিলেহি, ফলত চন্দ্ৰকান্ত সিংহ যুদ্ধত টিকিব নোৱাৰি পলাই যাবলৈ বাধ্য হয়। ফল স্বৰূপে ইমানতে অসমত ছশবছৰীয়া আহোম প্ৰশাসনৰ সামৰণি পৰে। ইয়াৰ পিছত মিঙ্গিমাহা বন্দুলাই গোটেই অসমদেশ লুটিপুতি চলাথ কৰিলে আৰু অসমীয়া প্ৰজাক নানা ধৰণৰ অকথ্য অত্যাচাৰ, উৎপীড়ন, লুণ্ঠন আদি কৰি মাৰিলে। গোটেই অসম দেশ জয় কৰিব পাৰি মানৰ লুতুৰা স্বভাৱৰ উৎসাহ দুগুণে চৰিল আৰু ১৮২৩ চনত কাছাৰ আক্ৰমণ কৰিলে। ইমানতো ক্ষান্ত নেথাকি মানসকলে বৃটিছৰ অধীনত থকা চাহপুৰ নামে ঠাই দখল কৰিলে। নিজৰ গাত হাত পৰাত আৰু মানৰ এনে কাযৰ্ত বৃটিছ সিংহ গৰজি উঠিল আৰু জেনেৰেল লৰ্ড আমহাষ্টে ১৮২৪ চনত মান সেনাক আক্ৰমণ কৰিবলৈ বৃটিছ সেনাক নিৰ্দ্দেশ দিলে। কেপ্টেইন স্কট আৰু মেকমৰিণৰ নেতৃত্বত অহা বৃটিছ সৈন্যই মান সেনাক আগচি ধৰিলে। যুদ্ধত তিষ্টিব নোৱাৰি মান সেনা ফৰিং চিতিকাদি চিটিকি পলাবলৈ বাধ্য হ'ল। বৃটিছ সেনায়ো মান সেনাক পিচে পিচে খেদি গ'ল। তাৰ পিছত, ১৮২৫ চনত হাটবৰ নামৰ ঠাইত মানসেনা আৰু কেপ্টেইন ৰিচাৰ্ডৰ মাজত যুদ্ধ হ'ল। যুদ্ধত মানসেনা বেয়াকৈ ঘাটিল। হাটবৰত হোৱা বাবে এই যুদ্ধক 'হাটবৰ'ৰ ৰণ বোলে। এই ৰণৰ পৰিণতি স্বৰূপে মানসকলে বৃটিছৰ লগত সন্ধি কৰিবলৈ বাধ্য হ'ল। সন্ধিৰ চৰ্তানুসৰি মানসকলে পুনৰ অসমত আক্ৰমণ আৰু অত্যাচাৰ নকৰাৰ প্ৰতিশ্ৰুতি দিলে ।বৃটিছসকলেও যিসকল মান সৈন্য নিজ দেশলৈ যাব খোজে তেওঁলোকক নিজ দেশলৈ যাবলৈ দিয়ে আৰু থাকিব খোজাখিনিক কোনো উপদ্ৰ ৱ আদি নকৰাৰ প্ৰতিশ্ৰুতি লৈ অসমত থাকিবলৈ দিয়ে।

এইখিনিতে উনুকীয়াই গ'লে ভূল নিশ্চয় নহ'ব যে—চাহপুৰত মানসেনাই ইংৰাজৰ গাত হাতদিয়াৰ লগেলগে বৃটিছ সিংহ কেশৰ জোকাৰি গৰজি উঠিল আৰু মান সৈন্যক কচু কটা দিলে। তাৰ পিছত ইংৰাজসকল এঢাপ এঢাপকৈ উজাই আহি ১৮২৫ চনত নামডাঙৰ পানী ৰাঙলী কৰি মানসকলক সম্পুৰ্ণ পৰাস্ত কৰি ৰংপুৰ অধিকাৰ কৰিলে আৰু অসমদেশ নিজৰ কৰি ল'লে। প্ৰসঙ্গক্ৰমে আৰু এটা কথা উল্লেখকৰি যাওঁ যে— অসম দেশ অধিকাৰ কৰি অসমৰ প্ৰজাক উদ্দেশ্যকৰি ডেভিড স্কট চাহাবে লিখিতভাৱে ঘোষণা কৰিছিল যে— 'আমি তোমালোকৰ দেশ জয় কৰিবলৈ অহা নাই। তেনে ইচ্ছা বা আকাংক্ষাও আমাৰ নাই। শত্ৰুৱে আমাৰ ৰাজ্যত উপদ্ৰৱ কৰাৰ কাৰণেহে আমি তোমালোকৰ দেশত সোমাইছো। অসমৰ পৰা শত্ৰুক খেদি, তোমালোকৰ ৰাজ্য গতাই দিব নোৱাৰালৈকে আমি ক্ষ্যান্ত নহওঁ। তোমালোকে চিন্তা নকৰিবা।' পাছে, বাস্তৱত বৃটিছসকলে সেইটো নক ৰিলে।

যদিও বহুক্ষেত্ৰত বুৰঞ্জীবিলাকত শৰাইঘাটৰ ৰণকে অমৰ শেষ ৰণ বুলি কোৱা দেখা যায়; প্ৰকৃততে সেইটো সত্য নহয়। অসমৰ বৰ সেনাপতি মহাবীৰ লাচিত বৰফুকনৰ নেতৃত্বত ১৬৭১ খ্ৰীষ্টাব্দত মোগল সম্ৰাট ঔৰংজেৱৰ পৰাক্ৰমী বীৰসেনাপতি ৰাম সিংহৰ লগত শৰাইঘাটত যিখন যুদ্ধ হৈছিল সেইখন আছিল অসমৰ হৃতগৌৰৱ মোগলৰ হাতৰ পৰা ঘূৰাই অনাৰ যুদ্ধহে। যিখন যুদ্ধ ঘোষণা কৰিছিল মহাৰাজ চক্ৰধ্বজ সিংহই। অৱশ্যে ,যুদ্ধ জয়ৰ সোৱাদ ল'বলৈ তেতিয়া মহাৰাজ জীয়াই নাছিল। সেইখন যুদ্ধৰ জয়ৰ সোৱাদ পাইছিল তেখেতৰে ভায়েক চুত্যনফা ওৰফে উদয়াদিত্য সিংহ ৰজাদেৱেহে। গতিকে, ১৬৭১ খ্ৰীষ্টাব্দত হোৱা শৰাইঘাটৰ ৰণখন আছিল প্ৰকৃততে মোগলৰ লগত আহোমৰ(অসমৰ) শেষ ৰণহে। এইখন ৰণে মোগলক পুনৰবাৰ অসম আক্ৰমণ কৰাৰ মনোবল পুৰামাত্ৰাই ভাঙি পেলাইছিল। গতিকে, ১৬৭১ খ্ৰীষ্টাব্দৰ শৰাইঘাটৰ ৰণখন অসমৰ স্বাধীনতাৰ বেলি মাৰ যোৱা ৰণ নহয় বা নাছিল, আছিল মোগলৰ বিৰুদ্ধে কৰা শেষৰখন ৰণহে।

অসমৰ স্বাধীনতাৰ বেলি মাৰযোৱা তথা সৰ্বদিশৰ পৰা অসমৰ শেষ ৰণখন আছিল- 'মহগড়'ৰ ৰণখনহে। এইখন ৰণ হৈছিল যোৰহাটৰ উত্তৰে থকা ককিলামুখৰ ওচৰৰ 'মহগড়' নামে ঠাইত। যুদ্ধখনত প্ৰথমে মান সেনাপতি মিঙ্গিমাহা তিলোৱা তাৰ পিছত যোগ দিয়া মিঙ্গিমাহা বন্দুলা আৰু চন্দ্ৰকান্ত সিংহৰ মাজত ১৮২২ খ্ৰীষ্টাব্দত। যুদ্ধখনত ঘাটি খাই চন্দ্ৰকান্ত সিংহ পলাই যাবলৈ বাধ্য হয়। বহুতো পণ্ডিতে ক'ব খোজে যে বৰ্তমানৰ যোৰহাট জিলাৰ ম'হবন্ধাই তাহানিৰ মহগড়( ? )।

ড° লীলা গগৈ দেৱে 'বেলি মাৰ গ'ল' পুথিত লিখিছে — 'সাত সাগৰ তেৰ নদীৰ সিপাৰৰ বগা বঙালৰ চলাহী কথাৰ ওৰ পেলোৱা টান, কোনেও ফুটকে মানিব নোৱাৰিলে।' অৰ্থাৎ চলাহি কথাৰে ইংৰাজে অসম দেশ নিজৰ কৰি ল'লে( ? )

১৮২৫ চনৰ বিদায় লোৱা দিনটোত মানসকলৰ কি অৱস্থা হৈছিল— ৰংপুৰ নগৰৰ পৰা মান সৈন্যই বিদায় ল'লে। সাতশ সৈন্যই আত্মসমৰ্পণ কৰিলে। বাকী ন হেজাৰমান মান সৈন্য উজাইগৈ পাটকাইৰ এইপাৰে হাবিতলীয়া ঠাইত সোমালগৈ।

১৮২৬ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৪ দিনৰ দিনা ব্ৰহ্মদেশৰ ইয়াণ্ডাবু নামে ঠাইত ইংৰাজ আৰু ব্ৰহ্মদেশৰ ৰজাৰ মাজত সন্ধি হ'ল। সন্ধিৰ দুই নম্বৰ দফাৰ চৰ্তমতে ব্ৰহ্মদেশৰ ৰজাই অসম আৰু ইয়াৰ কৰতলীয়া অঞ্চলকে ধৰি কাছাৰ আৰু জয়ন্তীয়া ৰাজ্য যাওঁতে ইংৰাজৰ হাতত সমৰ্পণ কৰিলে। ফাগুন মাহ ফাগুনী বতাহে জেকাৰি পেলোৱা শীতৰ স্থবিৰতাৰ লগে লগে আহিল এচাতি নতুন পচোৱা পশ্চিমৰ পৰা। দুবছৰৰ আগতে এটা পলাশ ৰঙী ফাগুনতে ডেভিড স্কটে আশাৰ সপোন সিঁচিছিল অসমীয়াৰ মনত আৰু দুবছৰৰ পিছতে হেঙুল সনা আকাশ ক'লা কৰি পৰাধীনতাৰ ঘনঘোৰ ডাৱৰে আৱৰি ধৰিলে অসম আৰু অসমীয়াক বগা বঙালৰ কৃপাত। চিৰদিনৰ কাৰণে অসম হৈ পৰিল পৰাধীন।

কেঁচা তেজৰ সোৱাদ পোৱা বাঘে যেনেকৈ মানুহৰ গোন্ধ পালেই বলিয়া হয়, ঠিক তেনেকৈয়ে অসমৰ পৰা মানক খেদি বিজয়ী হোৱা ইংৰাজে পূৰ্বতেই বাতৰি পাইছিল , উত্তৰ ব্ৰহ্মদেশৰ বিৰাট অঞ্চলত সোণ, ৰূপ,মণি-মৰকত উপচি থকা বুলি। ধন-ৰত্ন লালায়িত ইংৰাজে সেই উদ্দেশ্যেই ব্ৰহ্মদেশ আক্ৰমণ কৰিলে। অৱশেষত আমেৰিকান মিচনেৰী ডাঃ প্ৰাইচ আৰু ইংৰাজ নাগৰিক চেণ্ডফৰ্ডৰ মধ্যস্থতাত সন্ধিৰ দিহা হ'ল। মান ৰজাই যুদ্ধ ব্যয় এক কোটি টকা আৰু তাৰে আগধন হিচাপে পঁচিশ লাখ টকা দিবলৈ ৰাজী হোৱাত সন্ধিৰ চৰ্ত্ত স্থিৰ কৰিব পৰা গ'ল।

ইংৰাজ কোম্পানীৰ হৈ ছাৰ আৰ্কিবল্ড কেম্পবেল, থমাচ কেম্পবেল, ৰবাৰ্টচন , হেনৰি ডেচি চাদ আৰু মান ৰজাৰ হৈ মান হ্লা ক্যানঠান, উঙ্গি আৰি মিঙ্গিমাহা, মেন হ্লা থি-হা-থু, উপ অটোৱেন উনে ইয়াণ্ডাবু সন্ধিৰ চুক্তি পত্ৰত চহী কৰিলে। লগে-লগে ছশ বছৰীয়া আহোম ৰাজত্বৰ লগতে স্বাধীন অসমৰ বেলি মাৰ গ'ল আৰু কোনো দিনে পৰাধিনতাৰ মুখ নেদেখা অসম ইংৰাজৰ অধীন হ'ল। লগে-লগে ভাৰতৰো অধীন হ'ল। সেয়েহে আজি অসম ভাৰতৰ অঙ্গ ৰাজ্য।

ইয়াণ্ডাবু সন্ধিৰ চৰ্ত্তানুসৰি - বৃটিছ গভৰ্ণমেণ্টে মানৰ হাতৰ পৰা আৰাকন, মাৰ্টাবান, টেনাচেৰিম এই কেইখন ব্ৰহ্মদেশৰ ৰাজ্য লাভ কৰিলে আৰু সেই আলমতে অসমদেশ বৃটিছৰ হাতলৈ নিগাজীকৈ হস্তান্তৰ হ'ল। লগে লগে স্বাৰ্থলোভী অসমীয়া কেইটামানে বৃটিছে দলিয়াই পেলাই দিয়া কলৰ বাকলিটোকে, কুঁহিয়াৰৰ চোবাটোকে বহুত পালো বুলি চেলেকিবলৈ ধৰিলে। মনত ৰাখিব, এনে লাগে যেন তেতিয়াও চেলেকিছিল আৰু আজিও চেলেকীয়ে আছে।

কথাখিনি যদি ভালকৈ পঢ়ি ফঁহিয়াই চোৱা যায় তেতিয়া অনুমান হয় যে— আজি অসমৰ যি অগ্নিগৰ্ভা পৰিস্থিতি তাৰ বাবে সম্পত্তিৰ কাৰণে আহোম ৰাজাৰ ডা-ডাঙৰীয়াসকলৰ ভাই-ভাইৰ মাজৰ কাজিয়া আৰু অৰিয়া-অৰিয়ে জগৰীয়া নহয়নে( ? ) । কাৰণ, ভাই-ভাইৰ মাজত সম্পত্তিৰ কাৰণে হোৱা কাজিয়াই মানসকলক অসম আক্ৰমণ কৰিবলৈ মাতি আনিলে অৰ্থাৎ হাত বাউলি দিছিল। ফলত নিজেই লগোৱা জুই নুমুৱাব নোৱাৰি দেশ পুৰি চাৰখাৰ হ'ল। তিনিবাৰকৈ কৰা মানৰ আক্ৰমণত অসমৰ প্ৰায় সোতৰ লাখ মানুহ (মুনিহ-তিৰোতা নিৰ্বিশেষে) নিধন হ'ল। অসম ভূমি শ্মশানত পৰিণত হ'ল। মানক খেদি অসমত ইংৰাজে খোপনি পুতি উঠিৰজা-বহি ৰজা হ'ল। অসমৰ পতিত মাটিত চাহবাগান খুলিলে আৰু চাববাগানত কাম কৰিবলৈ ভাৰতৰ বিভিন্ন ঠাইৰ পৰা বনুৱাসকলক আনিলে। বাগানৰ হুণ্ডি চলাবলৈ অৰ্থাৎ টকা-পইছাৰ যোগান ধৰিবলৈ লগতে খাদ্যৰ যোগান ধৰিবলৈ সূদুৰ ৰাজস্থানৰ পৰা মাৰোৱাৰীসকলক আনিলে। বাগানৰ মাল-বস্তু কঢ়িয়াবলৈ বিহাৰীসকলক আনিলে। ৰে'ল লাইন খুলি তাত কাম কৰিবলৈ পশ্চিমবংগৰ পৰা বাঙালীসকলক আনি দেশখন কেওফালৰ পৰা ভৰাই পেলালে। ফলত অসমীয়াসকল সেই তেতিয়াই নিজৰ ঘৰতে সংখ্যালঘুত পৰিণত হ'ল। তাৰ পিছত ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতে স্বাধীনতাৰ মুখ দেখিলে। সকলোৱে এবাৰ ওপৰলৈ মূৰ তুলি চালে , বোলে এইবাৰ কিবা এটা ভাল হ'ব নিশ্চয়। পাছে, সব ফুটুকাৰ ফেন। সকলো একেই থাকিল। দেশৰ পৰা বগা বঙাল গুচিল হয় কিন্তু দেশীয় ক'লা চাহাবসকল শাসনৰ গাদীত বহি দেশ শাসনৰ নামত অত্যাচাৰ আগতকৈ একোব চৰা হ'ল। দেশখনক সকলো ফালৰ পৰা লুটি-পুটি খাই শেষ কৰিলে। ৰাইজৰ দশা কলৈ যাওঁ গোপাল কলৈ যাওঁ কৃপাল হ'ল। মুঠৰ ওপৰত, সকলো ৰাজনীতিৰ পাক। ইয়াত সৰ্বসাধাৰণ ৰাইজৰ কৰিবলগীয়া একোটো নেথাকিল ( ? ) ৰাইজ আজি ভোকোৰা এন্দুৰ ( ? ) ৰাইজ ৰাজপথলৈ ওলায় অহাৰ সুবিধাকণ সংবিধানে দিলে হয়, কিন্তু ৰাইজৰ কথা শুন কোনে( ? )। ৰাইজ ৰাজপথলৈ ওলোৱা মানেই জেলৰ ভাত।

আজি আমাৰ সোণৰ অসমৰ পৰিস্থিতিটো দেখি মনত পৰিছে সেই তাহানিতে ককা পিপলা বুঢ়াই কৈ যোৱা পুৰণি ফকৰা ফাকিলৈ বোলে— 'ভায়ে ভায়ে হাই লাগে পৰে পায় আশ; চুবুৰীয়াৰে হাই লাগে দেশেই বনবাস।' লগতে, ইয়াণ্ডাবু সন্ধিৰ দুশ বছৰ সম্পুৰ্ণ হোৱাৰ প্ৰাক ক্ষণত কথাবোৰ ফঁহিয়াই চাইছো, বোলো জ্ঞাতি-দ্ৰোহী অসমীয়া তহঁতৰ নিস্তাৰৰ উপায় এটাই বোলে— 'মুঠি মুঠি কৰি ইকৰা কাটিবা, ককালত খুচিবা দা, গুৰুকো মাৰিবা ভকতিকো ৰাখিবা, ৰাখিবা নিজৰ গা।' ( ? )

*লেখকৰ ঠিকনা ঃ লখিমীনগৰ, হাতীগাঁও, গুৱাহাটী-৩৮*

# ৰেডিঅ' অতীত আৰু বৰ্তমান

### আয়শা ছিদ্দিকা

অদৃশ্য তৰংগক ব্যৱহাৰ কৰি যোগাযোগৰ এক সফল মাধ্যম হিচাপে গঢ়ি তোলাৰ কৃতিত্ব ইটালীয় বিজ্ঞানী গুগ্লিয়েম' মাৰ্কনিক প্ৰদান কৰা হয়। ১৮৯৫ চনত মাৰ্কনিয়ে প্ৰথমবাৰৰ বাবে কোনো তাঁৰৰ সহায় নোহোৱাকৈ বায়ুমণ্ডলৰ মাজেৰে সংকেত পঠাবলৈ সক্ষম হৈছিল। তেওঁৰ এই আৱিষ্কাৰক সেই সময়ত 'বেতাঁৰ টেলিগ্ৰাফ' (Wireless Telegraph) বুলি জনা যায়। ছাৰ জগদীশ চন্দ্ৰ বসু আৰু নিকোলা টেছলাৰ দৰে বিজ্ঞানীসকলেও ৰেডিঅ' প্ৰযুক্তিৰ বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। ভাৰতীয় বিজ্ঞানী জগদীশ চন্দ্ৰ বসুৱে কলিকতাত অত্যন্ত চুটি তৰংগ ব্যৱহাৰ কৰি কোনো মাধ্যম নোহোৱাকৈ দূৰৈৰ ঘণ্টা বজাই দেখুৱাইছিল, যিটো ৰেডিঅ' বিজ্ঞানৰ এক আদিম আৰ্হি আছিল। এনেদৰে বহুতো প্ৰতিভাশালী মগজুৰ কঠোৰ পৰিশ্ৰমৰ ফলত ৰেডিঅ'ই এক পূৰ্ণাংগ ৰূপ পাইছিল, যিয়ে পৰৱৰ্তী সময়ত পৃথিৱীৰ যোগাযোগ ব্যৱস্থাক চিৰদিনৰ বাবে সলনি কৰি দিছিল।



ৰেডিঅ' হৈছে বিজ্ঞানৰ এক বিস্ময়কৰ আৱিষ্কাৰ যিয়ে আকাশী তৰংগৰ সহায়ত শব্দক বিশ্বৰ এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই নিয়াত সহায় কৰে। প্ৰকৃততে ই এক শক্তিশালী যোগাযোগ মাধ্যম য'ত কোনো ধৰণৰ তাঁৰৰ সংযোগ নোহোৱাকৈয়ে বিদ্যুৎ-চুম্বকীয় তৰংগৰ জৰিয়তে সংগীত, খবৰ-বাতৰি আৰু বিভিন্ন বাৰ্তা প্ৰেৰণ কৰা হয়। যেতিয়া এজন ব্যক্তিয়ে ৰেডিঅ' ষ্টেচনৰ মাইক্ৰ'ফোনৰ আগত কথা কয়, সেই শব্দ তৰংগবোৰক বিশেষ প্ৰযুক্তিৰে বৈদ্যুতিক সংকেতলৈ ৰূপান্তৰ কৰি বায়ুমণ্ডললৈ এৰি দিয়া হয় আৰু আমাৰ হাতত থকা ৰেডিঅ' যন্ত্ৰটোৱে সেই অদৃশ্য তৰংগবোৰ ধৰি পুনৰ আমাৰ কাণেৰে শুনিব পৰা শব্দলৈ পৰিৱৰ্তন কৰে।

ৰেডিঅ'ৰ জৰিয়তে মনোৰঞ্জনৰ উপৰিও সমাজৰ প্ৰতিটো স্তৰৰ মানুহক সংযোগ কৰা এক সৰ্বজনীন মাধ্যম হিচাপে কাম কৰে। ইয়াৰ আটাইতকৈ ডাঙৰ বিশেষত্ব হ'ল ইয়াৰ সৰলতা। কিয়নো এজন নিৰক্ষৰ মানুহেও ইয়াৰ জৰিয়তে পৃথিৱীৰ জ্ঞান আহৰণ কৰিব পাৰে। দুৰ্যোগৰ সময়ত যেতিয়া আধুনিক প্ৰযুক্তিৰ আন মাধ্যমবোৰ বিকল হৈ পৰে, তেতিয়া ৰেডিঅ'ই একমাত্ৰ নিৰ্ভৰযোগ্য সাৰথি হিচাপে তথ্যৰ আদান-প্ৰদান চলাই ৰাখে। মুঠতে ৰেডিঅ' হ'ল শব্দৰ এক এনে যাত্ৰা যিয়ে মানুহক কল্পনা কৰিবলৈ শিকায় আৰু ভৌগোলিক সীমা নেওচি সকলোকে একেটা সুঁতিতে বান্ধি ৰাখে।

ৰেডিঅ'এটা সময়ত মানুহৰ আৱেগ আছিল য'ত স্মৃতি আৰু বিশ্বজনীন সংযোগৰ এক অমৰ ধ্বনি-তৰংগৰ মিলন ঘটিছিল। নীলা আকাশৰ নিঃশব্দ বুকুৰে বৈ অহা শব্দৰ লহৰবোৰে এসময়ত মানৰ সভ্যতাক এক নতুন ভাষা দিছিল। অতীতৰ সেই সোণালী দিনবোৰৰ পৰা বৰ্তমানৰ যান্ত্ৰিক যুগলৈকে ৰেডিঅ'ৰ যাত্ৰা যেন এক বিৱৰ্তনৰ মহাকাব্য, য'ত কেতিয়াবা এক গভীৰ গাম্ভীৰ্য আছিল আৰু এতিয়া আছে আধুনিকতাৰ দ্ৰুত স্পন্দন।

অতীতত ৰেডিঅ' আছিল ঘৰখনৰ আটাইতকৈ সন্মানীয় সদস্যজনৰ দৰে। গধূলি বেলিকা এটা সৰু কাঠৰ বাকচৰ পৰা ভাঁহি অহা আকাশবাণীৰ সেই পৰিচিত সুৰটোৱে জনপদৰ কোলাহল নিস্তব্ধ কৰি পেলাইছিল। সেই সময়ত ৰেডিঅ' আছিল কল্পনাৰ দাপোণ সদৃশ। কাৰণ মানুহে শব্দ শুনি দৃশ্যবোৰ মনৰ ভিতৰত সাজি লৈছিল। দূৰণিৰ কোনোবা অচিন দেশৰ কথা, খেলপথাৰৰ উত্তেজনাপূৰ্ণ ধাৰাভাষ্য বা কোনোবা প্ৰখ্যাত গায়কৰ কণ্ঠই গাঁৱৰ চ'ৰাঘৰৰ পৰা চহৰৰ অট্টালিকালৈকে এক আত্মীয়তাৰ জৰীৰে বান্ধি ৰাখিছিল। মহালয়াৰ পুৱা চণ্ডীপাঠ হওক বা জগত বিখ্যাত নাটকৰ সংলাপ ৰেডিঅ' আছিল জ্ঞান আৰু সংস্কৃতিৰ এক সৰ্বজনীন কেন্দ্ৰালয়। মানুহে নিজৰ প্ৰিয় গীতটো শুনিবলৈ ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰিছিল।

কালৰ সোঁতত বিজ্ঞানৰ জয়যাত্ৰাই ৰেডিঅ'ৰ সেই ধ্ৰুপদী ৰূপটোক নতুন সাজ পিন্ধালে।

বৰ্তমানৰ ডিজিটেল পৃথিৱীত ৰেডিঅ' আকাশী তৰংগৰ পৰা নামি আহি ইণ্টাৰনেটৰ অণুতৰংগ আৰু হাতৰ মুঠিত থকা মোবাইল ফোনৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে। আজিৰ যুগৰ 'এফ.এম.' চেনেলবোৰে অতীতৰ সেই গহীন পৰিৱেশৰ ঠাইত এক চঞ্চল আৰু প্ৰাণৱন্ত পৰিৱেশৰ সৃষ্টি কৰিছে। যি সময়ত মানুহে দৃশ্যৰ ভিৰত ক্লান্ত হৈ পৰে, সেই সময়ত ৰেডিঅ'ই এতিয়াও শব্দৰ শীতলতাৰে মানুহক এক মানসিক জিৰণি দিয়ে। পডকাষ্ট আৰু অনলাইন ষ্ট্ৰীমিঙৰ জৰিয়তে ৰেডিঅ'ই আজি বিশ্বৰ প্ৰতিটো কোণত থকা শ্ৰোতাৰ ব্যক্তিগত পচন্দক গুৰুত্ব দিছে।

অতীতত ৰেডিঅ' মাথোঁ শ্ৰব্য আছিল যদিও বৰ্তমানৰ আধুনিক প্ৰযুক্তি বিদ্যাৰ সময়ত ই হৈ পৰিছে এক শ্ৰব্যৰ লগতে দৃশ্যমান। যদিও আজিৰ চকু চাট্ মৰা দৃশ্য-শ্ৰব্য মাধ্যমৰ মাজত ৰেডিঅ'ৰ সেই পুৰণি আভিজাত্য অলপ ম্লান পৰা যেন লাগে, তথাপিও ইয়াৰ প্ৰাণশক্তি আজিও অক্ষুণ্ণ। যাত্ৰাপথৰ নিসংগতাত হওক বা দুৰ্যোগৰ বিভীষিকাত ৰেডিঅ'ই আজিও আমাক সোঁৱৰাই দিয়ে যে পৃথিৱীখন এতিয়াও শব্দময়। অতীতৰ সেই আৱেগ আৰু বৰ্তমানৰ প্ৰযুক্তিক বুকুত বান্ধি ৰেডিঅ' আজিও মানুহৰ হৃদয়ৰ এটা সুকীয়া কোণত বাজি আছে আৰু ভৱিষ্যতেও ই এক অজেয় শক্তি হিচাপে জীয়াই থাকিব।

# দূৰণিবটীয়া দ্ৰুতগামী ৰে'ল ৰখোৱাৰ দাবীত বিজনী ৰে'ল ষ্টেচনত অৱস্থান ধৰ্মঘট

## ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱলৈ স্মাৰকপত্ৰ প্ৰেৰণ



**অসমবাৰ্তা, বিজনী, ২২ ফেব্ৰুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী ৰে'ল ষ্টেচনত শনিবাৰে পুৱা ১০ বজাৰ পৰা দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়িত হয়। বিজনী ৰে'ল ষ্টেচনত ১৫৯৫৯/৬০ আৰু ১৫৯৬১/৬২ কামৰূপ এক্সপ্ৰেছ, ১৩১৭৩/৭৪ শিয়ালদহ সাব্ৰম কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু ১৩১৭৫/৭৬ শিয়ালদহ- শিলচৰ কাঞ্চনজংঘা এ'প্ৰেছ, ১৫৬২৯/৩০ তাম্বাৰাম-শিলঘাট টাউন আৰু ১৫৯২৯/৩০ তাম্বাৰাম-নিউ তিনিচুকীয়া তাম্বাৰাম এক্সপ্ৰেছ, ১৫৯৪৫/৪৬ এল, টি, টি - ডিব্ৰুগড় আৰু ১৫৬৪৭/৪৮ এল.টি.টি - গুৱাহাটী এল.টি.টি এক্সপ্ৰেছসহ, ১৫৯২৫/২৬ ডিব্ৰুগড় - দেওঘৰ এক্সপ্ৰেছ এই কেইখন দূৰণিবটীয়া দ্ৰুতগামী ৰে'ল ৰখোৱাৰ লগতে অতি শীঘ্ৰেই ৰাজ্যখনত উপ-নগৰীয়া ৰে'ল সেৱাৰ ব্যৱস্থা কৰাৰ দাবীত বিজনী ৰে'লৱে যাত্ৰী অধিকাৰ মঞ্চৰ উদ্যোগত, বৃহত্তৰ বিজনীৰ বিভিন্ন দল-সংগঠন, ছাত্ৰ-যুৱ সমাজ, মহিলা সমাজ আৰু ৰাইজৰ সহযোগত বিজনী ৰে'ল ষ্টেচনত ৰূপায়ণ কৰা হয় উক্ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী। উক্ত অৱস্থান ধৰ্মঘট কাৰ্যসূচীত বিজনী ৰে'লৱে যাত্ৰী অধিকাৰ মঞ্চৰ কাৰ্যকৰী সভাপতি ৰবীন্দ্ৰনাথ দাসে অংশগ্ৰহণ কৰি কয় যে চিৰাং জিলাৰ বিজনী মহকুমাৰ সদৰ বিজনী আৰ্থ-সামাজিক আৰু শৈক্ষিক দিশত এখন অতি গুৰুত্বপূৰ্ণ চহৰ। বিজনী চহৰস্থিত ৰে'লৱে ষ্টেচনৰ পৰা দৈনিক সহস্ৰাধিক লোকে ৰে'লযোগে বিভিন্ন স্থানলৈ যাতায়াত কৰে। আমি লাভ কৰা বিভাগীয় তথ্য অনুসৰি বিজনী ৰে'লৱে ষ্টেচনৰ পৰা প্ৰতিদিনে গড়ে প্ৰায় ১, ১০০ যাত্ৰীয়ে ৰে'লযোগে যাতায়াত কৰে। এনেধৰণৰ ব্যস্ততাপূৰ্ণ তথা গুৰুত্বপূৰ্ণ ৰে'ল ষ্টেচনত একমাত্ৰ 'ব্ৰহ্মপুত্ৰ মেইল'ৰ বাহিৰে কোনো এখন দূৰণিবটীয়া দ্ৰুতগামী ৰে'লৰ ষ্টপ উপলব্ধ নাই। যাৰ বাবে নামনি অসমৰ ভিতৰতে ব্যৱসায়ৰ কেন্দ্ৰস্থলস্বৰূপ বৃহত্তৰ বিজনীৰ ৰাইজে ৰে'ল যাতায়াতৰ ক্ষেত্ৰত অনেক দুৰ্ভোগ ভুগি আহিছে। বৃহত্তৰ বিজনীৰ ৰাইজ 'তথা ৰে'ল যাত্ৰীৰ সুচল যাতায়াতৰ বাবে অনতিপলমে বিজনী ৰে'লৱে ষ্টেচনত দূৰণিবটীয়া দ্ৰুতগামী ৰে'ল ৰখোৱাৰ দাবীত উক্ত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত প্ৰতিবাদী কাৰ্যসূচীত অসম ৰে'ল যাত্ৰী সন্থাৰ সম্পাদক দীপাংকৰ শৰ্মা, বিজনী ৰে'লৱে যাত্ৰী অধিকাৰ মঞ্চৰ সভাপতি সুকুমাৰ বীৰ, সম্পাদকদ্বয় শুভংকৰ ঘোষ, ৰজন কান্তি সাহা, বিশিষ্ট চিকিৎসক তথা সমাজকৰ্মী ডাঃ ৰতন ৰায়, বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়, সমাজকৰ্মী পৰিমল চক্ৰৱৰ্তী, ডঃ সুবীৰ কুমাৰ দাস, বিজনী অধিবক্তা সংস্থা, আছু, আমছু, বিটিচি বাঙালী ফেডাৰেচন, অসম বাঙালী ফেডাৰেচন, অগপ, বিপিএফ আদি কৰি বিভিন্ন দল সংগঠনৰ প্ৰতিনিধিৰ লগতে বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। শেষত উক্ত দাবীৰ সমৰ্থনত বিজনী মহকুমাধিপতিৰ জৰিয়তে ভাৰত চৰকাৰে ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়।

# শালমৰাত পূব মাজুলী মহাবিদ্যালয়ৰ এন. এছ. এছ.ৰ বিশেষ শিবিৰ

**অসম বাৰ্তা, মাজুলী, ২২ ফেব্ৰুৱাৰী ঃ** "মই নহয়, তুমি"— এই মূলমন্ত্ৰৰে উদ্বুদ্ধ হৈ পূব মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটৰ উদ্যোগত আজিৰে পৰা মাজুলীৰ বানাক্ৰান্ত শালমৰা অঞ্চলত সাতদিনীয়া এক বিশেষ শিবিৰ আৰম্ভ হৈছে। শালমৰা যুৱক বিজয় মিলন সংঘত অনুষ্ঠিত এই শিবিৰৰ উদ্বোধনী সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰাই। পুৱা ১০: ৩০ বজাত বিশিষ্ট সমাজকৰ্মী তথা জিলা বন বিভাগৰ বিষয়া অতুল দাস, অধ্যক্ষ দিপক বৰা আৰু জেষ্ঠ সাংবাদিক দিবাকৰ শইকীয়াই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আৰু বন্তি প্ৰজ্বলনৰ সময়ত এন. এছ. এছ. লক্ষ্য গীতৰ সুৰৰ ধ্বনিয়ে এক গম্ভীৰ পৰিৱেশৰ সৃষ্টি কৰে। উদ্বোধক দাসে সাৰুৱা বক্তব্যৰে সভা উদ্বোধন কৰাৰ পাছতেই এন. এছ. এছ. কাৰ্যক্ৰম বিষয়া উত্তম শইকীয়াই আদৰণি ভাষণ প্ৰদান কৰি শিবিৰৰ লক্ষ্য আৰু উদ্দেশ্য ব্যাখ্যা কৰে। উদ্বোধনী সভাত মূল বক্তা হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিপিন চন্দ্ৰ বৰাই "দুৰ্যোগ প্ৰশমন আৰু যুৱশক্তি"ৰ ওপৰত এক সাৰুৱা ভাষণ আগবঢ়ায়। লগতে মুখ্য অতিথি দিবাকৰ শইকীয়াই স্বেচ্ছাসেৱকসকলক সমাজ সেৱাৰ প্ৰতি অনুপ্ৰাণিত কৰে। সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি মাজুলী জিলা কুমাৰ সন্মিলনৰ সভাপতি ডিম্বেশ্বৰ কলিতা, শান্তিপুৰ এল.পি. স্কুলৰ প্ৰধান শিক্ষক মুহিধৰ হাজৰিকা আৰু শালমৰা হাইস্কুলৰ সহকাৰী শিক্ষক লোহিত শইকীয়াই মূল্যবান ভাষণ প্ৰদান কৰে। বক্তাসকলে শালমৰাৰ ঐতিহাসিক মৃৎশিল্পৰ সুৰক্ষা আৰু বান-খহনীয়াৰ সৈতে মোকাবিলা কৰাত যুৱ প্ৰজন্মৰ দায়িত্বৰ বিষয়ে আলোকপাত কৰে। বিশেষকৈ, শালমৰা হাইস্কুলৰ সহকাৰী শিক্ষক লোহিত শইকীয়াই তেওঁৰ ভাষণত বৰ্তমান সময়ৰ এক জ্বলন্ত সমস্যাৰ বিষয়ে আলোকপাত কৰে। তেওঁ শিশু আৰু কিশোৰ-কিশোৰীসকলৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পোৱা ম'বাইল ফোনৰ আসক্তিৰ ভয়াবহতা সম্পৰ্কে উপস্থিত ৰাইজক অৱগত কৰে। ম'বাইল ফোনৰ অতিমাত্ৰা ব্যৱহাৰে কিদৰে ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু শাৰীৰিক বিকাশত বাধাৰ সৃষ্টি কৰিছে সেই বিষয়ে উল্লেখ কৰি তেওঁ এন. এছ. এছ. স্বেচ্ছাসেৱকসকলক গাঁৱে গাঁৱে গৈ অভিভাৱক আৰু শিশুসকলক এই বিষয়ে সজাগ কৰিবলৈ আহ্বান জনায়। সভাত মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী গোটৰ ক্ৰমে মানস জ্যোতি বৰা, অমূল্য ভূঞা, দিলীপ বৰুৱা, গৌতম শইকীয়া, অমৰজ্যোতি গায়ন, দন্দি ৰাম শইকীয়া অজিত বৰা আৰু শালমৰা গাঁৱৰ আইসকল উপস্থিত থাকে। সভাৰ শেষত সহকাৰী অধ্যাপক সূৰ্য কুমাৰ দলেয়ে শলাগৰ শৰাই আগবঢ়ায়। মধ্যাহ্ন ভোজনৰ পাছতেই শিবিৰৰ প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে স্বেচ্ছাসেৱকসকলে এক বিশেষ অভিযানত নামি পৰে। শিবিৰ পৰিচালক তথা প্ৰাক্তন স্বেচ্ছাসেৱক খগেন চমুৱাৰ নেতৃত্বত অৰ্ধশতাধিক স্বেচ্ছাসেৱকে বানাক্ৰান্ত শালমৰা গাঁৱত এক 'দুৰ্যোগ সম্ভাৱনীয়তা জৰীপ' (Village Vulnerability Survey) সম্পন্ন কৰে। এই জৰীপৰ জৰিয়তে স্বেচ্ছাসেৱকসকলে বানপীড়িত ৰাইজৰ সমস্যা আৰু প্ৰয়োজনীয়তাৰ তথ্য সংগ্ৰহ কৰে। অনাগত ৬ দিনত এই এন. এছ. এছ. গোটটোৱে অঞ্চলটোত স্বাস্থ্য সজাগতা, চাফাই অভিযান আৰু বিভিন্ন গঠনমূলক কাম-কাজ চলাই নিব বুলি এন এছ এছ কাৰ্যক্ৰম বিষয়াই জানিবলৈ দিয়ে।

## ছমৰীয়াত ডাঃ কমলাকান্ত কলিতাক দলীয় প্ৰাৰ্থিত্ব প্ৰদানৰ দাবী

# গৰৈমাৰীত অগপৰ সমষ্টিভিত্তিক সভা

**অসম বাৰ্তা, গৰৈমাৰী, ২২ ফেব্ৰুৱাৰী ঃ** আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীত আজি অসম গণ পৰিষদৰ ২৭নং ছমৰীয়া বিধানসভা সমষ্টিৰ উদ্যোগত এখন সমষ্টি ভিত্তিক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। অগপৰ ২৭নং ছমৰীয়া বিধানসভা সমষ্টি কমিটিৰ সভাপতি আব্দুৰ ৰহমানৰ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক ৰফিকুল ইছলামে। সভাত বিশেষকৈ আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি দলৰ সাংগঠনিক স্থিতি, সদস্যভৰ্তি অভিযান আৰু দলীয় কৰ্মসূচী শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰা হয়। ইপিনে সভাৰ অন্তত ছমৰীয়া বিধানসভা সমষ্টিৰ সভাপতি আব্দুৰ ৰহমানে সংবাদমেল সম্বোধন কৰি আসন্ন বিধানসভা নিৰ্বাচনত ছমৰীয়া সমষ্টিৰ পৰা প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাক দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ দাবী উত্থাপন কৰি এই দাবী কেন্দ্ৰীয় সমিতিলৈ প্ৰস্তাৱ হিচাপে প্ৰেৰণ কৰা হ'ব বুলি উল্লেখ কৰে। সংবাদমেলত তেওঁ কয় যে ডাঃ কমলাকান্ত কলিতাই অঞ্চলটোৰ জনসাধাৰণৰ মাজত সু-প্ৰতিষ্ঠিত আৰু গ্ৰহণযোগ্য ব্যক্তি হিচাপে পৰিচিত। তেওঁৰ প্ৰাৰ্থিত্ব দলৰ ফলাফল ইতিবাচক হ'ব বুলি প্ৰকাশ কৰে। ইপিনে কেন্দ্ৰীয় সমিতিয়ে যদি প্ৰাক্তন মন্ত্ৰী ডাঃ কমলাকান্ত কলিতাক ছমৰীয়া সমষ্টিত দলীয় প্ৰাৰ্থিত্ব হিচাপে প্ৰক্ষেপ নকৰে তেন্তে দলীয় আবেদন দাখিল কৰা অগপৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী স্থানীয় ব্যক্তি তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য আক্কাছ আলী আহমেদ, সাধাৰণ পৰিষদৰ সদস্য দোস্ত হাবিবুৰ ৰহমান, আব্দুছ ছামাদ তালুকদাৰ, আৰু অগপৰ যুৱ নেতা নুৰুল ইছলামৰ মাজৰ পৰা এজনক বিবেচনা কৰি দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰিবলৈ সংবাদমেলত অগপৰ কেন্দ্ৰীয় সমিতিক আহ্বান জনায়।

# বিজনীত আন্তঃৰ্জাতিক মাতৃভাষা দিৱস পালন

**অসম বাৰ্তা, বিজনী, ২২ ফেব্ৰুৱাৰী ঃ** আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ লগত সংগতি ৰাখি চিৰাং জিলাৰ বিজনীত শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয় আৰ্ন্তজাতিক মাতৃভাষা দিৱস। এই উপলক্ষে সদৌ বিটিচি বঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ উদ্যোগত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে দিৱসটো উদযাপন কৰা হয়। কাৰ্যসূচী মতে আৰম্ভণিতে সংগঠনৰ পতাকা উত্তোলন কৰে বিজনী আঞ্চলিক বিটিচি বাঙালী ফেডাৰেচনৰ সভাপতি গোবিন্দ সাহা আৰু তাৰ পিছত শ্বহীদসকলৰ স্মৃতিত শ্বহীদ তৰ্পণ কৰে। আৰ্ন্তজাতিক মাতৃভাষা দিৱসৰ লগত সংগতি ৰাখি সদৌ বিটিচি বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ নৱ নিৰ্মিত কাৰ্যালয় গৃহ উদ্বোধন কৰা হয়। তাৰ পিছতে আৰ্ন্তজাতিক মাতৃভাষা দিৱসৰ লগত সংগতি ৰাখি বিজনী আঞ্চলিক সমিতিৰ সভাপতি গোবিন্দ সাহাৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থকা বিশিষ্ট অতিথি সকল আৰ্ন্তজাতিক মাতৃভাষা দিৱসৰ ওপৰত আলোচনা কৰে। উক্ত সভাত সদৌ বিটিচি বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ কেন্দ্ৰীয় সভাপতি হৰেন দাস, কাৰ্যকৰী সভাপতি ব্ৰজগোপাল সৰকাৰ, সাধাৰণ সম্পাদক শুভ মজুমদাৰ, ২০ নং বিজনী বিধানসভা সমষ্টিৰ বিধায়ক অজয় কুমাৰ ৰায়, বিশিষ্ট সমাজসেৱক ড সুবীৰ কুমাৰ দাস, চিৰাং জিলা সমিতিৰ সভাপতি সুকদেৱ ৰাজবংশী সাধাৰণ সম্পাদক ৰাজু সাহা মণ্ডল আঞ্চলিক সমিতিৰ সভাপতি গোবিন্দ সাহা সাধাৰণ সম্পাদক প্ৰশান্ত বসুৰ লগতে কেন্দ্ৰীয়, জিলা, আঞ্চলিক শাখাৰ সদস্য-সদস্যা সহ বিভিন্ন সংগঠনৰ সদস্যসকলৰ লগতে বিজনী অঞ্চলৰ বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সভাত উপস্থিত বক্তাসকলে মাতৃ ভাষাৰ গুৰুত্ব, ভাষা সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু ভাষাৰ জৰিয়তে সংস্কৃতি ৰক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভাষণ প্ৰদান কৰে।

## বিদ্যুতৰ খুঁটাত খুন্দিওৱাক লৈ উত্তেজনা

# ৰূপহীহাটৰ ভাটিয়াখালীত তীব্ৰবেগী ডাম্পাৰৰ দৌৰাত্ম্য

**অসম বাৰ্তা, ৰূপহীহাট, ২২ ফেব্ৰুৱাৰী ঃ** ৰূপহীহাটৰ ১ নং ভাটিয়াখালীত উদণ্ড ডাম্পাৰে বিদ্যুতৰ খুটাত খুন্দা মৰাক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ইটা ভাটাৰ মাটি কঢ়িয়াই নিয়া ডাম্পাৰে ৰাস্তাৰ কাষত থকা বিদ্যুতৰ খুঁটাত খুন্দিৱাৰ ফলত উত্তেজনাৰ সূত্ৰপাত ঘটে। ডাম্পাৰৰ খুন্দাত বিদ্যুত পৰিবাহী তাঁৰ ছিঙি ভয়ংকৰ দুৰ্ঘটনাৰ পৰে যদিও স্থানীয় লোক কথমপি ৰক্ষা পৰে। তাৰ পাছতে ভাটিয়াখালীত থকা একাংশ ইটা ভাটাই যধে মধে ডাম্পাৰৰ দৌৰাত্ম চলোৱাক সৈ ৰাইজ উত্তেজিত হৈ পৰে। ইটা ভাটাত নিয়োজিত হোৱা ট্ৰেক্টৰ আৰু ডাম্পাৰ দৌৰাত্ম্যাই নিতৌ বাটে পথে স্থানীয় ৰাইজক জ্বলাকলা দি আহিছে। আনকি উদণ্ড ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্মৰ ফলত পথৰ অৱস্থা শোচনীয় হৈ পৰিছে। বিয়লিৰ ভাগত বিদ্যুতৰ খুঁটাত খুন্দিওৱা ডাম্পাৰ বাহন খনৰ নম্বৰ এএছ-০৪-এচি-৬৬৭৮বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে ডাম্পাৰ বাহনখন জব্দ কৰি থানালৈ লৈ আহে বুলি জানিব পৰা গৈছে।




## শিল্পী জ্ঞানেন্দ্ৰ কুমাৰ চলিহাক সম্বৰ্ধনা

# শিল্পী সমাজ টংলাৰ দশম দ্বি-বাৰ্ষিক অধিৱেশন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২২ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ শিল্পী সমাজ, টংলাৰ দশম দ্বি-বাৰ্ষিক অধিৱেশনখনি নেচনেল পায়'নিয়াৰ চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰাংগণত অনুষ্ঠিত হয়। শিল্পী সমাজ, টংলাৰ সভাপতি ড: নাৰায়ণ বড়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰে টংলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা প্ৰাৰ্থনা বুঢ়াগোঁহাইয়ে। ওদালগুৰি জিলা জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি ঘন কান্ত ডেকাই উদ্বোধন কৰা সভাত বিশিষ্ট সমাজ সেৱক বিকন চন্দ্ৰ ডেকা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্য চিণ্টুমণি চক্ৰৱৰ্তী, টংলা বাদ্যযন্ত্ৰী শিল্পী মঞ্চৰ সভাপতি জিতু ডেকা ব্ৰহ্ম, লোকসংগীতৰ সাধক চিৰঞ্জীৱ কাশ্যপ, বৰঘৰ জনগোষ্ঠীয় ঐক্যমঞ্চৰ সভাপতি চৈয়দ জল হক, মঙ্গলদৈ মহকুমা অবিবি শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক মোহন কলিতা, বিপিএফৰ কেন্দ্ৰীয় সম্পাদক ড° জয়ন্ত কুমাৰ ভট্টাচাৰ্য, সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ স্থায়ী সমিতিৰ প্ৰাক্তন সভাপতি প্ৰমোদ হাজৰিকা, টংলা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা সুলোচনা ডেকা উপস্থিত থাকে। সভাত কমলেশ্বৰ ৰাভা, প্ৰিয়াংশু দে'ৰ লগতে কেবা গৰাকীও গীত পৰিৱেশন কৰে। শিল্পী সমাজ টংলাৰ শিল্পীবৃন্দই পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ কৰা আৰু সম্পাদক বলেন চহৰীয়াই আঁত ধৰা সভাত প্ৰতিষ্ঠাপক সম্পাদক, বিশিষ্ট সংগীত শিল্পী জ্ঞানেন্দ্ৰ কুমাৰ চলিহাক বিপুল ভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। পুৱাৰ ভাগত বন্তি প্ৰজ্বলন কৰে শিল্পী সমাজ টংলাৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱাই। শিল্পী সমাজ টংলাৰ সভাপতি ড° নাৰায়ণ বড়াই পতাকা উত্তোলন কৰা পিছতে বৰেণ্য শিল্পীলৈ তৰ্পণ কাৰ্যসূচী উপ সভানেত্ৰী নিবেদিতা ডেকা বৰুৱাই ৰূপায়ণ কৰে। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পবিত্ৰ স্মৃতিত নাহৰৰ পুলি ৰোপণ কৰে জুবিন গাৰ্গ ফেন ক্লাব, টংলাৰ উপদেষ্টা কনক সেন ডেকাই। আনহাতে শিল্পী সমাজ, টংলাৰ ২০২৬-২০২৮ বৰ্ষৰ বাবে নিবেদিতা ডেকা বৰুৱা সভাপতি, জোনমণি শইকীয়া উপ সভাপতি, গায়ত্ৰী দেৱী সম্পাদক, যত্না ৰাভা সহকাৰী সম্পাদক, অনুপমা দেৱী সাংগঠনিক সম্পাদক, কিৰণ ডেকা আৰু অনিমা নাথ সাংস্কৃতিক সম্পাদক হিচাপে নিৰ্বাচিত হৈছে।

# অসম নাট্য সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ দ্বি বাৰ্ষিক অধিৱেশন সম্পন্ন, নতুন সমিতি গঠন



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২২ ফেব্ৰুৱাৰী ঃ** অসম নাট্য সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ দ্বি বাৰ্ষিক অধিৱেশনখনি যোৱা ২১ ফেব্ৰুৱাৰীত অনুষ্টুপীয়াকৈ ৰূপাই চাইডিংস্থিত টাই আহোম কলা কেন্দ্ৰত অনুষ্ঠিত হয়। অসম নাট্য সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি বিপুল ফুকনৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাখনত আৰম্ভণিতে জিলা সম্পাদক জয়সূৰ্য বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰাৰ লগতে সম্পাদকীয় আৰু বিত্তীয় প্ৰতিবেদন পাঠ কৰে। উপস্থিত সকলোৱে এই দুয়োখন প্ৰতিবেদন গ্ৰহণ কৰে। ইয়াৰ পাছতে সাংগঠনিক দিশৰ ওপৰত বিভিন্ন পৰামৰ্শমূলক আলোচনা আগবঢ়াই বক্তব্য প্ৰদান কৰে ক্ৰমে ডিৰাক-মাইথাং সূত্ৰধাৰ শাখাৰ সভাপতি মানৱ সোণোৱাল, ডুমডুমা শাখাৰ সভাপতি দেৱেন ডেকা, ৰূপাই শাখাৰ সভাপতি ৰাজীৱ শৰ্মা আৰু ডুমডুমা শাখাৰ সম্পাদক মনোজ বৰুৱাই। ইয়াৰ উপৰিও সভাখনত পৰ্যবেক্ষক ৰূপে উপস্থিত থকা অসম নাট্য সন্মিলন, সৌমাৰপীঠ মণ্ডলৰ প্ৰাক্তন সম্পাদক তথা কেন্দ্ৰীয় সমিতিৰ নৱ নিৰ্বাচিত সহকাৰী সাধাৰণ সম্পাদক ডায়মণ্ড পাটোৱাৰীয়ে অসম নাট্য সন্মিলনৰ বিভিন্ন দিশ সামৰি বক্তব্য প্ৰদান কৰে। সৌমাৰপীঠ মণ্ডলৰ ভাৰপ্ৰাপ্ত সম্পাদক তথা কেন্দ্ৰীয় সমিতিৰ নৱ নিৰ্বাচিত সাংগঠনিক সম্পাদক সাৰংগ নাথ, সৌমাৰপীঠ মণ্ডলৰ নৱ নিৰ্বাচিত সহকাৰী সম্পাদক দেৱেন ডেকাৰ লগতে জিলাখনৰ অন্তৰ্গত শাখাসমূহৰ প্ৰতিনিধি উপস্থিত থকা এই সভাত পুৰণি সমিতিৰ হৈ সভাপতি বিপুল ফুকনে পদত্যাগ কৰাৰ পাছত অসম নাট্য সন্মিলন, তিনিচুকীয়া জিলা সমিতিৰ নতুন সমিতিখন গঠন কৰা হয়। সভাই আগন্তুক কাৰ্যকালৰ বাবে জয়সূৰ্য বৰাক সভাপতি, ধ্ৰুৱ ভটাচাৰ্যক উপ-সভাপতি, অৰিন্দম বৰবৰাক সম্পাদক, সপোন জ্যোতি বৰুৱাক কোষাধ্যক্ষ, ৰিদিপ বৰাক সাংগঠনিক সম্পাদক, ৰঞ্জিত গগৈক প্ৰচাৰ সম্পাদক আৰু খঞ্জন শইকীয়াক কাৰ্যালয় সম্পাদক হিচাপে দায়িত্ব অপণ কৰি ২১ জনীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰি দিয়ে। নৱ-নিৰ্বাচিত সভাপতি জয়সূৰ্য বৰা আৰু সম্পাদক অৰিন্দম বৰবৰাই অনাগত দিনত অসম নাট্য সন্মিলন, তিনিচুকীয়া জিলা সমিতিখনক অধিক সক্ৰিয়তাৰে আগবঢ়াই নিব বুলি মত প্ৰকাশ কৰে।

# পূব মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনাৰ সাতদিনীয়া শিৱিৰ আৰম্ভ

**অসম বাৰ্তা, বনগাঁও, ২২ ফেব্ৰুৱাৰী ঃ** পূব মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা ( National Service Sheme) গোটৰ সাতদিনীয়া এটি শিৱিৰ ২১ ফেব্ৰুৱাৰীৰ পৰা বান আৰু খহনীয়াত বিধস্ত বৃহতৰ শালমৰাত আৰম্ভ হয়। শালমৰা যুৱক বিজয় মিলন সংঘত সেই উদ্দেশ্য অনুষ্ঠিত হোৱা উদ্বোধনী সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ দীপক বৰাই পৌৰহিত্বত কৰে। পুৱা ১১-৩০বজাৰ পৰা আৰম্ভ হোৱা উদ্বোধনী সভাত বিশিষ্ট সমাজ কৰ্ম্মী আঞ্চলিক বন বিষয়া অতুল দাস, অধ্যক্ষ দীপক বৰা, জ্যেষ্ঠ সাংবাদিক দিবাকৰ শইকীয়াই একোগছিকৈ বন্তি প্ৰজ্বলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ২১ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ আৰম্ভ হ'বলগীয়া শিৱিৰৰ প্ৰথম দিনা উদ্বোধনী অনুষ্ঠানটিত এন এছ এছ কাৰ্যক্ৰম বিষয়া উত্তম শইকীয়াই আঁত ধৰাৰ উপৰিও আদৰণী ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক বিপিন চন্দ্ৰ বৰাই 'দুযোৰ্গ প্ৰশমন আৰু যুৱশক্তি' শীৰ্ষক বিষয়ত নিৰ্দ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে। মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়াই সভাত আমন্ত্ৰিত মুখ্য অতিথি হিচাবে উপস্থিত থাকি বান আৰু খহনীয়াৰ অতিস্পৰ্শকাতৰ শালমৰা অঞ্চলটি এন এছ এছ গোটে নিৰ্বাচন কৰাত সন্তোষ প্ৰকাশ কৰি গাঁওখনত দীৰ্ঘ বছৰ ধৰি অৱহেলিত হৈ থকা নৌকা শিল্প, মৃৎশিল্পৰ মৃত প্ৰায় অৱস্থাৰ বিভিন্ন দিশ ৰাইজৰে তথ্য জৰীপ কৰাটো গোটৰ উল্লেক্ষনীয় দিশ হ'ব বুলি ভাষণত উল্লেখ কৰে। তদুপৰি প্ৰকৃতি সৃষ্ট দুযোৰ্গ আৰু মানৱসৃষ্ট দুযোৰ্গৰ ক্ষেত্ৰত ৰাইজক ল'বলগীয়া তৎক্ষাণিক সাৱধানতাৰ বিষয়েও গাঁওবাসীক স্থলীতে কেতবোৰ পৰামৰ্শ আগবঢ়োৱাৰ লগতে বছৰৰ পিছত বছৰ ধৰি নদী কাষৰীয়া গাঁওখনত হৈ থকা বানপানীৰ সময়ত আৰু ইয়াৰ পিছত ল'বলগীয়া সাৱধানতাৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক ৰাইজৰ মাজত সচেতনতা সৃষ্টিৰ আহ্বানৰে স্বেচ্ছাসেৱক সকলক সমাজসেৱাৰ প্ৰতি অনুপ্ৰাণিত কৰে। প্ৰসংগত মুখ্য অতিথি গৰাকীয়ে সামাজিক ব্যাধি হিচাবে সমাজ থিয় দিয়া ধপাঁত জাতীয় দ্ৰব্য সেৱৰ ফলত মানৱ দেহৰ ক্ষতিৰ পৰা ৰাইজক ৰক্ষা কৰা আৰু বাল্য বিবাহ বিৰোধে ৰাইজক অধিক সজাগ কৰি তোলাৰ ক্ষেত্ৰতো সাতদিনীয়া শিৱিৰত জনসচেতনা বৃদ্ধিৰো আহ্বান জনায়। মাজুলী জিলা কুমাৰ সন্মিলৰ সভাপতি ডিম্বেশ্বৰ কলিতা, শালমৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ বিজ্ঞান শিক্ষক লোহিত শইকীয়া, শান্তিপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মুহিধৰ হাজৰিকাই সভাত বিশিষ্ট অতিথিৰ ভাষণ প্ৰদান কৰে। বক্তাসকলে শিশু আৰু কিশোৰী সকলৰ মাজত ম'বাইল ফোনৰ প্ৰতি বৃদ্ধি পোৱা ভয়াবহ আসক্তিৰ সম্পৰ্কত ৰাইজক অৱগত কৰে। সভাত মহাবিদ্যালয়ৰ শিক্ষক কৰ্ম্মচাৰী গোটৰ মানস জ্যোতি বৰা, অমুল্য ভূঞা, দিলীপ বৰুৱা, গৌতম শইকীয়া, অমৰ জ্যোতি গায়ন, দণ্ডিৰাম শইকীয়া, অজিত বৰা আদি কৰি শালমৰা গাঁৱৰ আইসকল উপস্থিত থাকে। সহকাৰী শিক্ষক সূৰ্যকুমাৰ দলেয়ে সভাত শলাগৰ শৰাই প্ৰদান কৰে।

# অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সফলতা লাভ কৰা ডুমডুমাৰ অংশুমানক বিভিন্ন দল-সংগঠনৰ সম্বৰ্ধনা জ্ঞাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২২ ফেব্ৰুৱাৰী ঃ** সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ডুমডুমা চহৰৰ একমাত্ৰ প্ৰাৰ্থী তথা চহৰখনৰ ৰ'টাৰী পথৰ নিবাসী বিশিষ্ট অধিবক্তা সত্যেন বুঢ়াগোহাঁই আৰু দিপালী বুঢ়াগোহাঁইৰ কনিষ্ঠ পুত্ৰ অংশুমান বুঢ়াগোহাঁয়ে সফলতা অৰ্জন কৰি ডুমডুমালৈ গৌৰৱ কঢ়িয়াই অনা বাবে কালি সন্ধিয়া সদৌ টাই আহোম ছাত্ৰ সন্থা (আটাছু)ৰ ডুমডুমা আঞ্চলিক সমিতি আৰু টাই আহোম যুৱ পৰিষদ, অসম (টাইপা)ৰ একোটা প্ৰতিনিধি দল তেওঁলোকৰ ঘৰলৈ গৈ সুকীয়া সুকীয়াকৈ মানপত্ৰ, আহোমৰ টুপী-চাদৰ-প্ৰতীক আদিৰে তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰে। আটাছুৰ ডুমডুমা আঞ্চলিক সমিতিৰ সভাপতি ৰাহুল আৰন্ধৰা আৰু টাইপাৰ সভাপতি প্ৰসন্নপ্ৰাণ ফুকনৰ নেতৃত্বত তেওঁলোকে এই সম্বৰ্ধনা জনায়। দলটোত আটাছুৰ মনোজ গগৈ, লক্ষ্যজিত বৰা, টাইপাৰ অৰুণজ্যোতি দিহিঙীয়া, পঙ্কজ কোঁৱৰ আদি উপস্থিত আছিল। ডুমডুমা শতদল শাখা সাহিত্য সভা আৰু ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিৰ পৰাও একোটা প্ৰতিনিধি দল তেওঁলোকৰ ঘৰলৈ কালি সন্ধিয়া গৈ গামোচা, চেলেং, জাপি, কিতাপৰ টোপোলা আদিৰে তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰে। শাখাৰ সভাপতি তথা নাট্য মন্দিৰ সমিতিৰ ভাৰপ্ৰাপ্ত সম্পাদক দেৱেন ডেকাৰ নেতৃত্বত যোৱা দলটোত ত্ৰিদীপ ডেকা, নিত্যানন্দ দাস, কুলধৰ বৰ্মন, শুভাশীষ মল্লিক, নিত্য চৌধুৰী, অৰ্জুন বৰুৱা আদি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আছিল। আনহাতে, ডুমডুমা আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক সমুজ্জল বড়া সোণোৱালৰ নেতৃত্বত ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলেও তেওঁক মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

# বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ প্ৰচাৰ বিভাগৰ দুদিনীয়া কৰ্মশালাৰ সমাপ্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২২ ফেব্ৰুৱাৰী ঃ** বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ প্ৰচাৰ বিভাগৰ ২১ আৰু ২২ ফেব্ৰুৱাৰীত আয়োজিত হোৱা দুদিনীয়া কৰ্মশালা আৰু চিন্তা-মন্থন বৈঠক সফলভাৱে সম্পন্ন হৈ যায়। গুৱাহাটী জু-ৰোডস্থিত অসম প্ৰকাশন ভাৰতীৰ প্ৰেক্ষাগৃহত পূৰ্বোত্তৰ ক্ষেত্ৰৰ প্ৰচাৰ সংযোজক বিকাশ শৰ্মাৰ তত্ত্বাৱধানত আয়োজিত এই গুৰুত্বপূৰ্ণ বৈঠকত সংগঠনমূলক দিশ আৰু আধুনিক প্ৰচাৰ কৌশল সন্দৰ্ভত গভীৰ আলোচনা কৰা হয়। শিশু শিক্ষা সমিতি অসমৰ প্ৰচাৰ সংযোজক মুকুটেশ্বৰ গোস্বামীয়ে জানিবলৈ দিয়া মতে, বৈঠকত মাৰ্গদৰ্শন আগবঢ়ায় বিদ্যা ভাৰতী উচ্চ শিক্ষা সংস্থানৰ সংগঠন মন্ত্ৰী ড° কে এন ৰঘুনন্দন, বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সংগঠন মন্ত্ৰী ড° পৱন তিৱাৰী, বিদ্যা ভাৰতী পূৰ্বোত্তৰ ক্ষেত্ৰৰ সাধাৰণ সম্পাদক ড°জগদীন্দ্ৰ ৰায়চোধুৰীয়ে। কৰ্মশালাখন উদ্বোধন কৰি ড° পৱন তিৱাৰীয়ে কয় যে "প্ৰচাৰ বিভাগৰ দায়িত্ব ব্যক্তি-কেন্দ্ৰিক নহয়; ই হৈছে বিচাৰ, আদৰ্শ আৰু সংগঠনমূলক দৃষ্টিভংগীৰ সঠিক আৰু সৃজনশীল প্ৰসাৰ। সমাজত ইতিবাচক নেৰেটিভ গঢ়ি তোলাটো আমাৰ প্ৰাথমিক কৰ্তব্য।" কৰ্মশালাখনত শিশু শিক্ষা সমিতি, উত্তৰ অসম প্ৰান্তৰ বিভাগ প্ৰচাৰ সংযোজক মুকুটেশ্বৰ গোস্বামী, বিদ্যা ভাৰতী সংবাদৰ সম্পাদিকা গায়ত্ৰী গোস্বামী, উত্তৰ অসম প্ৰান্ত চচিয়েল মিডিয়া প্ৰমুখ সঞ্জীৱ ডেকা, মেঘালয় প্ৰান্তৰ প্ৰচাৰ সংযোজক বিবেক তিৱাৰী, দক্ষিণ অসম প্ৰান্তৰ প্ৰচাৰ সংযোজক কুনলজিৎ দেৱ প্ৰমুখ্যে উত্তৰ-পূব ক্ষেত্ৰৰ মুঠ ১৮ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। দুদিনীয়া এই কৰ্মশালাত প্ৰচাৰ বিভাগৰ বাবে আৱশ্যকীয় ডিজিটেল উপকৰণৰ ব্যৱহাৰ, নতুন যোজনা প্ৰস্তুতকৰণ, কণ্টেণ্ট ডেভেলপমেণ্ট, সামাজিক মাধ্যম ব্যৱস্থাপনা আৰু সংগঠনৰ ইতিবাচক নেৰেটিভ গঢ়ি তোলাৰ কৌশল সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। কৰ্মশালাৰ অন্তত অংশগ্ৰহণকাৰীসকলে আগন্তুক সময়ত সংগঠনৰ আদৰ্শ আৰু কাৰ্যসূচীক সমাজৰ মাজত অধিক সুসংগঠিত আৰু সৃজনশীলভাৱে উপস্থাপন কৰাৰ সংকল্প গ্ৰহণ কৰে।

## ভয়াৱহ বায়ু প্ৰদূষণৰ গ্ৰাসত মহানগৰী

বাবে প্ৰতি বছৰে এই সময়ত প্ৰদূষণৰ মাত্ৰা বৃদ্ধি পায়। এইবাৰো ব্যতিক্ৰম নহয় যদিও পূৰ্বৰ দুই-তিনি বছৰৰ তুলনাত AQI কিছু উন্নত হৈছে। তথাপি বৰ্তমানৰ অৱস্থা স্বাস্থ্যৰ বাবে অতি বিপজ্জনক। প্ৰদূষণৰ মূল কাৰণসমূহৰ ভিতৰত নিৰ্মাণকাৰ্যৰ ধূলিৰ অৰিহণা সৰ্বাধিক, যিয়ে প্ৰায় ৩২ শতাংশ। তাৰ পিছত যান-বাহনৰ ধোঁৱাৰ পৰা ১৯ শতাংশ, কল-কাৰখানাৰ ধোঁৱাৰ পৰা ১৬ শতাংশ আৰু কাঠ, কয়লা বা জৈৱ ইন্ধন জ্বলোৱাৰ পৰা ৯ শতাংশ। বিশেষকৈ অতি সূক্ষ্ম PM 2.5 ধূলিকণাৰ ক্ষেত্ৰত যান-বাহনৰ অৰিহণা ৫২ শতাংশ, পথৰ ধূলি ১৬ শতাংশ, ব্যৱসায়িক ৰন্ধন আৰু ঘৰুৱা ধোঁৱা ১৬ শতাংশ। PM 10 আৰু PM 2.5 দুয়োবিধ ধূলিকণাই নাকেৰে শৰীৰত সোমাই হাওঁফাওঁ, হৃদযন্ত্ৰ আৰু অন্যান্য অংগৰ গুৰুতৰ ক্ষতি কৰে। ড° মিশ্ৰই অধিক জনোৱা মতে গুৱাহাটীৰ বামুণীমৈদাম অঞ্চলত প্ৰদূষণৰ মাত্ৰা সৰ্বাধিক। নিৰ্মাণ স্থানত ধূলি ঢাকি ৰখা, দিনত কেইবাবাৰো পানী ছটিয়াই ৰখা আদি ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেও অৱস্থা অধিক জটিল হৈছে। ব্ৰহ্মপুত্ৰৰ পাৰৰ বালি উৰি অহাৰ ফলতো ধূলিৰ মাত্ৰা বৃদ্ধি পাইছে। আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ড° সঞ্জয় অ'নৈইল শ্বই জনোৱা মতে আগন্তুক পাঁচ-সাত দিনত অসমৰ কিছুমান অঞ্চলত পাতলীয়া বৰষুণ হ'ব পাৰে যদিও গুৱাহাটী আৰু তাৰ পাৰ্শ্বৱৰ্তী অঞ্চলত বতৰ ডাৱৰীয়া হৈ থাকিব আৰু বৰষুণৰ সম্ভাৱনা কম। বৰষুণ হ'লে প্ৰদূষণৰ মাত্ৰা হ্ৰাস পাব যদিও এপ্ৰিললৈকে পৰিস্থিতি একে থাকিব পাৰে। বিজ্ঞানীগৰাকীয়ে ৰাইজক এই সময়ছোৱাত বিশেষ সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। বাহিৰলৈ ওলালে N95 বা ভাল মানদণ্ডৰ মাস্ক পিন্ধিব লাগিব। অযথা বাহিৰত নাযাব, বিশেষকৈ সৰু ল'ৰা-ছোৱালী, বয়স্ক লোক আৰু শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত লোকে অধিক সতৰ্ক হ'ব লাগিব। নিৰ্মাণ স্থানৰ ওচৰত অধিক সাৱধান হ'ব লাগিব। গুৱাহাটীৰ এই বায়ু প্ৰদূষণৰ অৱস্থাই মহানগৰবাসীৰ স্বাস্থ্যৰ প্ৰতি গুৰুতৰ আশংকাৰ সৃষ্টি কৰিছে আৰু চৰকাৰী-বেচৰকাৰী সকলোৰে যুঁজা-যুঁজিৰ প্ৰয়োজনীয়তাক পুনৰ উত্থাপন কৰিছে।

## উত্তৰ কোৰিয়াৰ নৱম পাৰ্টি কংগ্ৰেছত কিম জং

সংবাদ সংস্থা কোৰিয়ান চেণ্ট্ৰেল নিউজ এজেন্সী (KCNA)য়ে সোমবাৰে এই কথা প্ৰকাশ কৰিছে। KCNAৰ প্ৰতিবেদন অনুসৰি, এই সিদ্ধান্ত কংগ্ৰেছৰ চতুৰ্থ দিনত (দেওবাৰে) সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈছে। পাৰ্টিৰ সদস্য, নাগৰিক আৰু সৈন্যসকলৰ "অটল" সমৰ্থন আৰু দেশৰ পাৰমাণৱিক শক্তিভিত্তিক যুদ্ধ প্ৰতিৰোধ ক্ষমতা শক্তিশালী কৰাৰ ক্ষেত্ৰত কিমৰ নেতৃত্বক কৃতিত্ব দি এই নিৰ্বাচন অনুষ্ঠিত হৈছে। কংগ্ৰেছে কিমক "দেশৰ একতা আৰু নেতৃত্বৰ কেন্দ্ৰবিন্দু" বুলি বৰ্ণনা কৰিছে। KCNAয়ে উল্লেখ কৰিছে যে, "উত্তৰ কোৰিয়াৰ ৱৰ্কাৰ্ছ পাৰ্টিৰ নৱম কংগ্ৰেছে পাৰ্টিৰ উন্নয়ন আৰু ৰাষ্ট্ৰৰ সমৃদ্ধিৰ বাবে কিম জং উনক WPKৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰাৰ সিদ্ধান্ত লৈছে।" এই কংগ্ৰেছ ১৯ ফেব্ৰুৱাৰীত আৰম্ভ হৈছে আৰু ই দেশখনৰ সৰ্বোচ্চ নীতি-নিৰ্ধাৰণকাৰী সভা। পৰম্পৰা অনুসৰি প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে অনুষ্ঠিত এই কংগ্ৰেছে অনাগত পাঁচ বছৰৰ বাবে অৰ্থনৈতিক, প্ৰতিৰক্ষা আৰু কূটনৈতিক নীতি নিৰ্ধাৰণ কৰে। পাৰ্টিৰ নিয়ম অনুসৰি প্ৰতিটো কংগ্ৰেছত সাধাৰণ সম্পাদকৰ নিৰ্বাচন বাধ্যতামূলক। কংগ্ৰেছে কিমৰ নেতৃত্বত "যিকোনো আগ্ৰাসনৰ ভাবুকিৰ সৈতে মোকাবিলা কৰিব পৰা বিপ-ৱী সশস্ত্ৰ বাহিনী" গঢ়ি তোলাৰ লগতে আন্তঃৰাষ্ট্ৰীয় নিষেধাজ্ঞা আৰু বাহ্যিক চাপ সত্ত্বেও পাৰমাণৱিক শক্তিক কেন্দ্ৰ কৰি যুদ্ধ প্ৰতিৰোধ ক্ষমতা "আমূলভাৱে উন্নত" হোৱাৰ প্ৰশংসা কৰিছে। WPKৰ সম্পাদক ৰি ইল-হৱানে ভাষণত কিমক "দেশক সমৃদ্ধি আৰু ধাৰাবাহিক উন্নয়নৰ দিশত আগুৱাই নিব পৰা একমাত্ৰ নেতা" বুলি বৰ্ণনা কৰে। ইফালে, পাৰ্টিৰ সংশোধিত নিয়মসমূহ গ্ৰহণ কৰা হৈছে যদিও ইয়াৰ বিতং তথ্য প্ৰকাশ কৰা হোৱা নাই। নতুন কেন্দ্ৰীয় সমিতি নিৰ্বাচিত কৰা হৈছে, য'ত চুই ৰয়ং-হেৰ দৰে কেইবাজনো জ্যেষ্ঠ বিষয়াৰ অনুপস্থিতিয়ে নেতৃত্বত সম্ভাব্য সালসলনি বা প্ৰজন্ম পৰিৱৰ্তনৰ ইংগিত দিছে। দক্ষিণ কোৰিয়াৰ একত্ৰীকৰণ মন্ত্ৰালয়ে কয় যে, এই কংগ্ৰেছ মূলতঃ কিমৰ নেতৃত্ব সুসংহত কৰাৰ ওপৰত কেন্দ্ৰীভূত আছিল। বৈদেশিক সম্পৰ্কৰ ক্ষেত্ৰত বাৰ্তা প্ৰেৰণ সীমিত ৰখা হৈছে। মন্ত্ৰালয়ৰ মুখপাত্ৰ ইউন মিন-হোৱে কয় যে, "বাহ্যিক বাৰ্তাসমূহ ন্যূনতম কৰি ৰখা হৈছে আৰু বৈঠকৰ তথ্য অতি সীমিত পৰ্যায়ত মুকলি কৰা হৈছে।" উল্লেখ্য যে, এই নৱম কংগ্ৰেছ ২০২১ চনৰ অষ্টম কংগ্ৰেছৰ পিছত প্ৰথম। বৈঠকৰ শেষত পাৰ্টিয়ে নতুন পাঁচ বছৰীয়া নীতিগত লক্ষ্যসমূহ ঘোষণা কৰাৰ সম্ভাৱনা আছে, য'ত অৰ্থনৈতিক নিৰ্মাণ আৰু জনসাধাৰণৰ জীৱন-মান উন্নত কৰাৰ ওপৰত গুৰুত্ব দিয়া হ'ব বুলি ধাৰণা কৰা হৈছে। এই ঘটনাই কিমৰ ক্ষমতাৰ অটলতাক আৰু অধিক সুসংহত কৰিছে বুলি বিশে-ষকসকলে মত প্ৰকাশ কৰিছে।

## 'পাকিস্তানী সম্পদ ভাৰতীয়

বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈক "পাকিস্তানী সম্পদ" বুলি স্পষ্টভাৱে বৰ্ণনা কৰিছে। দলৰ মুখপাত্ৰ কল্যাণ গগৈ আৰু পেনেলিষ্ট প্ৰিয়ংকা তামুলীৰ উপস্থিতিত অনুষ্ঠিত এই সংবাদমেলত শৰ্মাই কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত গঠিত বিশেষ তদন্তকাৰী দল (এছআইটি)ৰ প্ৰতিবেদনত গৌৰৱ গগৈ আৰু তেওঁৰ পত্নীৰ পাকিস্তানৰ সৈতে থকা সম্পৰ্কৰ বিস্তৃত তথ্য প্ৰকাশ পাইছে। এই প্ৰতিবেদন ইতিমধ্যে ৰাজহুৱা কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ অভিযোগ কৰে যে, গৌৰৱ গগৈয়ে পাকিস্তানৰ সহায়ত অসমত অস্থিৰতা সৃষ্টিৰ ষড়যন্ত্ৰ ৰচিছে। শৰ্মাই অধিক ব্যাখ্যা কৰি কয় যে, সমগ্ৰ ভাৰতবৰ্ষতে— অসমতো— কোনো "পাকিস্তানী সম্পদ" বিকশিত হ'বলৈ ভাৰতীয় জনতা পাৰ্টিয়ে কেতিয়াও অনুমতি নিদিয়ে। পাকিস্তানে সন্ত্ৰাসবাদৰ সহায়ত ভাৰতৰ অভ্যন্তৰীণ নিৰাপত্তা বিঘ্নিত কৰাৰ লক্ষ্যৰে সদায় ষড়যন্ত্ৰ ৰচি আহিছে। চিৰবৈৰী এই দেশখনৰ এনে অপকৰ্মৰ অংশীদাৰ হোৱা শক্তিসমূহক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কঠোৰ হাতেৰে দমন কৰি আহিছে, কোনো কৃপণতা নকৰাকৈ। অসমতো এই দিশত কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰি শৰ্মাই কয় যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ৰাজ্য চৰকাৰে গঠন কৰা এছআইটিয়ে প্ৰকাশ কৰা প্ৰতিবেদনে গৌৰৱ গগৈ আৰু তেওঁৰ পৰিয়ালৰ "অসম তথা ভাৰত বিৰোধী চৰিত্ৰ" স্পষ্ট কৰি তুলিছে। "পাকিস্তানী সম্পদ" হিচাপে বিকশিত হ'বলৈ চেষ্টা কৰা এই ষড়যন্ত্ৰক এছআইটিৰ প্ৰতিবেদনে পোহৰলৈ আনিছে। [illegible] দেশবিৰোধী এনে অপশক্তিক সমূলি ধ্বংস কৰি দিয়াৰ দায়িত্ব [illegible] ৬৫ লাখতকৈও অধিক কৰ্মীয়ে নিষ্ঠাৰে পালন কৰিব। বিজেপিৰ বিবৃতিত অধিক উল্লেখ কৰা হৈছে যে, কংগ্ৰেছ দল কেৱল অসম আৰু অসমীয়াৰ শত্ৰু নহয়, ই সমগ্ৰ ভাৰতবৰ্ষ, ভাৰতীয়ত্ব আৰু সনাতনী পৰম্পৰাৰো শত্ৰু। দিল্লীত অনুষ্ঠিত "AI Impact Summit"ত কংগ্ৰেছৰ কিছুমান যুৱ কৰ্মীয়ে পোছাক খুলি অৰ্ধনগ্ন হৈ প্ৰতিবাদ কৰি এক অভূতপূৰ্ব আৰু নিন্দনীয় কাৰ্য সম্পাদন কৰিছে। এই ঘটনাক লৈ কটাক্ষ কৰি ৰঞ্জীৱ কুমাৰ শৰ্মাই কয় যে, কংগ্ৰেছে নিজৰ "উলংগ স্বৰূপ" ৰাইজৰ আগত তুলি ধৰিছে। বিদেশী শক্তিৰ সৈতে মিলি দেশৰ গৌৰৱ লাঘৱ কৰাৰ কামত লিপ্ত কংগ্ৰেছৰ এই উলংগ স্বৰূপ ইতিমধ্যে দেশবাসীৰ সন্মুখত স্পষ্ট হৈ পৰিছে। আচলতে বৰ্তমান কংগ্ৰেছ দল সম্পূৰ্ণ নীতিহীন হৈ পৰিছে। বিজেপিয়ে এই সকলোবোৰ অভিযোগৰ জৰিয়তে কংগ্ৰেছক ৰাজনৈতিকভাৱে আক্ৰমণ কৰি অহা নিৰ্বাচনত সুবিধা ল'বলৈ চেষ্টা কৰা বুলি দেখা গৈছে, যদিও কংগ্ৰেছ নেতৃত্বই এই অভিযোগসমূহক ভিত্তিহীন আৰু ৰাজনৈতিক প্ৰেৰিত বুলি খণ্ডন কৰি আহিছে।

## বিৰোধীৰ মিত্ৰতাত অপ-

মাজত মিত্ৰতা গঠনৰ আলোচনাক কেন্দ্ৰ কৰি অপপ্ৰচাৰৰ অভিযোগ উত্থাপন হৈছে। অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড° হিমন্ত বিশ্ব শৰ্মাই দাবী কৰিছিল যে কংগ্ৰেছে ৰাইজৰ দলক মিত্ৰতাৰ পৰা বাদ দিছে আৰু মিত্ৰজোঁট চূড়ান্ত হৈ গৈছে। কিন্তু এই দাবীক সম্পূৰ্ণৰূপে নস্যাৎ কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ আৰু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই ঘোষণা কৰিছে যে এয়া নিতান্তই অপপ্ৰচাৰ মাত্ৰ। নতুন দিল্লীৰ ইন্দিৰা ভৱনত সোমবাৰে অনুষ্ঠিত কংগ্ৰেছৰ স্ক্ৰীণিং কমিটীৰ বৈঠকৰ পিছত সাংবাদিকৰ আগত দুয়োজন নেতাই স্পষ্ট কৰি কয় যে শাসকীয় বিজেপি দলৰ বিৰুদ্ধে এক শক্তিশালী আৰু একত্ৰিত বিৰোধী মিত্ৰজোঁট গঠনৰ বাবে আলোচনা অব্যাহত আছে। অসম জাতীয় পৰিষদ (এ জে পি), ৰাইজৰ দল, অল পাৰ্টী হিলছ লিডাৰ্ছ কনফাৰেন্স (এ পি এইচ এল চি) আৰু বাঁওপন্থী দলসমূহৰ সৈতে আলোচনা অত্যন্ত ইতিবাচক দিশেৰে আগবাঢ়িছে। দেৱব্ৰত শইকীয়াই বিশেষভাৱে উল্লেখ কৰে যে ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ সৈতে ২-৩খন আসনৰ বুজাবুজিৰ ক্ষেত্ৰত বাৰ্তালাপ চলি আছে। "মিত্ৰতাৰ প্ৰসংগত সকলো ইতিবাচকভাৱে আগবাঢ়িছে" বুলি গৌৰৱ গগৈয়ে সাংবাদিকক জনায়। শইকীয়াই লগতে কয় যে অসমত ৰাইজৰ দলৰ সৈতে মিত্ৰতা সমাপ্ত হোৱা বুলি বহু অপপ্ৰচাৰ চলি আছে, কিন্তু এনে প্ৰচাৰক মন নিদিবলৈ ৰাইজক অনুৰোধ জনাইছে। "আলোচনা এতিয়াও অব্যাহত আছে, এতিয়ালৈকে কোনো চূড়ান্ত সিদ্ধান্ত হোৱা নাই। অখিল গগৈয়ে বহু আসনৰ ক্ষেত্ৰত যোগাযোগ কৰি আছে আৰু যিমান পাৰি মিলাবলৈ প্ৰয়াস চলি আছে, "বুলি তেওঁ কয়। এ পি এইচ এল চিৰ নেতাসকলৰ সৈতেও আলোচনা চলি আছে বুলি উল্লেখ কৰি শইকীয়াই জনায় যে গঠন কৰা চাৰিজনীয়া সমিতিয়ে বিভিন্ন দলৰ সৈতে নিয়মীয়াকৈ বাৰ্তালাপ চলাই আছে। অসম জাতীয় পৰিষদ, চি পি আই আৰু চি পি আই (এম)-ৰ সৈতেও আলোচনা ইতিবাচকভাৱে আগবাঢ়িছে। অখিল গগৈয়ে সোমবাৰে সংবাদমেল অনুষ্ঠিত কৰাৰ প্ৰসংগত দেৱব্ৰত শইকীয়াই কয়, "অখিল গগৈ সদায়েই সংবাদমেল দি আহিছে। তেওঁৰ সৈতে কেইবাবাৰো আলোচনা হৈছে আৰু ভৱিষ্যততো হ'ব। মিত্ৰতা চূড়ান্ত হ'বলৈ অলপ সময় লাগিব, কিন্তু সৰ্বতোপৰি চেষ্টা চলি আছে।" আনহাতে, প্ৰাক্তন অসম প্ৰদেশ কংগ্ৰেছ সভাপতি ভূপেন বৰাই দল এৰি যোৱাৰ প্ৰভাৱক লৈ গৌৰৱ গগৈয়ে কয় যে ইয়াৰ সাংগঠনিক ক্ষেত্ৰত সামান্যতমো নেতিবাচক প্ৰভাৱ পৰা নাই। "সাধাৰণতে নেতা এজন গ'লে তেওঁৰ সমষ্টিৰ বহু লোক তেওঁৰ সৈতে যায়, কিন্তু ৰঙানদী সমষ্টিত তেনে একো হোৱা নাই। কৰ্মীসকলে সক্ৰিয়ভাৱে কাম কৰি আছে" বুলি তেওঁ উদাহৰণ দিয়ে। বিহপুৰীয়া সমষ্টিৰ পৰিস্থিতিৰ বিষয়ে তেওঁ জনায় যে কিছু লোকে কংগ্ৰেছত যোগদান কৰাৰ খবৰ আহিছে, কিন্তু ইয়াৰ বিষয়ে পিছত অধিক জনোৱা হ'ব। এই ঘোষণাই ২০২৬ৰ নিৰ্বাচনত বিৰোধী শক্তিসমূহৰ মাজত ঐক্য গঢ়ি তোলাৰ প্ৰয়াসক অধিক শক্তিশালী কৰিছে, যদিও মুখ্যমন্ত্ৰীৰ দাবীৰ পিছত ৰাজ্যজুৰি ৰাজনৈতিক বতাহ গৰম হৈ পৰিছে। বিৰোধী নেতৃত্বই স্পষ্ট কৰিছে যে অপপ্ৰচাৰৰ মাজতো মিত্ৰতাৰ আলোচনা অব্যাহত থাকিব আৰু শক্তিশালী বিকল্প গঢ়ি তুলিবলৈ সকলো প্ৰয়াস কৰা হ'ব।

## কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰণালয়ৰ

পোষ্টটোত অসমৰ দুটা প্ৰতীকী সাংস্কৃতিক পৰম্পৰা - হুচৰি আৰু বিহুক ভুল বানানত "হুচাৰি" (Husari) আৰু "বিহুনা" (Bihuna) বুলি উল্লেখ কৰা হৈছিল। চাহ উৎপাদনৰ বাবে বিখ্যাত ৰাজ্যৰ ইংগিত দি পোষ্টটোত এইদৰে প্ৰশ্ন কৰা হৈছিল: "হুচাৰি আৰু বিহুনা কোনটো ৰাজ্যৰ পৰম্পৰাগত লোক নৃত্যৰূপ?" যদিও সঠিক উত্তৰ হিচাপে অসমক উল্লেখ কৰা হৈছিল, তথাপি এই ভুল বানানৰ বাবে নেটিজেনসকলে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বহুতে এই ভুলক অসমৰ সংস্কৃতিৰ প্ৰতি অসন্মানজনক, অজ্ঞতাপূৰ্ণ আৰু বিভ্ৰান্তিকৰ বুলি অভিহিত কৰিছে। বিশেষকৈ "বিহুনা" নামৰ কোনো স্বীকৃতি অসমীয়া সংস্কৃতিত নথকাৰ কথা উল্লেখ কৰি মন্ত্ৰণালয়ক শুদ্ধ বানান সংশোধন কৰিবলৈ দাবী জনোৱা হৈছে। প্ৰখ্যাত চলচ্চিত্ৰ নিৰ্মাতা আৰু সাংস্কৃতিক টীকাকাৰ উৎপল বৰপূজাৰীয়ে এই ভুলৰ তীব্ৰ সমালোচনা কৰি কয় যে চৰকাৰী ছ'চিয়েল মিডিয়া হেণ্ডলাৰসকলে পোষ্ট কৰাৰ আগতে বিষয়বস্তু ভালদৰে পৰীক্ষা কৰা উচিত। তেওঁ লগ পাতে, "এনে সৰু ভুলেও অপ্ৰয়োজনীয় বিতৰ্কৰ সৃষ্টি কৰে আৰু ভুল তথ্যৰ প্ৰচাৰ ঘটায়।" হুচৰি হৈছে বহাগ বিহুৰ সময়ত দলবদ্ধভাৱে ঘৰে ঘৰে গৈ গীত গাই পৰিয়ালসকলক আশীৰ্বাদ দিয়া এক পৰম্পৰাগত অনুষ্ঠান। আনহাতে বিহু - ৰঙালী, কাতি আৰু ভোগালী বিহুৰ ৰূপত - অসমৰ সাংস্কৃতিক পৰিচয়ৰ মূল ভিত্তি হিচাপে বিবেচিত। এই দুয়োটা পৰম্পৰাই অসমীয়া জাতিৰ সাংস্কৃতিক ঐতিহ্যৰ অবিচ্ছেদ্য অংশ। নেটিজেনসকলৰ তীব্ৰ প্ৰতিক্ৰিয়া আৰু সমালোচনাৰ পিছত কেন্দ্ৰীয় সংস্কৃতি মন্ত্ৰণালয়ে ক্ষমাপ্ৰাৰ্থনা জনাই এটা বিবৃতি প্ৰকাশ কৰে। বিবৃতিত কোৱা হয়: "আমি আমাৰ পূৰ্বৰ পোষ্টত হোৱা ভুলৰ বাবে আন্তৰিকভাৱে ক্ষমা বিচাৰিছোঁ, য'ত 'বিহুনা'ক ভুলকৈ লিখা হৈছিল। আমি এই ভুলৰ বাবে গভীৰভাৱে অনুতপ্ত। ভাৰতৰ সমৃদ্ধ সাংস্কৃতিক পৰম্পৰাক আমি সৰ্বোচ্চ সন্মান দিওঁ। পোষ্টটো আঁতৰোৱা হৈছে আৰু ভৱিষ্যতে এনে ভুল নহ'বলৈ অধিক যত্ন ল'বলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।" এই ঘটনাই পুনৰবাৰ কেন্দ্ৰীয় চৰকাৰী সংস্থাসমূহৰ দ্বাৰা আঞ্চলিক সংস্কৃতি আৰু পৰম্পৰাৰ সঠিক, সংবেদনশীল উপস্থাপনৰ প্ৰয়োজনীয়তাক উত্থাপন কৰিছে। অসমৰ ৰাইজে এনে ভুলক গুৰুত্বসহকাৰে লৈছে আৰু কেন্দ্ৰীয় মন্ত্ৰণালয়সমূহৰ পৰা অধিক সতৰ্কতা, সঠিকতা আৰু সাংস্কৃতিক সংবেদনশীলতাৰ দাবী জনাইছে। এই ঘটনাই ভাৰতৰ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰ প্ৰতি সকলোৰে দায়বদ্ধতাৰ কথা পুনৰ সোঁৱৰাই দিছে।

## বিহপুৰীয়াত ভূপেন বৰাক

বিজেপিৰ নেতা-কৰ্মীসকলে তেওঁক সম্পূৰ্ণ উপেক্ষা কৰাৰ দৃশ্য দেখা গৈছে। ব্যাপক চৰ্চা থকা সত্ত্বেও যে ভূপেন বৰাই বিহপুৰীয়াৰ পৰা বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থী হ'ব, তেনে পৰিপ্ৰেক্ষিততো দলীয় নেতা-কৰ্মীৰ এই উদাসীনতা আৰু অসহযোগিতা এক লক্ষণীয় ঘটনা হিচাপে দেখা গৈছে। দেওবাৰে নিশা ভূপেন বৰাই বিহপুৰীয়াৰ ভোগপুৰস্থিত নিজৰ বাসগৃহত উপস্থিত হয়। এই ভ্ৰমণৰ সময়ত তেওঁক আদৰিবলৈ বা সাক্ষাৎ কৰিবলৈ বিজেপিৰ কোনো নেতা বা কৰ্মী ওলাই অহা নাছিল। সোমবাৰে পুৱাও তেওঁৰ বাসগৃহত নিমাওমাও পৰিৱেশ বিৰাজ কৰি আছিল, কোনো দলীয় কাৰ্যসূচী বা সাক্ষাতৰ আয়োজন নাছিল। এই পৰিস্থিতিৰ সন্দৰ্ভত ভূপেন বৰাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে, হাৰাজানৰ পৰা তেওঁক আদৰিবলৈ কৰ্মীসকলে ইচ্ছা প্ৰকাশ কৰিছিল যদিও কংগ্ৰেছ আৰু বিজেপিৰ মাজত হতাহতি হ'ব পাৰে বুলি ভাবি তেওঁ নিজেই সেই কাৰ্যসূচী বাতিল কৰিছিল। সেয়ে কাকো নোকোৱাকৈ নিজৰ ঘৰলৈ আহিছে বুলি তেওঁ জনায়। তেওঁ লগতে কয়, "দলৰ সাধাৰণ কাৰ্যকৰ্তা হিচাপে মই কাম কৰিম। বিহপুৰীয়া বিজেপিৰ তৃণমূল কৰ্মীসকলৰ সৈতে কথা পাতিবলৈ মুখ্যমন্ত্ৰী আৰু দলৰ সভাপতিয়ে মোক পঠিয়াইছে। কংগ্ৰেছ দলৰ কৰ্মীসকলৰ প্ৰতি মোৰ মানৱীয় অনুভৱ সদায় থাকিব। মোক বিজেপিৰ এজেণ্ট বুলি আগতেই কংগ্ৰেছে কৈ আহিছে। ৰাজীৱ ভৱনতো সেৱা কৰি কংগ্ৰেছত যোগদান কৰিছিলোঁ। হিতেশ্বৰ শইকীয়াই মোক কংগ্ৰেছৰ এ পি এছ বুলি কৈছিল, মই কনিষ্টবল নহয়।" আনহাতে, ৰাম ভূএগই গৌৰৱ গগৈৰ ওচৰত অগ্নি পৰীক্ষা দিব লগা হৈছে বুলি মন্তব্য কৰি তেওঁ কয় যে, তেওঁৰ পুত্তলিকা জ্বলাই দিয়া হৈছে। উল্লেখ্য যে, ভূপেন বৰাই সম্প্ৰতি কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰিছে আৰু বিহপুৰীয়া সমষ্টিৰ পৰা বিজেপিৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে তেওঁৰ নাম ব্যাপকভাৱে চৰ্চিত হৈ আছে। কিন্তু এই প্ৰথম ভ্ৰমণত দলীয় কৰ্মীসকলৰ অসহযোগিতা আৰু উপেক্ষাই সমষ্টিটোৰ ভিতৰত দলীয় একতা আৰু সংগঠনৰ অৱস্থাৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰিছে। ৰাজনৈতিক মহলত এই ঘটনাক লৈ তীব্ৰ আলোচনা চলি আছে, বিশেষকৈ আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত।

## কংগ্ৰেছে এজেপিক এৰিব

বিতৰণৰ বিষয়ে এনে তথ্য দাঙি ধৰিছে যিয়ে সকলোকে চমকিত কৰিছে। গুৱাহাটীত এক চৰকাৰী অনুষ্ঠানৰ পিছত সংবাদমেলত তেওঁ নিজকে বিৰোধী শিবিৰৰ মুখপাত্ৰৰ ৰূপত উপস্থাপন কৰি কংগ্ৰেছৰ নেতৃত্বাধীন মিত্ৰতাৰ সম্ভাব্য ৰূপৰেখা বিশদভাৱে বৰ্ণনা কৰে। মুখ্যমন্ত্ৰীয়ে স্পষ্টকৈ উল্লেখ কৰে যে কংগ্ৰেছে অসম জাতীয় একতা পৰিষদ (এজেপি)ক বিন্নাকান্দি, খোৱাং, বঢ়মপুৰ, শদিয়া আদি সমষ্টি এৰি দিবলৈ প্ৰস্তুত হৈছে। একেদৰে এ পি এইছ এল চি দলক কাৰ্বি আংলং জিলাত দুখন আসন দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। চি পি এমক দুখন আৰু চি পি আইক এখন আসন দিয়াৰ সম্ভাৱনাও তেওঁ উল্লেখ কৰে। কিন্তু ৰাইজৰ দলৰ সৈতে এতিয়াও চূড়ান্ত বুজাবুজি হোৱা নাই বুলি তেওঁ কয় আৰু লগতে শুভেচ্ছা জনাই যে ৰাইজৰ দলকো মিত্ৰজোঁটত অন্তৰ্ভুক্ত কৰা হওক। সাংবাদিকে বিৰোধী মিত্ৰজোঁটৰ আসন বিতৰণৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে এই তথ্যসমূহ দাঙি ধৰি দাবী কৰে যে বিৰোধীৰ ভিতৰুৱা খবৰ তেওঁৰ নখদৰ্পণত আছে। বহু সময় ধৰি তেওঁ এই কথা বাৰে বাৰে কৈ আহিছে যে কংগ্ৰেছ আৰু অন্যান্য বিৰোধী দলসমূহৰ নিৰ্বাচনী ৰণনীতিৰ বিষয়ে তেওঁৰ সম্পূৰ্ণ তথ্য আছে। এইবাৰ তেওঁ সেই দাবীক আৰু অধিক দৃঢ়তাৰে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। বিৰোধী শিবিৰৰ মাজত আসন বিতৰণৰ বিষয়ে ইতিমধ্যে তীব্ৰ অসন্তোষ দেখা গৈছে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কংগ্ৰেছৰ প্ৰস্তাৱিত আসন বিতৰণক লৈ তীব্ৰ অসন্তোষ প্ৰকাশ কৰি অধিক আসনৰ দাবীত আঁকোৰগোজ হৈ আছে। অসম জাতীয় পৰিষদেও কংগ্ৰেছক অধিক নমনীয় হ'বলৈ আহ্বান জনাইছে। মুখ্যমন্ত্ৰীৰ এই মন্তব্যই বিৰোধী শিবিৰৰ অভ্যন্তৰীণ অমিল আৰু অসন্তোষক আৰু স্পষ্ট কৰি তুলিছে। কংগ্ৰেছে আগন্তুক দুদিনৰ ভিতৰত বিৰোধী মিত্ৰজোঁটৰ আসন বুজাবুজি আৰু সমষ্টিৰ তালিকা ঘোষণা কৰিব পাৰে বুলি জানিব পৰা গৈছে। কিন্তু তাৰ পূৰ্বেই ৰাইজৰ দলৰ স্থিতি কি হয় আৰু মুখ্যমন্ত্ৰীৰ এই ভৱিষ্যদ্বাণী সঠিক প্ৰমাণিত হয় নেকি সেয়া ৰাজনৈতিক মহলত লক্ষণীয় হৈ পৰিছে। এই মন্তব্য মুখ্যমন্ত্ৰীয়ে গুৱাহাটীত অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ চৰকাৰী অনুষ্ঠানৰ পিছত দিয়ে। অনুষ্ঠানত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ তথা গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত 'মুখ্যমন্ত্ৰী উৎকৰ্ষ যোজনা' উদ্বোধন কৰা হয়। লগতে ১২০ কোটি টকাৰ আৰ্থিক সাহায্য বিতৰণ, 'সমাৱেশী আজীৱিকা যোজনা', RuralOne এপ, AI-চালিত ডিজিটেল গ্ৰাম সহায়ক, PMAY-Gৰ সামাজিক অডিট প্লেটফৰ্ম আৰু 'কৃষি সাৰথি' এপ মুকলি কৰা হয়। PMAY-Gৰ অধীনত এক লাখ উপভোক্তাৰ গৃহ প্ৰৱেশ কাৰ্যসূচীও অনুষ্ঠিত হয়। আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ৰাজনৈতিক চৰ্চাক নতুন মাত্ৰা দিছে।

## প্ৰাক্তন ৰে'লমন্ত্ৰী মুকুল

আৰু তৃণমূল কংগ্ৰেছৰ (টিএমচি) প্ৰতিষ্ঠাপক সদস্য তথা প্ৰভাৱশালী নেতা মুকুল ৰায়ৰ দেহাৱসান ঘটিছে। কলকাতাৰ সল্টলেকৰ এপ'ল' মাল্টিচ্পেচিয়েলিটি হাস্পতালত আজি পুৱা প্ৰায় ১: ৩০ বজাত হৃদৰোগ (কাৰ্ডিয়াক এৰেষ্ট)ত আক্ৰান্ত হৈ তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুকালত তেখেতৰ বয়স আছিল ৭১ বছৰ। তেখেতৰ পুত্ৰ শুভ্ৰাংশু ৰায়ে নিশ্চিত কৰিছে যে দীৰ্ঘদিনীয়া স্বাস্থ্যজনিত সমস্যাৰ পিছত, বিশেষকৈ কিডনীৰ ৰোগ আৰু অন্যান্য জটিলতাৰ বাবে তেওঁ কেইবাদিন ধৰি কোমাত আছিল। শেহতীয়াকৈ হৃদৰোগৰ আক্ৰমণত তেওঁৰ মৃত্যু হয়। বঙ্গৰ ৰাজনীতিত 'চাণক্য' হিচাপে পৰিচিত মুকুল ৰায়ে দীৰ্ঘ ৰাজনৈতিক জীৱনত বিভিন্ন দল আৰু পদৰ জৰিয়তে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। মুকুল ৰায়ে ১৯৯৮ চনত মমতা বন্দ্যোপাধ্যায়ৰ নেতৃত্বত তৃণমূল কংগ্ৰেছ গঠনৰ সময়ত দলটোৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য হিচাপে যোগদান কৰিছিল। দল গঠনৰ পিছত তেওঁ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালন কৰে আৰু এসময়ত দলৰ 'ছেকেণ্ড ইন কমাণ্ড' বুলি বিবেচিত হৈছিল। তেওঁ ৰাজ্যসভাৰ সদস্য হিচাপেও নিৰ্বাচিত হৈছিল। ২০১১ চনত ইউপিএ-২ চৰকাৰৰ অংশীদাৰ হিচাপে তৃণমূল কংগ্ৰেছৰ পৰা তেওঁ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী (ৰেল) হিচাপে নিযুক্তি লাভ কৰে আৰু পিছত ৰে'লমন্ত্ৰীৰ দায়িত্বও পালন কৰে। ইয়াৰ উপৰিও তেওঁ কেন্দ্ৰীয় জাহাজ মন্ত্ৰালয়ৰ দায়িত্বও সামলাইছিল। পৰৱৰ্তী সময়ত দলৰ নেতৃত্বৰ সৈতে মতানৈক্যৰ বাবে ২০১৭ চনত তেওঁ তৃণমূল কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰে। ২০২১ চনৰ পশ্চিমবঙ্গ বিধানসভা নিৰ্বাচনত বিজেপিৰ টিকেটত কৃষ্ণনগৰ উত্তৰ সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হয়। কিন্তু পিছত ২০২১ চনতে তেওঁ পুনৰ তৃণমূল কংগ্ৰেছলৈ উভতি আহে। মুকুল ৰায়ৰ প্ৰয়াণত ৰাজনৈতিক মহলত গভীৰ শোকৰ ছায়া পৰিছে। তেওঁৰ মৃত্যুত পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী মমতা বন্দ্যোপাধ্যায়কে ধৰি বিভিন্ন দলৰ নেতাসকলে শোক প্ৰকাশ কৰিছে। বঙ্গৰ ৰাজনীতিৰ এই প্ৰভাৱশালী ব্যক্তিত্বৰ অনুপস্থিতিয়ে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত এক শূন্যতাৰ সৃষ্টি কৰিছে।

## ১০ মাৰ্চত মুকলি হ'ব

মহাৰাজ পৃথু উৰণ সেতু। এই উৰণ সেতুখন অসমৰ আটাইতকৈ দীঘল উৰণ সেতু হ'ব বুলি জানিব পৰা গৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই উৰণ সেতুখন উদ্বোধন কৰিব। প্ৰায় ৫ কিলোমিটাৰ (কিছুমান সূত্ৰত ৫.৪৪ কিলোমিটাৰ বা ৫ কিলোমিটাৰৰ অধিক) দৈৰ্ঘ্যৰ এই চাৰিলেন উৰণ সেতুখন নুনমাটিৰ পৰা দীঘলীপুখুৰীলৈকে সংযোগ কৰি গুৱাহাটী নগৰৰ যান-জটিলতা হ্ৰাস কৰাৰ লগতে যাতায়াত সময় উল্লেখযোগ্যভাৱে কমাব। উৰণ সেতুখনৰ নিৰ্মাণত প্ৰায় ৮৫০ কোটি টকাৰ (কিছুমান সূত্ৰত ৮৫২ কোটি টকাৰ অধিক) ব্যয় হৈছে। মহাৰাজ পৃথুৰ নামত নামকৰণ কৰা এই উৰণ সেতুখনে মণিৰাম দেৱান ৰোডৰ ওচৰত অৱস্থিত হৈ গুৱাহাটী ক্লাব জংচন, এস্বাৰী, বামুণিমাইদাম আদি অঞ্চলৰ সৈতে সংযোগ স্থাপন কৰিব। ইয়াৰ জৰিয়তে জিএনবি ৰোড, ৰাজগড় ৰোড আদি প্ৰধান ৰাস্তাৰ লগত সংযোগ থাকিব আৰু নগৰৰ বিভিন্ন আৱাসিক আৰু বাণিজ্যিক অঞ্চলৰ যাতায়াত সুবিধা বৃদ্ধি পাব। উল্লেখ্য যে, এই উৰণ সেতুৰ নিৰ্মাণ কাম ২০১৯ চনৰ পৰা আৰম্ভ হৈছিল আৰু বৰ্তমান প্ৰায় ৯০ শতাংশৰো অধিক সম্পন্ন হৈছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত ঘোষণা কৰি জনাইছে যে, ১০ মাৰ্চৰ সন্ধিয়া এই উৰণ সেতু মুকলি কৰা হ'ব। এই প্ৰকল্পই গুৱাহাটীৰ নগৰ উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ দ্বাৰা দৈনন্দিন যাতায়াতৰ অসুবিধা হ্ৰাস পোৱাৰ লগতে নগৰৰ অৰ্থনৈতিক গতিশীলতাও বৃদ্ধি পাব। ৰাইজৰ মাজত এই উৰণ সেতু মুকলিৰ অপেক্ষা বাঢ়িছে, যদিও নিৰ্মাণৰ সময়ত যান-জটিলতাৰ বাবে কিছু অসন্তোষো প্ৰকাশ পাই আহিছে।

## নেপালৰ ত্ৰিশুলী নদীত

সমীপত) ওচৰত নিয়ন্ত্ৰণ হেৰুৱাই ত্ৰিশুলী নদীৰ পাৰলৈ প্ৰায় ২০০ মিটাৰ (প্ৰায় ৬৫৬ ফুট) তললৈ বাগৰি পৰে। নেপালৰ সশস্ত্ৰ আৰক্ষী বাহিনীৰ মুখপাত্ৰ বিষ্ণুপ্ৰসাদ ভট্টৰ মতে, বাছখনত মুঠ ৪৪জন যাত্ৰী আছিল (চালকক ধৰি)। দুৰ্ঘটনাৰ পিছত ঘটনাস্থলীত নেপাল সেনা, সশস্ত্ৰ আৰক্ষী আৰু স্থানীয় আৰক্ষীৰ উদ্ধাৰ দল মোতায়েন কৰা হয়। ইতিমধ্যে ১৭টা মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু ২৮জন আহত যাত্ৰীক উদ্ধাৰ কৰি স্থানীয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। আহতসকলৰ ভিতৰত এগৰাকী জাপানী নাগৰিক আৰু এগৰাকী ডাচ মহিলা আছে বুলি জানিব পৰা গৈছে। নিহতসকলৰ ভিতৰত এজন নিউজীলেণ্ডৰ (বা ব্ৰিটিছ) নাগৰিকো আছে বুলি বিভিন্ন সূত্ৰত প্ৰকাশ পাইছে। দুৰ্ঘটনাৰ ফলত সমগ্ৰ এলেকাত শোকৰ ছায়া পৰিছে। আৰক্ষীয়ে প্ৰাথমিক তদন্তত অত্যধিক গতি (ওভাৰ স্পীডিং)ক দুৰ্ঘটনাৰ সম্ভাব্য কাৰণ বুলি সন্দেহ প্ৰকাশ কৰিছে। দুৰ্ঘটনাৰ সঠিক কাৰণ এতিয়াও নিৰ্ণয় হোৱা নাই আৰু তদন্ত অব্যাহত আছে। এই দুৰ্ঘটনাই নেপালৰ পথ দুৰ্ঘটনাৰ উচ্চ হাৰৰ প্ৰসংগ পুনৰ উত্থাপন কৰিছে, য'ত পাহাৰীয়া পথ, অসাৱধান চলন আৰু যান-বাহনৰ অৱস্থাৰ বাবে প্ৰতি বছৰে শত শত লোকে প্ৰাণ হেৰুৱায়। উদ্ধাৰ অভিযান অব্যাহত থকাৰ লগতে আহতসকলৰ চিকিৎসা চলি আছে।

## মাজুলীত কংগ্ৰেছ নেত্ৰী

তেওঁ উত্থাপন কৰা কিছুমান মন্তব্যক ধৰ্মক তুচ্ছ-তাচ্ছিল্য কৰা বুলি অভিযোগ উঠাৰ লগে লগে ধৰ্মীয় তথা সামাজিক মহলতো তীব্ৰ ক্ষোভৰ সঞ্চাৰ হৈছে। বিশেষকৈ মাজুলীৰ প্ৰসিদ্ধ শ্ৰীশ্ৰী আধাৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী মহেশ গোস্বামী আৰু গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পৰমানন্দ দেৱ গোস্বামীয়ে এই বিষয়ত কঠোৰ ভাষাৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। শ্ৰীশ্ৰী আধাৰ সত্ৰৰ সত্ৰাধিকাৰ মহেশ গোস্বামীয়ে কয় যে, এগৰাকী ৰাজনৈতিক নেত্ৰীৰ বাবে ধৰ্মক ৰাজনীতিৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰাটো একেবাৰে অনুচিত। ধৰ্মই মানুহক সঠিক দিশ নিৰ্দেশ কৰে আৰু সমাজৰ মূল্যবোধ গঢ় দিয়ে। কীৰ্তন আৰু ভাগৱতৰ দৰে পৰম পবিত্ৰ গ্ৰন্থৰ প্ৰতি কোনো ধৰণৰ অসন্মান সহনীয় নহয়। তেওঁ লগতে উল্লেখ কৰে যে, নিৰ্বাচনৰ পূৰ্ব মুহূৰ্তত যদি কংগ্ৰেছে ধৰ্মৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব নোৱাৰে, তেন্তে ক্ষমতালৈ আহিলে তেওঁলোকে সমাজ আৰু জাতিৰ সুৰক্ষা কেনেদৰে প্ৰদান কৰিব? তেওঁ অভিযোগ কৰে যে, মিঞা সম্প্ৰদায়ক অসমত কোনো স্থান নাই বুলি কোৱাৰ লগতে তেওঁলোকক লৈ ৰাজনীতি কৰাটো অতি বেয়া কথা। কংগ্ৰেছৰ এনে অহংকাৰ কোনো ৰাজনৈতিক দলৰ বাবেই শুভকৰ নহয় বুলিও তেওঁ মত প্ৰকাশ কৰে। আনহাতে, গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পৰমানন্দ দেৱ গোস্বামীয়েও মীৰা বৰঠাকুৰৰ মন্তব্যক তীব্ৰ সমালোচনা কৰি কয় যে, ৰাজনৈতিক স্বাৰ্থৰ বাবে ধৰ্মীয় অনুভূতি আঘাত কৰাটো সমাজৰ ঐক্যৰ ভিত্তিকে কঁপাই তোলাৰ সমান। অসমৰ সত্ৰ-সংস্কৃতি কেৱল ধৰ্মীয় প্ৰতিষ্ঠান নহয়, ই আমাৰ ঐতিহ্য, পৰম্পৰা আৰু সাংস্কৃতিক পৰিচয়ৰ প্ৰাণস্বৰূপ। ইয়াক লৈ ৰাজনীতি কৰাটো অতি দুখজনক আৰু অগ্ৰাহ্যযোগ্য। ইফালে, কংগ্ৰেছে বিজেপিৰ বিৰুদ্ধে উত্থাপন কৰা কিছুমান অভিযোগক লৈও ৰাজ্যজুৰি বিতৰ্ক তীব্ৰ হৈ পৰিছে। বিজেপিৰ এটা অংশই এই অভিযোগসমূহক ভিত্তিহীন বুলি অভিহিত কৰি জনমানসক বিভ্ৰান্ত কৰাৰ উদ্দেশ্যেৰে প্ৰণোদিত প্ৰচেষ্টা বুলি দাবী কৰিছে। ধৰ্মীয় অনুভূতিৰ প্ৰশ্ন, ৰাজনৈতিক পাৰস্পৰিক অভিযোগ আৰু আগন্তুক নিৰ্বাচনী সমীকৰণৰ প্ৰভাৱত অসমৰ ৰাজনৈতিক পৰিৱেশ আগন্তুক দিনকেইটাত আৰু অধিক উত্তাল হোৱাৰ সম্ভাৱনা দেখা গৈছে। এই পৰিস্থিতিয়ে ৰাজ্যৰ ৰাজনীতিত নতুন মোৰ দিব পাৰে বুলি ৰাজনৈতিক বিশে-ষকসকলে মত প্ৰকাশ কৰিছে।

## এপ্ৰিলৰ ভিতৰত অভি-নীল হত্যাকাণ্ডৰ ৰায়দানৰ

নগাঁও জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতত চলি থকা এই গোচৰৰ বিচাৰ প্ৰক্ৰিয়াৰ ভুক্তভোগী পক্ষৰ অধিবক্তাৰ যুক্তি দৰ্শোৱাৰ কাম সোমবাৰে সম্পূৰ্ণ হৈছে। অহা কেইদিনমানৰ ভিতৰতে অভিযুক্ত পক্ষৰ যুক্তি দৰ্শোৱাৰ পিছত গোচৰটো ৰায়দানৰ দিশে আগবাঢ়িব। ২০১৮ চনৰ ৮ জুনত কাৰ্বি আংলং জিলাৰ ডকমকাত সংঘটিত এই হত্যাকাণ্ডত অভিজিৎ নাথ আৰু নীলোৎপল দাসক নৃশংসভাৱে হত্যা কৰা হৈছিল। গোচৰটোত মুঠ ৭১ গৰাকী সাক্ষীৰ সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত সোমবাৰে ভুক্তভোগী পক্ষৰ অধিবক্তাই আদালতত যুক্তি দৰ্শায়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা বিজন মহাজনে ভুক্তভোগী পক্ষৰ হৈ এই যুক্তি উত্থাপন কৰে। যুক্তি দৰ্শোৱাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত আদালতে অভিযুক্ত পক্ষক যুক্তি দৰ্শাবলৈ ২৬ আৰু ২৭ ফেব্ৰুৱাৰী তাৰিখ ধাৰ্য কৰিছে। অভিযুক্ত পক্ষৰ অধিবক্তাই এই দুদিনত যুক্তি দৰ্শোৱাৰ পিছতেই গোচৰটো ৰায়দানৰ দিশে ধাৱমান হ'ব। ভুক্তভোগী পক্ষৰ অধিবক্তা বিজন মহাজনে সংবাদ মাধ্যমক জনোৱা মতে, "এই নীল-অভি হত্যাকাণ্ডই সমগ্ৰ বিশ্বকে লজ্জানত কৰিছিল। আজি প্ৰচিকিউচনৰ যুক্তি দৰ্শোৱাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। ভিক্টিমৰ দুয়োগৰাকী পিতৃৰ হৈ প্ৰচিকিউচনৰ পূৰ্ণাংগ যুক্তি উত্থাপন কৰা হৈছে। অহা ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত ডিফেন্স পক্ষৰ যুক্তি দৰ্শোৱাৰ পিছত গোচৰটো জাজমেণ্টৰ দিশে আগবাঢ়িব।" অভি আৰু নীলৰ দুয়োগৰাকী পিতৃয়ে সাত বছৰ ধৰি ন্যায়ৰ অপেক্ষাত আছে। তেওঁলোকে আশা প্ৰকাশ কৰিছে যে এপ্ৰিল মাহৰ ভিতৰতে গোচৰটোৰ চূড়ান্ত ৰায়দান হ'ব পাৰে। এই হত্যাকাণ্ডই অসমৰ সমাজত গভীৰ ক্ষোভৰ সৃষ্টি কৰিছিল আৰু বিচাৰ প্ৰক্ৰিয়াৰ দীৰ্ঘসূত্ৰিতাক লৈ বহু সমালোচনা হৈছিল। এতিয়া বিচাৰ প্ৰক্ৰিয়া অন্তিম পৰ্যায়ত উপনীত হোৱাত ভুক্তভোগী পৰিয়াল আৰু ৰাইজৰ মাজত ন্যায় প্ৰাপ্তিৰ আশা পুনৰ জাগ্ৰত হৈছে।

## জুবিন ক্ষেত্ৰত উদ্ভণ্ডালি

কৰি তুলিছে। পৰিস্থিতি নিয়ন্ত্ৰণলৈ অহা আৰক্ষী দলকো এই যুৱকসকলে আক্ৰমণ কৰে। অভিযোগ অনুসৰি, সুৰাসক্ত যুৱককেইজনে মহিলা আৰক্ষী কনিষ্টবলকে ধৰি যানবাহনৰ দায়িত্বত থকা আৰক্ষীসকলক অশালীন ভাষাৰে গালি-গালাজ কৰাৰ লগতে শাৰীৰিক আক্ৰমণও চলায়। এই সংঘৰ্ষৰ ফলত দুজন আৰক্ষী জোৱান — বিষ্ণু দৈমাৰী আৰু বিকাশ দৈমাৰী — আহত হয়। আৰক্ষীয়ে দ্ৰুত ব্যৱস্থা গ্ৰহণ কৰি ঘটনাস্থলীৰ পৰা তিনিজন যুৱকক আটক কৰে। গ্ৰেপ্তাৰ হোৱা যুৱক তিনিজন হ'ল — দক্ষিণ শালমাৰাৰ ফুলবাৰী গাঁৱৰ আলম আলী, শুৱালকুছিৰ মুকুট দাস (৩৭) আৰু ৰঞ্জন দাস (৩২)। উল্লেখ্য যে, জুবিনক্ষেত্ৰত এনে অপ্ৰীতিকৰ ঘটনা এইবাৰেই প্ৰথম নহয়। পূৰ্বেও কেইবাবাৰো সুৰাপান কৰি থকা লোকৰ দৃশ্য ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰিছিল আৰু স্থানীয় লোক তথা ভক্তসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছিল। জুবিন গাৰ্গৰ স্মৃতিসৌধ হিচাপে পৰিচিত এই ঠাইখিনিত সুৰাপান আৰু উচ্ছৃংখলতাৰ দৃশ্যই বাৰে বাৰে বিতৰ্কৰ সৃষ্টি কৰি আহিছে। সোণাপুৰ আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। আহত আৰক্ষীসকলৰ চিকিৎসা চলি আছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণত থকা বুলি আৰক্ষী সূত্ৰে জনোৱা হৈছে। এই ঘটনাই স্থানীয় লোকৰ মাজত তীব্ৰ অসন্তোষৰ সৃষ্টি কৰিছে। বহুতে দাবী কৰিছে যে, জুবিনক্ষেত্ৰৰ দৰে সাংস্কৃতিক আৰু স্মৃতিমণ্ডিত স্থানত কঠোৰ নিৰাপত্তা ব্যৱস্থা আৰু নিয়মিত পহৰাৰ প্ৰয়োজন। এনে ঘটনা পুনৰাবৃত্তি ৰোধ কৰিবলৈ প্ৰশাসনৰ পৰা যথাযথ পদক্ষেপৰ দাবী উঠিছে।

## কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীৰ ভাৰত ভ্ৰমণ

ইণ্ডো-পেচিফিক অঞ্চলত বাণিজ্য, বিনিয়োগ আৰু কৌশলগত সম্পৰ্ক শক্তিশালী কৰাৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বৰ্ণনা কৰিছে। কানাডাৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে প্ৰকাশ কৰা বিবৃতি অনুসৰি, এই ভ্ৰমণৰ মূল উদ্দেশ্য হৈছে কানাডীয় শ্ৰমিক আৰু ব্যৱসায়ীসকলৰ বাবে বাণিজ্য, শক্তি, প্ৰযুক্তি (বিশেষকৈ কৃত্ৰিম বুদ্ধিমত্তা বা AI), সমালোচনামূলক খনিজ সম্পদ আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত নতুন সুযোগ মুকলি কৰা। ভ্ৰমণৰ সময়ত কাৰ্নীয়ে তিনিখন দেশৰ প্ৰধানমন্ত্ৰীসকলৰ সৈতে বৈঠক কৰিব - ভাৰতৰ নৰেন্দ্ৰ মোদী, অষ্ট্ৰেলিয়াৰ এন্থনী আলবানিজ আৰু জাপানৰ ছানায়ে তাকাইচি। ভাৰত ভ্ৰমণত কাৰ্নীয়ে প্ৰথমে মুম্বাইত উপস্থিত হ'ব আৰু তাৰ পিছত ৰাষ্ট্ৰীয় ৰাজধানী নতুন দিল্লীলৈ যাব। ইয়াত তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে বৈঠক কৰিব। দুয়োগৰাকী নেতাই কানাডা-ভাৰত সম্পৰ্কক উন্নীত আৰু সম্প্ৰসাৰিত কৰাৰ লগতে বাণিজ্য, শক্তি, প্ৰযুক্তি, AI, প্ৰতিভা, সংস্কৃতি আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত নতুন অংশীদাৰিত্ব গঢ়ি তোলাৰ বিষয়ে বিস্তৃত আলোচনা কৰিব বুলি জানিব পৰা গৈছে। এই ভ্ৰমণক কানাডা আৰু ভাৰতৰ মাজত দীৰ্ঘদিনীয়া সম্পৰ্ক পুনৰ স্থাপন আৰু শক্তিশালী কৰাৰ এক ডাঙৰ সুযোগ হিচাপে দেখা হৈছে। সামগ্ৰিকভাৱে এই তিনিদেশীয় ভ্ৰমণে কানাডাৰ বৈদেশিক নীতিত ইণ্ডো-পেচিফিক অঞ্চলৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰাৰ ইংগিত দিছে। কানাডাই এই অঞ্চলত বাণিজ্য বৈচিত্ৰ্যকৰণ, বিনিয়োগ আকৰ্ষণ আৰু কৌশলগত সহযোগিতা বৃদ্ধি কৰি নিজৰ অৰ্থনৈতিক স্বাৰ্থ সুৰক্ষিত কৰিব বিচাৰিছে। ভ্ৰমণৰ সময়ত বিভিন্ন ক্ষেত্ৰত নতুন চুক্তি আৰু সমঝোতা স্বাক্ষৰৰ সম্ভাৱনাও উজ্জ্বল হৈ পৰিছে।

## সন্তানক মাতৃভাষাৰ প্ৰতি আগ্ৰহান্বিত কৰাত গুৰু আৰু ঘৰৰ দায়িত্ব অধিক ঃ গৌৰীশংকৰ দাস

# টংলাত মাতৃভাষা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২১ ফেব্ৰুৱাৰী ঃ** সন্তানক মাতৃভাষাৰ প্ৰতি আগ্ৰহী কৰি তোলাত শিক্ষাগুৰুসকলৰ লগতে ঘৰখনৰ দায়িত্ব অধিক। আজি এই মন্তব্য কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম সাহিত্য সভাৰ বিশেষভাৱে আমন্ত্ৰিত সদস্য গৌৰীশংকৰ দাসে। ওদালগুৰি জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতি আৰু ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত আৰু টংলা সাহিত্য সভা আৰু ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ সহযোগত আজি জাতীয় বিদ্যালয় অসম, টংলাত মাতৃভাষা দিৱস উপলক্ষে আয়োজিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত তেওঁ আৰু কয়ঃ ভাষাৰ সংকট আহিলে আমাৰ জাতীয় আৰু সাংস্কৃতিক পৰিচয়ো বিঘ্নিত হ'ব। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি তজৰ আলী আহমেদে সভাপতিত্ব কৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে ওদালগুৰি জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি নন্দেশ্বৰ ঠাকুৰীয়াই। জাতীয় বিদ্যালয়, টংলাৰ সহকাৰী শিক্ষয়িত্ৰী সংগীতা ডেকা বৰ্মনে পৰিৱেশন কৰা গীতেৰে আৰম্ভ হোৱা সভাত আন এগৰাকী নিৰ্দিষ্ট বক্তা টংলা মহাবিদ্যালয়ৰ অধ্যাপিকা ডঃ হেমলতা দেৱীয়ে কয়ঃ ভাষাটো ৰক্ষাৰ ক্ষেত্ৰত ডেকা শক্তিৰ যথেষ্ট দায়িত্ব আছে। নতুন প্ৰজন্মই ভাষা-সাহিত্যৰ সংগঠনসমূহৰ সৈতে যোগাযোগ ৰক্ষা কৰিব লাগে। সভাত টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ সভাপতি হিতেশ শৰ্মা, অসম সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰ্মল নাথ আৰু আজীৱন সভ্য তথা নিৰন্ধকাৰ কৰুণা কান্ত ওজায়ো ভাষণ দিয়ে। সভাৰ মাজতে ছাত্ৰী কৃষ্ণাক্ষী বৰুৱা, কিয়াঞ্চ বড়ো আৰু শিক্ষয়িত্ৰী নমাই ৰহাঙে গীত পৰিৱেশন কৰে। কবিতা পাঠ আৰু আবৃত্তি কৰে জিএঞ নাথ, নিতিশা বৰুৱা, ৰাজীৱ পুষ্প, কৃষ্ণাক্ষী বৰুৱা আৰু দিবাকৰ বড়াই। সভাত টংলা সাহিত্য সভাৰ উপ-সভাপতি তপেশ্বৰ ৰাভা, সম্পাদক শ্যামল কুমাৰ দাস, জাতীয় বিদ্যালয় অসম, টংলাৰ অধ্যক্ষ তথা ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ সম্পাদক যোগেন্দ্ৰ নাথ ডেকা, জাতীয় বিদ্যালয় অসম, টংলাৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ কুমাৰ শৰ্মা, শিষ্যজ্যোতি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ শশীন্দ্ৰ নাথ, জ্যোতিপ্ৰসাদ শৰ্মা, যোগেশ চৌধুৰী, বিষ্ণু ৰাম ডেকা, দণ্ডিৰাম ৰাভা, মহেন্দ্ৰ বড়ো, ধীৰেন মহলীয়া, বিপুল ডেকা, ওদালগুৰি জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক তথা কবিৰালী সাহিত্য সভাৰ সম্পাদক হিৰণ্য কাশ্যপ আদি উপস্থিত থাকে। শলাগ জ্ঞাপন কৰে যোগেন্দ্ৰ নাথ ডেকাই।

# ডুমডুমা মহাবিদ্যালয়ৰ সাহিত্য সমাজৰ উদ্যোগত 'আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস' উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২১ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ বিশ্বতে আজিৰ দিনটোত মাতৃ দিৱস উদযাপন কৰাৰ সমান্তৰালকৈ 'ডুমডুমা মহাবিদ্যালয় সাহিত্য সমাজ'ৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস উদযাপন কৰা হয়। আজি মহাবিদ্যালয়ৰ প্ৰাংগণত এই দিৱস উদ্‌যাপনৰ প্ৰাক্‌ক্ষণত ছাত্ৰ - ছাত্ৰীসকলে মহাবিদ্যালয়ৰ শীৰ্ষ গীত পৰিৱেশন কৰাৰ পাছতেই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতাই আদৰণি ভাষণ প্ৰদান কৰি মাতৃভাষা দিৱসৰ তাৎপৰ্য দাঙি ধৰে। তেখেতে মাতৃভাষাৰ ইতিহাস আৰু বিশ্বত মাতৃভাষাৰ প্ৰতি অহা প্ৰত্যাহ্বান, ভাবুকি আৰু ভাষাৰ বিলুপ্তিৰ কাৰণসমূহ ব্যাখ্যা কৰে। মহাবিদ্যালয়খনৰ অসমীয়া, হিন্দী আৰু বাংলা সাহিত্য বিভাগৰ সহযোগত প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত এই দিৱসৰ কাৰ্যসূচীৰ আঁত ধৰে বাণিজ্য বিভাগৰ সহকাৰী অধ্যাপিকা শৰ্মিষ্ঠা ভট্টাচাৰ্যই। সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট লেখক, সমালোচক বীৰ্কে বাহাদুৰ থাপাই আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি ১৯৫২ চনৰ এই দিনটোতে বাংলা ভাষাক পাকিস্তানৰ অন্যতম ৰাষ্ট্ৰীয় ভাষা হিচাবে দাবী কৰা আন্দোলনকাৰী ছাত্ৰৰ ওপৰত পুলিচে গুলিবৰ্ষণ কৰাৰ ফলত মাতৃভাষাৰ বাবে ছহিদ হোৱাসকলৰ স্মৃতিত বাংলাদেশত এই দিৱসটি ছহিদ দিৱস হিচাপে পালন কৰাৰ কথা উল্লেখ কৰে। তেখেতে অসমীয়া ভাষাৰ ইতিহাস, বিশ্বৰ বিভিন্ন ক্ষুদ্ৰ ক্ষুদ্ৰ জনগোষ্ঠীয়ে ব্যৱহাৰ কৰা নিজ মাতৃভাষাসমূহ কেনেদৰে বিলুপ্তি ঘটি আজি বিভিন্ন ভাষাৰ প্ৰতি কিদৰে ভাবুকি আহিছে তাৰ বহল ব্যাখ্যা আগবঢ়ায়। তেখেতে এতিয়া বিশ্বক বাদ দি সমগ্ৰ উত্তৰ পূবৰ বহু ভাষা নিঃশেষ হোৱাৰ দিশে আগবঢ়ৰ প্ৰসংগ টানি আনি ভাষা জীয়াই ৰখাৰ বাবে প্ৰত্যেক জাতি-জনগোষ্ঠীৰ মাজত নিজ নিজ মাতৃভাষাৰ প্ৰতি টান থকাৰ প্ৰয়োজন বুলিও উল্লেখ কৰে। উত্তৰ-পূবৰ বহু ভাষা ইতিমধ্যে বিলুপ্ত হোৱা বুলি কৈ ত্ৰিপুৰাৰ দৰে ৰাজ্যত আজি নিজৰ মাতৃভাষাৰ প্ৰতি সংকট নামি অহাৰ উদাহৰণ দাঙি ধৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰকাশ দত্তই ভাষাৰ সংকট সাৱধানতা আৰু ইয়াৰ তাৎপৰ্যৰ ওপৰত বহল ব্যাখ্যা আগবঢ়াই। হিন্দী বিভাগৰ মুৰব্বী অধ্যাপিকা হিৰণ বৈশ্যই দত্ত, বাংলা ভাষাৰ মুৰব্বী অধ্যাপক ড° আব্দুল জলিল চৌধুৰীকে আদি কৰি বহুকেইজন উপস্থিত বিশিষ্ট ব্যক্তিয়ে নিজ নিজ বক্তব্য আগবঢ়াই। সভাত শৰাইৰ শৰাই আগবঢ়াই শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° লোকমান আলিয়ে।

## জুইত জাহ ঘৰৰ সা-সামগ্ৰী, নথি-পত্ৰ

# নগাঁৱত বিধ্বংসী অগ্নিকাণ্ড

**অসম বাৰ্তা, বঢ়মপুৰ, ২১ ফেব্ৰুৱাৰী ঃ** নগাঁৱৰ ডিমৰুগুৰি ভুটায়আটিত অগ্নিকাণ্ড। অগ্নিকাণ্ডৰ ফলত কথমপি প্ৰাণ ৰক্ষা পৰে এটি পৰিয়ালৰ পাঁচজনকৈ লোকৰ। যোৱা নিশা প্ৰায় ১, ৩০ বজাত ফাৰুক শ্বেখ নামৰ পৰিয়ালটোৰ শুই থকা অৱস্থাত ঘৰৰ ওপৰেৰে পাৰ হোৱা ৩৩ হাজাৰ ভল্টৰ বৈদ্যুতিক তাৰ ছিঙি পৰাৰ ফলত সংঘটিত হয় অগ্নিকাণ্ডটো। অগ্নিকাণ্ডটোত ঘৰটোৰ সকলো সা-সামগ্ৰী, নথি-পত্ৰ ভস্মীভূত হোৱাৰ লগতে দুটাকৈ ৰন্ধন গেছ চিলিণ্ডাৰ বিস্ফুৰণ ঘটে। এই ভয়াবহ জুইত দুটা পশুধন জ্বলি ভস্মীভূত হয়। উল্লেখ্য যে ৩৩ হাজাৰ ভল্টৰ লাইনটো দীৰ্ঘদিনে মেৰামতি নকৰাৰ ফলত এই ঘটনো সংঘটিত হোৱা বুলি স্থানীয় ৰাইজে জানিবলৈ দিয়ে।

## জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

# ড্ৰাগছ আৰু নিচা জাতীয় সামগ্ৰীৰ অবৈধ ব্যৱসায় বন্ধৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২১ ফেব্ৰুৱাৰী ঃ** যোৱা কিছু মাহৰ আগৰ পৰা সমগ্ৰ গোলাঘাট জিলাতে অবৈধ ড্ৰাগছ আৰু নিচা জাতীয় সামগ্ৰীৰ প্ৰচলন বৃদ্ধি পাইছে। যাৰ ফলত বিদ্যালয় - মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ ওপৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। যুৱ প্ৰজন্মৰ এটা চাম ইয়াৰ চৰম বলি হৈছে। উল্লেখ্য যে যোৱা জানুৱাৰী মাহত গোলাঘাট নগৰৰ সমীপৰ হামদৈ পুলৰ সমীপত নিচা জাতীয় সামগ্ৰী সেৱন কৰি দলবদ্ধ আক্ৰমণৰ বলি হৈ এজন নিৰীহ যুৱক মৃত্যু মুখত পৰে। আনহাতে বেঙেনাখোৱাত কিছুদিন পূৰ্বে ৩জন কিশোৰে এজন অষ্টম শ্ৰেণীৰ ছাত্ৰক মাত্ৰ তিনি হাজাৰ টকাৰ বাবেই নৃশংসভাৱে হত্যা কৰে। এনে ঘটনাৰ উদাহৰণ গোলাঘাটত বহু আছে। ড্ৰাগছ তথা অবৈধ নিচা জাতীয় সামগ্ৰীৰ অবাধ প্ৰচলন ৰোধ আৰু অবৈধ ব্যৱসায়িক গ্ৰেপ্তাৰ কৰিবৰ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে দাবী উত্থাপন কৰে। অন্যথা অবৈধ ড্ৰাগছৰ তথা নিচা জাতীয় সামগ্ৰী ৰোধৰ বাবে গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি গোলাঘাট জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰি অৱগত কৰে।

# শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ ১১৪ গৰাকী দশম শ্ৰেণীৰ শিক্ষাৰ্থী তথা মেণ্টীক একোটাকৈ টেবলেট পি চি প্ৰদান



**অসম বাৰ্তা, তেজপুৰ সদৰ, ২১ ফেব্ৰুৱাৰী ঃ** বিদ্যায়তনিক উৎকৰ্ষ সাধনৰ লক্ষ্যৰে ২০২২ চনত ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে গ্ৰহণ কৰা এক সুদূৰপ্ৰসাৰী শৈক্ষিক আঁচনি "আৰোহণ"ৰ জৰিয়তে আজি শোণিতপুৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ ১১৪খন মাধ্যমিক বিদ্যালয়ৰ ১১৪ গৰাকী দশম শ্ৰেণীৰ শিক্ষাৰ্থী তথা মেণ্টীক (Mentee) আনুষ্ঠানিকভাৱে জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে একোটাকৈ টেবলেট পি চি প্ৰদান কৰে। শোণিতপুৰ জিলাৰ বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষাৰ শোণিতপুৰ জিলাৰ সহযোগত তেজপুৰৰ কনভেশ্যন চেণ্টাৰত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত জিলা আয়ুক্ত জেমছ আইণ্ড, শোণিতপুৰ জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক প্ৰভাত দাস, বিদ্যালয়সমূহৰ উপপৰিদৰ্শক নিলোৎজ্বল শৰ্মা, জিলা আঁচনি বিষয়া কৃষ্ণকান্ত ডেকা, শোণিতপুৰ জিলা অধিবিদ্যা পৰিষদৰ সম্পাদক বিজয় কাণ্ডুলনা উপস্থিত থকাৰ লগতে জিলাখনৰ মেণ্টৰ আৰু শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰী আৰু একাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতি থাকে। অনুষ্ঠানত দৃশ্য-শ্ৰাব্য মাধ্যমৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ সন্মুখত অসম চৰকাৰৰ "আৰোহণ" আঁচনিৰ সম্পৰ্কে এক বিশেষ ভিডিঅ প্ৰদৰ্শন কৰা হয়। আনহাতে মুখ্য অতিথি ৰূপে উপস্থিত থকা জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে মেণ্টীসকলক "আৰোহণ" আঁচনিৰ সন্দৰ্ভত সবিশেষ সদৰি কৰি মাৰ্গদৰ্শন প্ৰদান কৰে। তেওঁ নিজৰ ভাষণত নৱম-দশম শ্ৰেণীৰ সময়ছোৱাক জীৱনৰ শৈক্ষিক যাত্ৰাৰ বুনিয়াদ গঢ়াৰ মূল সময় বুলি উল্লেখ কৰি এই সময়ছোৱাৰ সঠিক ব্যৱহাৰৰ বাবে শিক্ষাৰ্থীসকলক আহ্বান জনায়। লগতে ভৱিষ্যতে একোগৰাকী মূল্যবোধ সম্পন্ন আৰু সমাজৰ প্ৰতি দায়বদ্ধ ব্যক্তি হিচাপে গঢ় লৈ উঠিবলৈও তেওঁ অনুপ্ৰেৰণা যোগায়। ইয়াৰ পিছতেই জিলা আয়ুক্ত গৰাকীয়ে জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ১৫ গৰাকী মেণ্টীক আনুষ্ঠানিকভাৱে টেবলেট পি চি প্ৰদান কৰে।

# বিহালীৰ বেদেতী অসম আদৰ্শ বিদ্যালয়ত বঁটা বিতৰণী ও অভিভাৱক সভা সম্পন্ন

**অসম বাৰ্তা, জিনজিয়া, ২১ ফেব্ৰুৱাৰী ঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত তথা অসম শিক্ষা সংসদৰ অধীনৰ বিহালীৰ বেদেতী অসম আদৰ্শ বিদ্যালয়ৰ বাৰ্ষিক বঁটা বিতৰণী তথা অভিভাৱক সভাখন অনুষ্ঠিত হৈ যায়। বিদ্যালয়খনৰ শিক্ষয়িত্ৰী ৰুবি শৰ্মাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিহালীৰ বিশিষ্ট সমাজকৰ্মী অৰূপ কুমাৰ দাস। অৰূপ কুমাৰ দাসে বক্তব্য দাঙি ধৰি কয় যে- বেদেতীত স্থাপন কৰা এই বিদ্যালয়খনে আঞ্চলটোৰ সাধাৰণ শ্ৰেণী লোকৰ ছাত্ৰ-ছাত্ৰী সকলক বিশেষভাৱে অতি কম মাচুলত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত শিক্ষা গ্ৰহণৰ অভাৱ দূৰ কৰি অহাটো পৰিলক্ষিত হৈছে। সভাত সমাজকৰ্মী মনোৰঞ্জন চৰকাৰ, নিৰন নাৰ্জাৰী, শেৱালি শৰ্মাই অভিভাৱক তথা ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যে কৰি গঠন মূলক বক্তব্য দাঙি ধৰে। বিদ্যালয়খনৰ পৰিচালন সঞ্চালক দীপক শৰ্মাই সভাত ২০০৮ চনত প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয়খনৰ ইতিহাস তথা সাম্প্ৰতিক সময়ত বৃহৎ পৰিমাণৰ ধনৰ বিপৰীতে অতি কম পৰিমাণৰ মাচুলৰ জৰিয়তে শিক্ষা দান কৰি অহাৰ ওপৰত বক্তব্য দাঙি ধৰে। বঁটা বিতৰণী সভাতখনত নয়ন জ্যোতি বৈষ্ণৱ, ৰিয়ান জ্যোতি শৰ্মাই গীত পৰিৱেশন কৰাৰ লগতে অনুষ্কা দুৱৰাই নৃত্য পৰিৱেশন কৰে। সভাত শলাগৰ শৰাই আগবঢ়াই বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰী চম্পা চৰকাৰে।

## মৰিগাঁৱত সাহিত্য সভাৰ দ্বাৰা মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

# অসমত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতা-মূলক কৰাৰ দাবী



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২১ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰী ভাষা আইন, ১৯৬০ৰ সঠিক ৰূপায়ণৰ যোগেদি অসমত সকলো চৰকাৰী আৰু বেচৰকাৰী কাৰ্যালয়, আদালত, শিক্ষানুষ্ঠান আদিত অসমীয়া ভাষাৰ ব্যৱহাৰ বাধ্যতামূলক কৰাৰ দাবীত মৰিগাঁও জিলা সাহিত্য সভাই আজি ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। অসম সাহিত্য সভাৰ আহ্বান মৰ্মে মৰিগাঁৱৰ জিলা আয়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা এই স্মাৰক পত্ৰত উল্লেখ কৰে যে ভাষিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি ভাৰতৰ 'ৰাজ্য পুনৰ গঠন আইন, ১৯৫৬ বলৱৎ হোৱাৰ দিনধৰি অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান অসম সাহিত্য সভাৰ মজিয়াৰ পৰা অসমীয়া ভাষাক অসমৰ একমাত্ৰ চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিবলৈ অহৰহ দাবী জনাই অহা হৈছে। অসম সাহিত্য সভাৰ এই দাবী আৰু ১৯৬০ চনৰ ভাষা আন্দোলনৰ ফচল হিচাপে ইতিমধ্যে 'অসম চৰকাৰী ভাষা আইন, ১৯৬০' ক বিধিসন্মতভাৱে গ্ৰহণ কৰা হৈছে যদিও এই পৰ্যন্ত অসমত এই আইনখন সঠিক ভাৱে ৰূপায়ণ হোৱা নাই। চৰকাৰী অধিসূচনা নং পি.এল.বি. ৫৬০২১৫/৭৮, দিনাংক: ১৪/০৪/২০২৫ আৰু চৰকাৰী পত্ৰ নং পি.এল.বি. ৫৬০২১৫/১১৭, দিনাংক: ১৫/১০/২০২৫ যোগে উল্লিখিত আইনখনৰ সঠিক ৰূপায়ণৰ বাবে চৰকাৰী কাৰ্যালয়সমূহলৈ নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে যদিও এই পৰ্যন্ত ইয়াৰ কোনো ফলৱতী প্ৰতিফলন পৰিলক্ষিত হোৱা নাই। সেয়েহে অসমীয়া ভাষা আৰু সংস্কৃতি সুৰক্ষাৰ স্বাৰ্থত অত্যন্ত সংবেদনশীল এই আইনখন সঠিক ৰূপায়ণৰ বাবে বাস্তৱসন্মত আৰু কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক পুনৰবাৰ বিনম্ৰতাৰে দাবী জনোৱা হয়। মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতা আৰু সম্পাদক কুশল কুমাৰ বৰাৰ নেতৃত্বত যোৱা স্মাৰক পত্ৰ প্ৰদানৰ সজাঁতি দলটোত উপ-সভাপতি লক্ষেশ্বৰ বৰদলৈ, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বিৰিঞ্চি কুমাৰ শৰ্মা, অজিত শৰ্মা, মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ক্ৰমে মিলেশ্বৰ পাতৰ, বুবুমণি গোস্বামী প্ৰাক্তন সম্পাদক ভূজেন ডেকা, সহকাৰী সম্পাদক মুন ঠাকুৰীয়া, কাৰ্যনিৰ্বাহক সদস্য বীণাৰাম বৰদলৈ, মৰিগাঁও শতদল সাহিত্য সভাৰ সম্পাদক ৰোহিনী হাজৰিকা, জ্যেষ্ঠ সাংবাদিক ডালিম ফুকন প্ৰমুখ্যে কেইবাজনো নেতৃস্থানীয় ব্যক্তি উপস্থিত থাকে।

## গোহালিত অগ্নি সংযোগ দুষ্টচক্ৰৰ; পেট্ৰ'ল ভৰ্তি বটল জ্বলাই দলিয়ালে চোতাললৈ

# পুৰণিগুদামত সাংবাদিকৰ বাসগৃহত ভয়ংকৰ কাণ্ড

**অসম বাৰ্তা, পুৰণিগুদাম, ২১ ফেব্ৰুৱাৰী ঃ** "প্ৰতিদিন টাইম" নিউজ চেনেলৰ সাংবাদিকৰ বাসগৃহত আক্ৰমণ কৰা এক ঘটনাই নগাঁও জিলাত তীব্ৰ চাঞ্চল্যৰ কৰিছে। বৈদ্যুতিন মাধ্যমৰ "প্ৰতিদিন টাইম" নিউজ চেনেলৰ চামগুৰিৰ সাংবাদিক নয়নমণি বৰাৰ বাসগৃহত যোৱা নিশা কোনো দুষ্টচক্ৰই আক্ৰমণ কৰে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদাম জলাহগাঁওস্থিত যুৱ সাংবাদিক নয়নমণি বৰাৰ গোহালি ঘৰত যোৱা নিশা কোনো অচিনাক্ত দুৰ্বৃত্তই অগ্নিসংযোগ কৰে। লগতে বটলত পেট্ৰ'ল ভৰাই জ্বলাই চোতালত দলিয়াই পেলাই দুষ্টচক্ৰই। নিশা প্ৰায় বাৰ বজাত নয়নমণি বৰাৰ বাসগৃহত এই ঘটনা সংঘটিত হোৱাৰ পাছত নয়নমণিৰ পৰিয়ালে পুৰণিগুদাম আৰক্ষীক খবৰ দিয়ে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও কোনো দুষ্টচক্ৰক আৰক্ষীয়ে আটক কৰিব পৰা নাই। সাংবাদিক নয়নমণি বৰাৰ পৰিয়ালে উক্ত ঘটনা সন্দৰ্ভত আজি পুৰণিগুদাম আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। কোনে কি কাৰণত সাংবাদিক নয়নমণি বৰাৰ বাসগৃহত এই আক্ৰমণৰ ঘটনা সংঘটিত কৰিলে জানিব পৰা নাই যদিও আৰক্ষীৰ তদন্ততহে প্ৰকৃত ঘটনা পোহৰলৈ আহিব।

## ■ কলেজে-কলেজে অনুষ্ঠিত হ'ব অনুজ্ঞাপত্ৰ প্ৰদানৰ বিশেষ শিবিৰ ■

# উপযুক্ত আৱৰণ দিহে মৰিগাঁৱৰ পথত চলাচল কৰিব পাৰিব ডাম্পাৰ; জিলা আয়ুক্তৰ স্পষ্ট নিৰ্দেশ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২১ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা পথ সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত জিলা পথ সুৰক্ষা সমিতিৰ সদস্য সচিব তথা লোকনিৰ্মাণ পথ বিভাগৰ অধীক্ষক অভিযন্তা জিন্নত আহমেদে পথ সুৰক্ষা সমিতিৰ পূৰ্বৰ বৈঠকৰ সিদ্ধান্তসমূহৰ কাৰ্যৰূপায়ণ সন্দৰ্ভত বিতংভাৱে অৱগত কৰে। সভাত জিলা আয়ুক্তগৰাকীয়ে ডাম্পাৰ চালকসকলে নিজৰ বাহনসমূহ উপযুক্ত আৱৰণ দি ব্যৱহাৰ নকৰাৰ বাবে বহু ঠাইত পথসমূহৰ ব্যাপক ক্ষতি হোৱা সন্দৰ্ভত উদ্বিগ্নতা ব্যক্ত কৰে। তেওঁ বন বিভাগক মাটি কঢ়িওৱা ডাম্পাৰসমূহৰ ক্ষেত্ৰত স্পষ্ট নিৰ্দেশনা দিয়াৰ নিৰ্দেশ দিয়ে। তেওঁ কয় যে ডাম্পাৰসমূহ পথেৰে চলাচল কৰোঁতে উপযুক্ত আৱৰণ দিয়াটো বাধ্যতামূলক। ডাম্পাৰৰ বাবে কোনো কাৰণতে পথৰ ক্ষতি হ'ব নালাগে আৰু ই পথ দুৰ্ঘটনাৰ কাৰণ হ'ব নালাগে বুলি তেওঁ কয়। তেওঁ লগতে ই-ৰিক্সা আৰু অটোসমূহৰ পঞ্জীয়ন সুনিশ্চিত কৰিবলৈ জিলা পৰিবহণ বিষয়াক নিৰ্দেশ দিয়ে। আজিৰ সভাত জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ আটাইতকৈ দুৰ্ঘটনাপ্ৰৱণ এলেকাসমূহ চিনাক্ত কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়ে। এনে এলেকাত তীব্ৰ গতি ৰোধ কৰাৰ বাবে ৰাডাৰ সংস্থাপন কৰিব পাৰি নেকি এই সন্দৰ্ভত সভাত আলোচনা কৰা হয়। তেওঁ বিদ্যালয়সমূহত ভিডিঅ' আৰু আন ই-লাৰ্নিং সামগ্ৰীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক পথ সুৰক্ষাৰ বিষয়ে সজাগ কৰাৰ নিৰ্দেশ দিয়ে। লগতে মহাবিদ্যালয় সমূহত ছাত্ৰ-ছাত্ৰীক চালকৰ অনুজ্ঞাপত্ৰ দিয়াৰ বাবে বিশেষ শিবিৰ অনুষ্ঠিত কৰিবলৈ জিলা পৰিবহণ বিষয়াক নিৰ্দেশ দিয়ে। আজিৰ সভাত অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাই জিলাখনৰ পেট্ৰ'ল পাম্পসমূহত হেলমেট নিপিন্ধিলে যাতে পেট্ৰ'ল দিয়া নহয় সেয়া সুনিশ্চিত কৰাৰ নিৰ্দেশ দিয়ে। লগতে পথ সুৰক্ষা সমিতিৰ সদস্যৰ উপস্থিতিত বিভিন্ন ঠাইত যানবাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে অভিযান চলোৱাৰ বিষয়ে উল্লেখ কৰে। সভাত জিলা পৰিবহণ বিষয়া অমৰ কুমাৰ বৰুৱা আৰু বিভিন্ন বিভাগৰ মূৰব্বী বিষয়াসকল উপস্থিত আছিল।

# জাঁজী হাঁহচৰা শাখা সাহিত্য সভাৰ উদ্যোগত গ্ৰন্থ উন্মোচনী আৰু ফাগুনৰ আলাপ শীৰ্ষক অনুষ্ঠান সম্পন্ন



**অসম বাৰ্তা, জাঁজী, ২১ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ জাঁজী হাঁহচৰাৰ উপহাৰ বিবাহ ভৱনৰ প্ৰেক্ষাগৃহত আজি আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ লগত সংগতি ৰাখি হাঁহচৰাৰ শাখা সাহিত্য সভাই গ্ৰন্থ উন্মোচনী আৰু ফাগুনৰ আলাপ শীৰ্ষক এক অনুষ্ঠান আয়োজন কৰে। হাঁহচৰা শাখা সাহিত্য সভাৰ সহঃ সম্পাদক দেৱবিকাশ দত্তই আঁতধৰা শাখা সাহিত্য সভাৰ সভানেত্ৰী অৰ্পনা চুতীয়াই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানটোৰ সঞ্চালনা কৰে নকচাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ উত্তম কুমাৰ বৰুৱাই। উক্ত অনুষ্ঠানতেই অৱসৰী শিক্ষয়িত্ৰী ৰীনা বৰুৱাৰ কণ্ঠত এটি কীৰ্ত্তন ঘোষাৰ শ্ৰব্য পাঠ আৰু বিয়া নামৰ গ্ৰন্থ উন্মোচন কৰে ক্ৰমে শিশু সাহিত্যিক অৰূপ জ্যোতি হাজৰিকা আৰু জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী বীনা বৰুৱাই। উন্মোচনী অনুষ্ঠানৰ পিছতেই অনুষ্ঠিত হোৱা ফাগুনৰ আলাপ অনুষ্ঠানত আমগুৰি শাখা সাহিত্য সভাৰ সভাপতি প্ৰমোদ বৰুৱা, খনামুখৰ বিশিষ্ট কবি অমৃত শইকীয়া, নকছাৰি শাখা সাহিত্য সভাৰ সম্পাদক প্ৰণৱ কুমাৰ গগৈ, উপ-সভাপতি চক্ৰসেন গগৈ, নৱ প্ৰজন্মৰ কবি কাব্যশ্ৰী গগৈ, ডুমডুমাৰ বিশিষ্ট কবি জোনালী শইকীয়া ডেকা, সংবাদ কৰ্মী মাঞ্চি মাঝি, হাঁহচৰা শাখাৰ কৰবী ফুকনকে ধৰি বহু কেইজন সাহিত্য সেৱকে কবিতা, অনুভৱ পাঠেৰে অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানটোত চেলেংহাট প্ৰেছক্লাৱৰ সম্পাদক অনুৰাগ শইকীয়া, পত্ৰিকা সম্পাদিকা মনোমালা হাজৰিকা, শাখা প্ৰতিনিধি ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য, সংবাদকৰ্মী অৰূপ কুমাৰ গগৈ, স্মৃতিপ্ৰিয়া লাহনকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## পৰীক্ষাৰ্থীয়ে মোবাইলত প্ৰশ্ন-কাকতৰ ফটো মৰাৰ অভিযোগ

# নামতি বয়জ হায়াৰ চেকেণ্ডাৰী বিদ্যালয়ত মেট্ৰিক পৰীক্ষাত অথন্তৰ

**অসম বাৰ্তা, আমগুৰি, ২১ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ নামতি বয়জ হায়াৰচেকেণ্ডাৰী বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰত যোৱা ২০ ফেব্ৰুৱাৰী তাৰিখে পৰীক্ষাৰ্থীৰ পৰা এটা ম'বাইল ফোন উদ্ধাৰকৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে সেইদিনা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সাধাৰণ গণিতৰ পৰীক্ষাত পৰীক্ষা কেন্দ্ৰটোৰ ১৩ নম্বৰ কোঠাত এজন পৰীক্ষাৰ্থীৰ পৰা এটা মোৱাইল ফোন উদ্ধাৰ কৰে কোঠাটোৰ পৰীক্ষা নিৰীক্ষক গৰাকীয়ে। পৰীক্ষা শেষ হ'বলৈ কিছু সময় বাকী থকা অৱস্থাত পৰীক্ষাৰ্থীয়ে মোৱাইল ফোন নিয়া ঘটনা নিৰীক্ষকে ধৰা পেলাই। প্ৰাপ্ত তথ্য অনুসৰি এগৰাকী পৰীক্ষাৰ্থী ছাত্ৰই মোৱাইল ফোনত আন এগৰাকী পৰীক্ষাৰ্থী ছাত্ৰৰ প্ৰশ্ন কাকতৰ ফটো তুলিছিল। নিৰীক্ষক গৰাকীয়ে মোৱাইল ফোনটো উদ্ধাৰ কৰি অভিযুক্ত ছাত্ৰদ্বয়ক পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াক গটাই দিয়ে। ইতিমধ্যে নামতি আৰক্ষী পৰীক্ষা কেন্দ্ৰটোত উপস্থিত হৈ ঘটনাৰ বুজ লয়। আনহাতে পৰীক্ষা কেন্দ্ৰটোৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে মোৱাইল ফোনটো জব্দ কৰিছে। জানিবপৰামতে অভিভাৱকক মতাই আনি দুই অভিযুক্ত ছাত্ৰক গটাই দিছে। মোবাইল ফোনটো উদ্ধাৰ হোৱা ছাত্ৰজন এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ ছাত্ৰ বুলি জানিব পৰা গৈছে। সোমবাৰে জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকে পৰীক্ষা কেন্দ্ৰটোত উপস্থিত হৈ মোৱাইল ফোনটো পৰীক্ষা কৰাৰ কথা। তাৰ পিছতহে মোৱাইল যোগে প্ৰশ্ন কাকত বাহিৰলৈ প্ৰেৰণ কৰা নকৰা বিষয়টো স্পষ্ট হ'ব বুলি প্ৰকাশ।

# বৰপেটাৰোডৰ বালাভিটা বজাৰত ভয়ংকৰ পথ দুৰ্ঘটনাত ১১ বছৰীয়া কিশোৰৰ মৃত্যু

**অসম বাৰ্তা, বৰপেটাৰোড, ২২ ফেব্ৰুৱাৰী ঃ** আজি আবেলি বৰপেটাৰোডৰ বালাভিটাত ট্ৰেক্টৰৰ খুন্দাত ইছৱ আলীৰ পুত্ৰ ১১ বছৰীয়া কিশোৰ ইনজামামুল হকৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনাত মৃত্যু হোৱা কিশোৰ জনৰ ঘৰ হৈছে বালাভিঠা। দুৰ্ঘটনা সংঘটিত কৰাৰ পিছতেই চালকে দুৰ্ঘটনা স্থলীৰ পৰা পলায়ন কৰে। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰেক্টৰৰ নম্বৰ হৈছে AS15AC4478। দুৰ্ঘটনা স্থলীত আৰক্ষী উপস্থিত হৈ পৰিৱেশ নিয়ন্ত্ৰণ কৰে আৰু দুৰ্ঘটনা সম্পৰ্কে বুজ লোৱাৰ লগতে দুৰ্ঘটনা সংঘটিত কৰা ট্ৰেক্টৰখন জব্দ কৰে।

# নামনি মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰশংসনীয় পদক্ষেপ

**জ্যেষ্ঠ নাগৰিকে গীত-মাতেৰে মুখৰিত কৰিলে ব্ৰহ্মপুত্ৰৰ কাৰ্গিল চাপৰি; নবৈ উৰ্ধৰ লোকক সম্বৰ্ধনা**

**অসম বাৰ্তা, উজনী মাজুলী, ২২ ফেব্ৰুৱাৰী ঃ** মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অন্যতম শাখা নামনি মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত আজি দিনজোৰা কাৰ্যসূচীৰে এক প্ৰীতি সন্মিলন অনুষ্ঠিত কৰা হয়। নামনি মাজুলীৰ ব্ৰহ্মপুত্ৰ নদীৰ কাৰ্গিল চাপৰিত আজি অনুষ্ঠিত হোৱা উক্ত প্ৰীতি সন্মিলনত আজি জ্যেষ্ঠ নাগৰিকসকলে গীত, অভিনয় আদি পৰিৱেশন কৰি এক সুন্দৰ অনুষ্ঠান ৰূপায়ণ কৰে। উক্ত প্ৰীতি সন্মিলনত নবৈ উৰ্ধৰ বয়োজ্যেষ্ঠ লোকসকলে অংশগ্ৰহণ কৰি আজি কাৰ্গিল অঞ্চলটো মুখৰিত কৰি তোলে। আজি পুৱা দহ বজাৰ পৰা উক্ত, প্ৰীতি সন্মিলনখনৰ আনুষ্ঠানিক কাৰ্যসূচী ভালুকমৰা সমীপৰ কাৰ্গিল চাপৰিত অনুষ্ঠিত হয়। উক্ত প্ৰীতি সন্মিলন উপলক্ষে আজি পুৱা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ পতাকা উত্তোলন কৰে নামনি মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ভৱানন্দ বৰাই। সন্মিলনত মহাত্মা গান্ধী, ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক হৰেন্দ্ৰ নাথ বৰুৱাই। দুপৰীয়া এঘাৰ বজাৰ পৰা জ্যেষ্ঠ নাগৰিক সকলৰ শীৰ্ষ গীতেৰে আৰম্ভ হোৱা প্ৰীতি সন্মিলনখনৰ সঞ্চালনা কৰে অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন ৰাজ্যিক সদস্য তথা খাৰজান পাৰ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ললিত চন্দ্ৰ হাজৰিকাই। নামনি মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি ভৱানন্দ বৰা আৰু সম্পাদক দেবেন বৰাই আঁত ধৰা উক্ত প্ৰীতি সন্মিলনত আৰম্ভণি বৰগীত পৰিৱেশন কৰে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাৰায়ন বৰুৱাই। অভ্যৰ্থনা সমিতিৰ সভাপতি বুদ্ধিন্দ্ৰ নাথ শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰা উক্ত প্ৰীতি সন্মিলনত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে মাজুলী জিলা সাংবাদিক সন্থাৰ সম্পাদক তথা পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডিম্বেশ্বৰ দত্তই। নিৰ্দিষ্ট বক্তা ভাষণত দত্তই জ্যেষ্ঠ নাগৰিক সন্মিলনৰ লক্ষ্য উদ্দেশ্য আৰু নাগৰিক সকলৰ কৰণীয় সন্দৰ্ভত তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি বিপিন চন্দ্ৰ হাজৰিকা, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বিশিষ্ট সমাজকৰ্মী উমাকান্ত ৰাজখোৱা, যোৰহাট জিলা কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক অৰুণ কুমাৰ পাঠক, মাজুলী জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক খগেন বৰা আদিয়ে অংশগ্ৰহণ কৰি তেওঁলোকৰ জীৱন শৈলী আৰু জ্যেষ্ঠ নাগৰিকৰ সবলীকৰণৰ ওপৰত আলোকপাত কৰে। উক্ত, প্ৰীতি সন্মিলনত নামনি মাজুলীৰ বৰ্ষীয়মান সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বলো কলিতা, বিশিষ্ট সত্ৰীয়া শিল্পী বাপধন গায়ন, বিশিষ্ট শিল্পী তথা অৱস্থিত প্ৰধান শিক্ষক ভোলাৰাম ভূঞা, নামনি মাজুলী কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ অনিল কুমাৰ বৰা, জ্যেষ্ঠ নাগৰিক মধু বৰুৱা আৰু প্ৰেম কান্ত শৰ্মাক নামনি মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। উক্ত, প্ৰীতি সন্মিলনত জ্যেষ্ঠ নাগৰিক নাৰায়ণ বৰুৱাই ভূপেন্দ্ৰ সংগীত, তৰুণ ৰাজখোৱা আৰু নগেন মিশ্ৰই কবিতা আবৃত্তি, খগেন হাজৰিকাই বিহু গীত, স্বৰ্ণলতা বৰাই আধুনিক গীত, প্ৰফুল্ল বৰাই ভাগৱত পাঠ, জীৱন বৰাই বৰ সবাহৰ বৰ দিহা আৰু ফুল বৰাই দিহা-নাম পৰিবেশন কৰি সকলোকে মুগ্ধ কৰে। জ্যেষ্ঠ নাগৰিক সকলে গীত মাত তথা মনোৰঞ্জনধৰ্মী অনুষ্ঠান পৰিৱেশন কৰি তেওঁলোকৰ সাংস্কৃতিক সমৃদ্ধ জীৱনটো পুনৰ টুকুৰাই চাই। জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উক্ত জীপাল, সজীৱ অনুষ্ঠানে উপস্থিত ৰাইজক আপ্লুত কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে নামনি মাজুলী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক দেবেন বৰাই। শতাধিক জ্যেষ্ঠ নাগৰিকে আজি উক্ত প্ৰীতি সন্মিলনত অংশগ্ৰহণ কৰে। প্ৰীতি সন্মিলনখনৰ শেষত সকলোৱে একেলগে এসাঁজ ভোজ-ভাত খাই আনন্দ উল্লাস প্ৰকাশ কৰে।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত ২৮ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব 'ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬'

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২২ ফেব্ৰুৱাৰী ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ত ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আৰু "ৰাষ্ট্ৰীয় সেৱা আঁচনি"ৰ আঞ্চলিক কাৰ্যালয়ৰ সহযোগত অহা ২৮ ফেব্ৰুৱাৰীত 'ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬' আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, ডিব্ৰুগড় জিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ নিৰ্বাচিত প্ৰতিনিধিসকলক লৈ ৰাজ্যিক পৰ্যায়ৰ নিৰ্বাচনৰ বাবে এই যুৱ সংসদ অনুষ্ঠিত কৰাৰ প্ৰাথমিক পৰ্যায়ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সম্পন্ন কৰাৰ দায়িত্ব ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ে কাৰ্টুন মহাবিদ্যালয়ক অৰ্পণ কৰিছে। এই অনুষ্ঠান 'বিকশিত ভাৰত' গঢ়াৰ লক্ষ্যৰে সৰ্বভাৰতীয় পৰ্যায়ত আয়োজন কৰা হৈছে আৰু ই প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ প্ৰত্যক্ষ পৰ্যবেক্ষণত অনুষ্ঠিত হ'ব। অনুষ্ঠানটোৰ দায়িত্ব লাভ কৰাত মহাবিদ্যালয় পৰিয়ালৰ মাজত এক উল্লাসময় পৰিৱেশ সৃষ্টি হৈছে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয় যে যুৱ সমাজৰ মাজত নেতৃত্ব গুণ বিকাশ, দক্ষতা বৃদ্ধি আৰু ৰাজনৈতিক সচেতনতা গঢ়ি তুলিবলৈ সংসদীয় কাৰ্য প্ৰণালীৰ বাস্তৱ অভিজ্ঞতা প্ৰদান কৰাই এই আয়োজনৰ মূল উদ্দেশ্য। কানৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত সফলভাৱে ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ স্বীকৃতি স্বৰূপে এই অনুষ্ঠান আয়োজন কৰাৰ দায়িত্ব কাৰ্টন মহাবিদ্যালয়ে লাভ কৰিছে। এই 'ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬' কেৱল জিলাখনতে সীমাবদ্ধ নহয়, ই উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবেও এক গুৰুত্বপূৰ্ণ সুযোগ হিচাপে পৰিগণিত হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। অনলাইন আৰু অফলাইন দুয়োটা মাধ্যমতে অনুষ্ঠিত হ'বলগীয়া এই ৰাষ্ট্ৰীয় যুৱ সংসদ, ২০২৬ এ মহাবিদ্যালয়খনৰ বিদ্যালয়তনিক দিশত এক নতুন মাত্ৰা প্ৰদান কৰিব অধ্যক্ষ গৰাকীয়ে আশা প্ৰকাশ কৰে। উল্লেখ্য যে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত অনুষ্ঠানটি আয়োজন সম্পৰ্কে আলোচনা কৰাৰ লগতে এখন উদ্যাপন সমিতিও গঠন কৰা হয়। মহাবিদ্যালয়ৰ এন এচ এচ গোটৰ আঁচনি বিষয়া অধ্যাপক শিৱনাথ চুতীয়াই আঁতধৰা সভাখনিত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ প্ৰাধ্যাপক ড° ডেভিদ কাৰ্ডং, মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, অধ্যাপিকা ড° চন্দনা গোস্বামী, ড° অলকানন্দা বৰুৱা, এন এচ এচ গোটৰ উপদেষ্টা ড° বিৰাজ দত্ত, ড° হেমাকাঞ্চন ফুকন উপস্থিত থাকে।

## মাজুলীৰ ১ নং মৰিটুনী অঞ্চলত বিনামূলীয়া চকু পৰীক্ষা আৰু বিনামূলীয়া চিকিৎসা শিবিৰ

**অসম বাৰ্তা, মাজুলী, ২২ ফেব্ৰুৱাৰী ঃ** মাজুলীৰ ১নং মৰিটুনিত তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ উদ্যোগত "অনুগ্ৰহ দৃষ্টিদান"ৰ সহযোগত বিনামূলীয়া মেগা চকু পৰীক্ষা আৰু চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। শিবিৰত বিনামূলীয়া চকু পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ আৰু চছমাৰ বিতৰণ কৰা হয়। শিবিৰত চকুত ছানি পৰা অৰ্ধশতাধিক ৰোগীক চিনাক্ত কৰা হয় আৰু ছানি পৰা ৰোগীসকলক বিনামূলীয়াকৈ অস্ত্ৰোপ্ৰচাৰৰ কৰা হ'ব বুলি জানিবলৈ দিয়ে। আজি মৰিটুনী অঞ্চলত অনুষ্ঠিত শিবিৰটোত মাজুলীৰ বিভিন্ন প্ৰান্তৰ শতাধিক লোকে অংশগ্ৰহণ কৰে। তেল আৰু প্ৰাকৃতিক গেছৰ আয়োগৰ যোৰহাট শাখাৰ উদ্যোগত অনুষ্ঠিত এনে ধৰণৰ কল্যাণমূলক আচনি প্ৰতিবছৰে বিভিন্ন ঠাইত আগঢ়াই আহিছে। ৰাইজৰ কল্যাণমূলক আচনি মাজুলীত ৰূপায়ণ কৰিবলৈ অহা বিভাগটোৰ দায়িত্বত থকা বিষয়া সকলে মাজুলীৰ ৰাইজৰ বিপুল সঁহাবিৰি লাভ কৰা বুলি সদৰি কৰে। কাৰণ সকলো দানতকৈ শ্ৰেষ্ঠ দান হ'ল দৃষ্টি দান। অঞ্চলতোৰ যুৱকসকলে এই ক্ষেত্ৰত বিপুল সহযোগিতা আগবঢ়োৱাৰ বাবে শিবিৰটো সফল হৈছে বুলি কৃতজ্ঞতা জ্ঞাপন কৰে।

## দুলীয়াজানত 'উত্তৰণ কবিচক্ৰ'ৰ ফেব্ৰুৱাৰী মাহৰ মাহেকীয়া কাব্য চ'ৰা সম্পন্ন

**অসম বাৰ্তা, দুলীয়াজান, ২২ ফেব্ৰুৱাৰী ঃ** দুলীয়াজান 'উত্তৰণ কবিচক্ৰ'ৰ ফেব্ৰুৱাৰী মাহৰ মাহেকীয়া কাব্য চ'ৰাখনি কালি দুলীয়াজানৰ বৰদলৈ ভৱনত উলহ-মালহেৰে অনুষ্ঠিত হৈ যায়। উত্তৰণ কবিচক্ৰৰ সভানেত্ৰী জুবিলী গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত সঞ্চালকৰ আসন অলংকৃত কৰে ডিব্ৰুগড়ৰ বিশিষ্ট কবি তথা সুলেখক ৰুদ্ৰ গগৈয়ে। অনুষ্ঠানৰ আৰম্ভণিতে বিশিষ্ট কবি প্ৰয়াত ৰফিকুল হোছেইনৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনাই তেখেতলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। ইয়াৰ পাছতে কণমানি আয়ুষ্মান গগৈৰ এটি সুমধুৰ গীতেৰে অনুষ্ঠানৰ শুভাৰম্ভণি হয়। সম্পাদক মীৰা দত্তই উদ্দেশ্য ব্যাখ্যা কৰা এই অনুষ্ঠানটিত প্ৰায় ৩৫ গৰাকী কবিয়ে নিজৰ স্বৰচিত কবিতা পাঠ কৰি এক কাব্যিক পৰিবেশৰ সৃষ্টি কৰে। কবিতা পাঠৰ মাজতে কবিচক্ৰৰ সদস্য সত্যৰঞ্জন চুতীয়াই পৰিৱেশন কৰা গীতে অনুষ্ঠানটিক অধিক জীপাল কৰি তোলে। উক্ত অনুষ্ঠানত দুলীয়াজান সাহিত্য সভাৰ সভাপতি ড° অজিত শইকীয়া, দুলীয়াজান সাহিত্য সভা আৰু উত্তৰণ কবিচক্ৰৰ প্ৰাক্তন সভাপতিদ্বয় ক্ৰমে ৰঞ্জন মহন্ত আৰু বিনোদ বৰাই উপস্থিত থাকি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। লগতে কবিচক্ৰৰ উপদেষ্টা ৰীতা দত্ত, অনু শইকীয়া, মৃণালী ভূঞা বৰদলৈ আৰু লেখিকা সংস্থাৰ সভানেত্ৰী মিতালী মহন্তৰ উপস্থিতিয়ে সকলোকে উৎসাহিত কৰে। ডিব্ৰুগড়ৰ বিশিষ্ট কবি উজ্জ্বল চক্ৰৱৰ্তীৰ লগতে দুলীয়াজানৰ জীৱ গগৈ, অঞ্জনা দত্ত নেওগ, বিজয়া বৰুৱা, হেম শইকীয়া, সমুদ্ৰ গগৈ, শশীন্দ্ৰ শৰ্মা, মনোজ দত্ত, নলিনী মজুমদাৰ, বিবি বৰা, দিপীকা শইকীয়া, ভানু মজুমদাৰ, ৰূপালী হাজৰিকা, দিপালী তামোলী, সুবৰ্ণ গগৈ, স্বপ্না দেৱী নাথ, সবিতা দত্ত, পৰিণিতা ৰাজকোঁৱৰ, শেৱালি বৰা, ৰীণা গগৈ, স্বৰ্ণলতা শইকীয়া, ৰীণা হোছেইন মজুমদাৰ, গায়ত্ৰী বকতিয়াল, মামনি মাউত, সংগীতা বৰদলৈ, ছায়ামণি দত্ত, ৰাণু বৰুৱা গগৈ, অঞ্জুমণি মহন্ত, প্ৰণীতা হাতীমূৰীয়া, বেবী গোস্বামী গগৈ, লক্ষিমী নেওগ আৰু অৰ্পণা দত্তকে প্ৰমুখ্য কৰি বহুকেইগৰাকী কবিয়ে স্বৰচিত কবিতা পাঠ কৰে।

**সীমান্তৱৰ্তী চিজুছা বিন্দুত আজি স্থাপন কৰা হয় প্ৰথমটো আন্তঃৰাজ্যিক সীমা স্তমভ**

## অসম-অৰুণাচল প্ৰদেশৰ সীমা সমস্যা সমাধানৰ দিশত ইতিবাচক পদক্ষেপ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২২ ফেব্ৰুৱাৰী ঃ** অসম-অৰুণাচল প্ৰদেশৰ সীমা সমস্যা সমাধানৰ দিশত আজি সংযোজিত হৈছে এক ইতিবাচক পদক্ষেপ। প্ৰতিবেশী ৰাজ্য অৰুণাচল প্ৰদেশৰ পাকে কেঁচাং আৰু অসমৰ বিশ্বনাথ জিলাৰ সৈতে সামৰি লোৱা প্ৰথমটো আন্তঃৰাজ্যিক সীমা স্তমভ সীমান্তৱৰ্তী চিজুছা বিন্দুত আজি পুৱা স্থাপন কৰা হয়। অৰুণাচল প্ৰদেশৰ স্বাস্থ্য মন্ত্ৰী, বিশ্বনাথৰ জিলা আয়ুক্ত আৰু পাকে কেঁচাং জিলাৰ উপায়ুক্ত, বিশ্বনাথৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, দুয়োখন জিলাৰ আঞ্চলিক আৰু বন্যপ্ৰাণী সংমণ্ডল প্ৰাধিকাৰী আৰু জৰীপ ভাৰত আৰু অসম আৰু অৰুণাচল প্ৰদেশৰ জৰীপ বিষয়াসকলৰ উপস্থিতিত আজি পুৱা ৯.৩০ বজাত দুয়োখন জিলাৰ সীমান্তৱৰ্তী চিজুছা পইণ্টত প্ৰথমটো আন্তঃৰাজ্যিক সীমা স্তম্ভ স্থাপন কৰা হয়। অৰুণাচল প্ৰদেশ আৰু অসমৰ জিলা দুখনৰ মাজত আন্তঃৰাজ্যিক সীমাৰ দৈৰ্ঘ্যৰ ৮০ শতাংশ (আশী শতাংশ) সফলতাৰে সীমাবদ্ধ কৰাৰ পিছত এই প্ৰথমটো সীমা স্তম্ভ নিৰ্মাণ কৰা হৈছে। উল্লেখযোগ্য যে, অসম আৰু অৰুণাচল প্ৰদেশৰ সীমা সমস্যা সমাধানৰ বাবে ইতিমধ্যে দুয়োখন ৰাজ্যৰ সংশ্লিষ্ট জিলা দুখনত একাধিকবাৰ আলোচনাত মিলিত হৈছিল দুয়ো জিলাৰ দুয়ো ৰাজ্যৰ উচ্চ পদস্থ বিষয়া সকল। সীমা সমস্যা সমাধানৰ বাবে গঠন কৰা আন্তঃৰাজ্যিক আঞ্চলিক সমিতিৰ বৈঠকত লোৱা সিদ্ধান্তৰ পিছতে দুয়ো ৰাজ্যৰ সীমা নিৰ্ধাৰণ আৰু জৰীপৰ প্ৰক্ৰিয়া হাতত লোৱা হৈছে। জানিব পৰা মতে দুয়ো ৰাজ্যৰ আন্তঃৰাজ্যিক সীমাৰ স্তম্ভ নিৰ্মাণৰ প্ৰক্ৰিয়া অতি সোনকালেই সম্পূৰ্ণ কৰা হ'ব। ৰবিবাৰৰ এই বিশেষ কাৰ্যসুচীত অৰুণাচল প্ৰদেশৰ স্বাস্থ্য মন্ত্ৰী বিয়োৰাম ৱাগেৰ লগতে পাকে কেঁচাং জিলাৰ উপায়ুক্ত বাণী লেগ'ৰ লগতে বন সংমণ্ডল প্ৰাধিকাৰী তথা সংশ্লিষ্ট বিষয়াসকল আৰু অসমৰ ফালৰ পৰা বিশ্বনাথৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়া, জ্যেষ্ঠ আৰক্ষী অধীক্ষক অজাগৌৰাণ বসুমতাৰী, বন সংমণ্ডল প্ৰাধিকাৰী তথা সংশ্লিষ্ট বিষয়া কৰ্মচাৰীসকল উপস্থিত আছিল।

# টাই আহোম যুৱ পৰিষদ, অসম (টাইপা)ৰ আমগুৰি আঞ্চলিকৰ নতুন সমিতি গঠন



**অসম বাৰ্তা, আমগুৰি, ২২ ফেব্ৰুৱাৰী ঃ** টাই আহোম যুৱ পৰিষদ, অসম(টাইপা)ৰ আমগুৰি আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাখন আজি আমগুৰি পৌৰসভা সভাকক্ষত অনুষ্ঠিত কৰা হয়। শিৱসাগৰ জিলা সমিতিৰ সহ সম্পাদক আদিত্য ৰূ-চাও এ আঁত ধৰা উক্ত সভাখনত টাইপা শিৱসাগৰ জিলাৰ সভাপতি দীপক চেতিয়াই সভাপতিত্ব কৰে। সভাতেই মুখ্য উপদেষ্টা হিচাপে আদিত্য ৰূ-চাও তথা ৰাজা গগৈ আৰু বাবুল গগৈক ক্ৰমে সভাপতি আৰু কাৰ্যবাহী সভাপতি হিচাপে লৈ টাইপা আমগুৰি আঞ্চলিকৰ নতুন সমিতিখন গঠন কৰা হয়। ৰাহুল সন্দিকৈ আৰু ৰণ্টু কোঁৱৰক যুটীয়া সম্পাদক, অভিজিৎ গগৈ আৰু ৰিতুৰাজ বৰগোহাঁইখ সহকাৰী সম্পাদকৰ দায়িত্ব প্ৰদান কৰি মুঠ ৫৩ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়। সভাত টাইপা কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামোলী, টাইপা শিৱসাগৰ জিলা সমিতিৰ কাৰ্য্যকৰী সভাপতি জয়ন্তবৰগোহাঁই, জিলাৰ উপ সভাপতি সিমান্ত তামোলী, সাংগঠনিক সম্পাদক পাৰ্থ বৰুৱা আদি কৰি শিৱসাগৰ সমিতিৰ বহু নেতা উপস্থিত থাকে।

## পথালিপাহাৰত ৫ দিনীয়া কাৰ্যসূচীৰে ভাওনা সমাৰোহ

**অসম বাৰ্তা, বান্দৰদেৱা, ২২ ফেব্ৰুৱাৰী ঃ** ভাওনা শিল্পী সমাজ, লখিমপুৰ জিলা সমিতিৰ উদ্যোগত বিগত বছৰ দৰে এইবাৰো পঞ্চম বাৰ্ষিক জিলা ভাওনা সমাৰোহ ভাগি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী পথালিপাহাৰবাসী ৰাইজৰ সহযোগত অহা ২০ মাৰ্চৰ পৰা ২৪ মাৰ্চ (২০২৬)লৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পথালিপাহাৰ বৰ নামঘৰৰ প্ৰাংগণত উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত পাঁচদিনীয়া কাৰ্যসূচীৰ মুখ্যতঃ আঠখন ভাওনাৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২০ মাৰ্চ তাৰিখে উদ্বোধনী হিচাপে "ৰাম বিজয়" নাট খনি প্ৰদৰ্শন কৰিব দয়াময় নাট্য গোষ্ঠী, পথালিপাহাৰ। ৰাম পৰাজয় সীতাৰ পাতাল গমন, (নটৰাজ নাট্য গোষ্ঠী, ৰাজবাৰী) গজেন্দ্ৰ উপাখ্যান, (মুৰাৰী নাট্য গোষ্ঠী, লালুক)। ২১ মাৰ্চ তাৰিখে সিন্ধুমুনিৰ পিতৃ ভক্তি দশৰথৰ স্বৰ্গ উদ্ধাৰ, (নটবৰ নাট্য গোষ্ঠী, উত্তৰ লখিমপুৰ)লক্ষ্মণ বৰ্জন, (পাঞ্চজন্য শিল্পী সমাজ, উত্তৰ লখিমপুৰ)। ২২ মাৰ্চ তাৰিখে ধৃতৰাষ্ট্ৰৰ গান্ধাৰী মিলন গান্ধাৰ পতন, (অগ্ৰণী নাট্য গোষ্ঠী, নাৰায়ণপুৰ) কুমৰ হৰণ, (প্ৰয়াস নাট্য গোষ্ঠী, কাটৰী চাপৰি)। ২৩ মাৰ্চ তাৰিখে সাবিত্ৰী সত্যবান, (বামুণ দলনী ভাওনা দল, পঝুমৰা) অম্বাৰ দেহ ত্যাগ, (সাৰঙ্গপানি নাট্য গোষ্ঠী, ঢেকীয়াজুলি, লালুক)। ২৪ মাৰ্চ তাৰিখে মূল সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। তদুপৰি ভাওনা সমাৰোহৰ দিনৰ ভাগৰ কাৰ্যসূচীৰ মুখ্য আকৰ্ষণ দহ হাজাৰ গোপিনীৰ দ্বাৰা ঘোষাপাঠ অনুষ্ঠান আৰু ২০০ গায়ন বায়ন প্ৰদৰ্শন। লগতে অসম বৈদিক যুৱ সমাৰোহ, সূত্ৰ নৃত্য প্ৰতিযোগিতা আৰু মাতৃ ভাষা ভাওনাৰ সংলাপ প্ৰক্ষেপন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উল্লেখ্য যে উক্ত ভাওনা সমাৰোহত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। সেয়েহে আদৰণি সমিতিৰ সভাপতি বিশ্বেশ্বৰ দত্ত, কাৰ্যকৰী সভাপতি প্ৰবীণ বৰুৱা, আৰু প্ৰধান সম্পাদক চন্দ্ৰেশ্বৰ ভূঞাই স্থানীয় ৰাইজৰ লগতে জিলা খনৰ সকলো ৰাইজক সমাৰোহ ভাগি সফল ৰূপায়ণৰ ক্ষেত্ৰত সকলো দিশতে সহায়-সহযোগিতা আগবঢ়াবলৈ বিনম্ৰতাৰে আহ্বান জনাইছে।

■ নগাঁৱত ভয়ংকৰ কাণ্ড ■

## চালকক মাৰপিট কৰি বহিঃৰাজ্যৰ ট্ৰাক লৈ উধাও চোৰ

**অসম বাৰ্তা, নগাঁও, ২২ ফেব্ৰুৱাৰী ঃ** সম্প্ৰতি নিশা হ'লেই যেন নগাঁৱৰ ডিমৌ বাইপাছৰ পৰা ট্ৰাক হাইজেক ঘটনা সংঘটিত হয়। চালকক আক্ৰমণ কৰি WB 59D0496 নম্বৰৰ বহিঃৰাজ্যৰ ট্ৰাকখন লৈ উধাও হয় দলটো। নিশা হ'লেই অপৰাধৰ ৰম্যভূমিলৈ পৰিণত হয় নগাওঁ বাইপাছ। আৰক্ষীৰ অমনোযোগিতাৰ সুযোগ গ্ৰহণ কৰি একাংশ লোকে বাইপাছত চলায় তাণ্ডৱ। নিশা নগাঁৱৰ ডিমৌ বাইপাছৰ পৰা ট্ৰাক হাইজেক ঘটনা সংঘটিত হয়। উল্লেখ্য যে- শুক্ৰবাৰে মাজনিশা তিনিজনীয়া এটা দলে গুৱাহাটী অভিমুখে গৈ থকা এখন ট্ৰাক হাইজেক কৰে। চালকক আক্ৰমণ কৰি WB 59D0496নম্বৰৰ বহিঃৰাজ্যৰ ট্ৰাকখন লৈ উধাও হয় দলটো। নম্বৰপ্লেট বিহীন বাইকত অহা তিনি যুৱকে ট্ৰাকখনৰ ফাইনেন্সৰ ধন পৰিশোধ কৰিব থকা বুলি আগভেটি চালক আচিৰুল ইছলামক আক্ৰমণ কৰি লৈ যায় ট্ৰাকখন। পাছত ঘটনাস্থলীত নগাঁও আৰক্ষী উপস্থিত হৈ উদ্ধাৰ কৰে ড্ৰাইভাৰ আৰু হেন্দিমেনক। ইপিনে অপৰণ কৰা ট্ৰাকখনৰ লগতে তিনি অপহৰণকাৰী কৌশিক শইকীয়া, নয়ন জ্যোতি শইকীয়া আৰু মফিজুল হুছেইনক আটক কৰে আৰক্ষীয়ে। বৰ্তমান তিনিওকে গ্ৰেপ্তাৰ কৰি নগাঁও সদৰ আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতা অধীনত 156/26 US 319(2)/308(2)/3(5) গোচৰ ৰুজু কৰি ধৃত তিনিওজনকে জেললৈ প্ৰেৰণ কৰে।

## যোৰহাটত ৰামকৃষ্ণ পৰমহংস দেৱৰ আবিৰ্ভাব তিথি আৰু সাধাৰণ উৎসব উদ্‌যাপন

**অসম বাৰ্তা, যোৰহাট, ২৪ ফেব্ৰুৱাৰী ঃ** ৰামকৃষ্ণ সেবাশ্ৰম, যোৰহাটৰ সৌজন্যত যোৱা ১৯ ফেব্ৰুৱাৰী তাৰিখত শ্ৰী শ্ৰী ৰামকৃষ্ণ পৰমহংস দেৱৰ ১৯১তম শুভ আবিৰ্ভাৱ তিথি আৰু ২২ ফেব্ৰুৱাৰী তাৰিখত সাধাৰণ উৎসৱ বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। ১৯ ফেব্ৰুৱাৰী তাৰিখত ঠাকুৰৰ আবিৰ্ভাৱ তিথি উপলক্ষে পুৱাতে ঠাকুৰৰ বিশেষ পূজা, হোম-যজ্ঞ, কথামৃত পাঠ আৰু ভজন-কীৰ্ত্তন অনুষ্ঠিত কৰা হয়। ২২ ফেব্ৰুৱাৰী পুৱাতে ধৰ্মীয় শোভাযাত্ৰাৰ জৰিয়তে সাধাৰণ উৎসৱৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ উপৰিও মানৱ সেৱাৰ আদৰ্শত অনুপ্ৰাণিত ৰামকৃষ্ণ সেৱাশ্ৰমৰ ভক্তসকলে দুখীয়া লোকৰ সেৱাৰ উদ্দেশ্যে বিনামূলীয়া ৰক্ত পৰীক্ষা, থাইৰয়েড পৰীক্ষাৰ ব্যৱস্থা কৰে। অভিজ্ঞ তথা সমাজ সেৱাৰ আদৰ্শত দীক্ষিত স্বনামধন্য চিকিৎসক ডাঃ বিমলেন্দু সাহা, ডাঃ কে চি দে, ডাঃ গৌতম সাহু আৰু ডাঃ আৰ. কালোয়াৰে শতাধিক লোকৰ বিনামূল্যত স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰে। ইয়াৰ লগতে মানৱতাৰ আদৰ্শত পৰিচালিত ৰামকৃষ্ণ সেৱাশ্ৰমে দৰিদ্ৰ নাৰায়ণ সেৱাৰ অংশ হিচাপে নতুন বস্ত্ৰ বিতৰণ কৰে। উল্লিখিত দুয়োটা দিনতেই সহস্ৰাধিক লোকৰ মাজত মহাপ্ৰসাদ বিতৰণ কৰা হয়।

# বৰপেটাৰোড সমীপৰ লুৱাশুৱত ৩০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব শ্ৰীশ্ৰী জগন্নাথ মন্দিৰ

**অসম বাৰ্তা, বৰপেটাৰোড, ২২ ফেব্ৰুৱাৰী ঃ** আজি জাখলিপাৰ লুৱাশুৱত গাঁৱত নিৰ্মাণ হ'ব লগীয়া জগন্নাথ মন্দিৰৰ ভূমিপূজন আৰু শিলান্যাস অনুষ্ঠান। ভূমিপূজন আৰু শিলান্যাস অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত বিটিচিৰ প্ৰধান হাগ্ৰামা মহিলাৰী। অনুষ্ঠানত বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ কৰকমলেৰে বড়ো ভাষাত শ্ৰীমদ্ভাগৱত গীতাৰ উন্মোচন আৰু উৎসৰ্গ কৰে। অনুষ্ঠানত অংশগ্ৰহণ আন্তৰাষ্ট্ৰীয় ইস্কন ধৰ্মীয় ভক্তৰ। ইস্কনৰ অন্যতম সহযোগী সংস্থা ইণ্ডিয়া ট্ৰাইবেল কেয়াৰ ট্ৰাষ্টৰ উদ্যোগত জাখলিপাৰ লুৱাশুৱ গাঁৱত ৩০ কোটি ব্যয়সাপেক্ষ নিৰ্মাণ হ'ব শ্ৰীশ্ৰীজগন্নাথ মন্দিৰ নিৰ্মাণৰ লগতে শ্ৰীশ্ৰীজগন্নাথ চেণ্টাৰ ফৰ ট্ৰাইবেল কেয়াৰ এণ্ড কালচাৰেল এণ্ড ৰিছাৰ্চ চেণ্টাৰ। এই বৃহৎ প্ৰকল্পটোৰ আজি মাংগলিক ৰীতি-নীতিৰ মাজেৰে ভূমি পূজন আৰু শিলান্যাস কৰে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে। আনহাতে এই অনুষ্ঠানতে পোন প্ৰথমবাৰৰ বাবে শ্ৰীমদ্ভাগৱত গীতাৰ অনুবাদ গ্ৰন্থ বড়ো ভাষাত প্ৰকাশ কৰি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীৰ কৰকমলেৰে শুভ উন্মোচন কৰা কৰে। উল্লেখ্য যে এই প্ৰকল্পত প্ৰভু জগন্নাথৰ এটা বৃহৎ মন্দিৰ, জনজাতি ছাত্ৰ-ছাত্ৰীৰ বাবে হোষ্টেলসহ এখন বিদ্যালয়, গো-শালা অতিথিশালাকে অফি কৰি কেবাটাও প্ৰকল্প স্থাপন কৰা হ'ব। অনুষ্ঠানত উপস্থিত থাকে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰী, বিটিচিৰ ই এম বেগম আখতাৰা আহমেদ, শালবাৰী সমষ্টিৰ পাৰিষদ দিগন্ত গয়াৰী, মইনবড়ি সত্ৰৰ ডেকা সত্ৰাধিকাৰ অপূৰ্ব অধিকাৰী, প্ৰবীণ বড়ো লগতে আন্তৰাষ্ট্ৰীয় আৰু ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ইস্কন ভক্তৰসকল। শ্ৰীশ্ৰী জগন্নাথ মন্দিৰৰ এই ভূমি পূজন আৰু শিলান্যাস অনুষ্ঠানত স্থানীয় পাৰিষদ তথা বিটিচি চৰকাৰৰ ইএম বেগম আখতাৰা আহমেদ উপস্থিত থাকি আধ্যাত্মিকতাৰ জৰিয়তে ভাতৃত্ববোধৰ আহ্বান জনায়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন